# অসম বিধান সভা অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ১৯/০২/২০১৮ সোমবাৰ

**আজি ইং ১৯-০২-২০১৮ তাৰিখে অসম বিধান সভাৰ বাজেট অধিবেশন পূৰ্বৰ নিৰ্ধাৰিত সময়-সূচী মতে ৰাতি পুৱা ৯-৩০ বজাৰ পৰা অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষঃ** Question No. 121- Shri Durga Bhumij. Minister please.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী দূৰ্গা ভূমিজ, (ডুমডুমা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সুধিছিলো যে ডুমডুমা থানাৰ অন্তৰ্গত তালাপ আৰক্ষী চকীখন পূৰ্ণাংগ থানালৈ উন্নীত কৰাৰ বাবে কিবা প্ৰস্তাৱ আছে নেকি? যদি আছে, কেতিয়া হ'ব? ইয়াৰ উত্তৰত আহিছে যে, এখন guideline আছে। সেই guideline মতে আৰক্ষী চকী থানালৈ উন্নীত কৰণৰ কথা আছে। কিন্তু এই guideline কেতিয়া সম্পূৰ্ণ হ'ব? তালাপ আৰক্ষী চকীখন এই চলিত বৰ্ষতে হ'ব নেকি? ইয়াৰ ওপৰত মই সুধিছো যে, ডুমডুমা থানাৰ অন্তৰ্গত জুটুলীবাৰী গাঁৱৰ অঞ্চলটোত সঘনাই বিভিন্ন ধৰণৰ অসামাজিক কাম-কাজ হৈ থাকে। সেইকাৰণে তাত Out-post ৰ প্ৰয়োজন আছে। কিন্তু কেতিয়া হ'ব, এই কথাটো কোৱা হোৱা নাই। আমি জানিব বিচাৰিছো যে কোন মাহত, কোনটো বিত্তীয় বৰ্ষত হ'ব? তৃতীয় প্ৰশ্নটো আছিল যে ফিলবাৰী থানাৰ অন্তৰ্গত কাকজানত আৰক্ষী চকী স্থাপন। আমাৰ ডুমডুমা অঞ্চলত যিমান বোমা ব্লাষ্ট বা বিভিন্ন ধৰণৰ বিস্ফোৰণ হৈছে, সেইবোৰ কাকজানৰ ফালৰ পৰাহে আহে। সেই কাৰণে ৰাইজে তাত এখন আৰক্ষী চকীৰ প্ৰয়োজন অনুভৱ কৰিছে। এই আৰক্ষী চকী কেতিয়ালৈ হ'ব, সেইটোকে জানিব বিচাৰিছো। ইয়াৰ লগতে আৰু এটা কথা সংযোজন কৰিব বিচাৰিছো যে ডুমডুমা থানাৰ আন্তঃগাঁথনি বৰ দুৰ্বল। থানাখনৰ O.C জনে যিটো quarter ত থাকে তাত কোনো মতে মেৰামতি কৰি থাকিবহে পাৰি। তাৰ অৱস্থা একেবাৰে জৰাজীৰ্ণ। চাৰি জনকৈ Sub-Inspector আছে। তেওঁলোকে ভাড়া ঘৰতহে থাকে। A.S.I সকলো ভাড়া ঘৰত থাকে। গতিকে চৰকাৰৰ MOITRI আঁচনি বুলি কিবা আঁচনি আছে নেকি যাৰ অন্তৰ্ভূক্ত কৰি Officer সকলক যেনে, O.C, S.I, A.S.I সকলক quarter দিব পৰা যায় সেই কথাটোকে জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ DGP ৰ Chairmanshipত এখন Committee কৰি দিছিল যাৰ ভিত্তিত অসমত কিমানখন থানা উন্নীতকৰণ কৰা হ'ব, কিমানখন নতুন থানা হ'ব, কিমানখন Outpost হ'ব আৰু কিমানখন Outpost থানালৈ উন্নীতকৰণ কৰা হ'ব ইত্যাদি কথাবোৰ আলোচনা কৰি DGP ৰ Chairmanship ৰ Committee খনে Police Station Assessment Parameter Matrix প্ৰস্তুত কৰি অসম চৰকাৰলৈ প্ৰেৰণ কৰিছে। চৰকাৰে Police Station Assessment Parameter Matrix ৰ মাপ কাঠি এই সম্পৰ্কত বৰ্তমান এটা নীতি উলিয়াইছে। এই নীতিটো সম্পূৰ্ণ হোৱাৰ পিছত এই Parameter Matrix ৰ ভিতৰত যদি এই থানাখন পৰে,

তেনেহ'লে এই থানাখনৰ উন্নীত কৰণ হৈ যাব আৰু আপুনি জুটুলীবাৰীৰ যিখন Outpost ৰ কথা কৈছে, সেইখনো যদি Parameter Matrix ৰ ভিতৰত পৰে, তেতিয়াহ'লে চৰকাৰে এই থানাখন স্থাপনৰ বাবেও নিশ্চয় বিবেচনা কৰিব। কিন্তু এতিয়া DGP ৰ Chairmanship ৰ Committee য়ে দিয়া Report টো চৰকাৰৰ বিবেচনাধীন হৈ আছে আৰু তাৰ পৰা policy বনাই আছে।

**শ্ৰী দূৰ্গা ভূমিজ, (ডুমডুমা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে Report টো ঘূৰি অহাৰ কিমান দিন পিছত fullfledged হয় তাৰ কিবা সময় সীমা আছে নে ? ইয়াৰোপৰি, মই আৰু এটা প্ৰশ্ন সুধিছিলো যে, ডুমডুমা থানাৰ আন্তঃগাঁথনি আটাইতকৈ বেয়া, তাৰ Sub-Inspector সকলে ভাড়া ঘৰত থাকিব লগীয়া হয়। Battalion বেৰেকৰো অৱস্থা অতি জৰাজীৰ্ণ । মই আশা ৰাখিছিলো যে MOITRI আঁচনি বুলি কিবা আঁচনি আছে নেকি যাৰ জৰিয়তে ইয়াৰ আন্তঃগাঁথনি বা Quarter ৰ ব্যৱস্থা কৰে তাৰ উত্তৰ মই বিচাৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য গৰাকীয়ে যিখিনি কথা কৈছে, চৰকাৰে এই policy টো যিমান সোনকালে পাৰে আৰম্ভ কৰিব। ইয়াৰ ওপৰত ইতিমধ্যে বিবেচনা কৰি থকা হৈছে আৰু policy টো বনাই আছে। MOITRI আঁচনিৰ জৰিয়তে থানাসমূহৰ আন্তঃগাঁথনি উন্নীতকৰনৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰি আছে। এইবাৰো বোধকৰো, ১৮৯ কোটি টকাৰ Administrative Approval দিছে। ইতিমধ্যে MOITRI আঁচনিৰ অধীনত এটা society ও register কৰা হৈছে আৰু এই society টোত যোৱা বিত্তীয় বছৰত প্ৰায় ২০ কোটি টকা জমা দিছিল আৰু তাৰ আটাইখিনি টকা খৰচ হৈছে। এইবাৰ নতুন বাজেটত MOITRI আঁচনিত পইচা দিয়াৰ বাবে প্ৰস্তাৱ দিয়া হৈছে আৰু মই ভাবো যে এই আঁচনিৰ জৰিয়তে পৰ্যায়ক্ৰমে অসমৰ থানাসমূহৰ building সমূহ চৰকাৰে নিৰ্মাণ কৰিব।

**মাননীয় অধ্যক্ষঃ** Thank You. Next, Question No. 122- Shri Maheswar Baro.

**শ্ৰী মহেশ্বৰ বড়ো, (কলাইগাঁও)ঃ** অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত উল্লেখ কৰা হৈছে যে MOITRI আঁচনিৰ যোগেৰে ৭৩ খন থানাৰ Administrative Approval ইতিমধ্যে দিয়া হৈছে, মই ভাৱো বৰ্তমান থানাবোৰৰ অৱস্থা, বিশেষভাৱে ওদালগুৰি জিলাৰ কলাইগাঁও আৰু খৈৰাবাৰী থানা খন ভাল অৱস্থাত নাই। থানাৰ OC সকলে আমাক লগ পালে থানাখনৰ কিছু ব্যৱস্থা ল'বলৈ আমাক কয়। গতিকে এই ৭৩ খন থানাৰ যি list সংলগ্ন কৰি দিয়া হৈছে তাত সেই থানা অন্তৰ্ভূক্ত হোৱা নাই। গতিকে ইয়াৰ চৰ্জমিন তদন্ত কৰি, তাত অন্তৰ্ভূক্ত কৰি অতি সোনকালে এই থানা দুখনৰ আন্তঃগাঁথনিৰ বাবে ব্যৱস্থা ল'ব নেকি এইখিনিকে মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো।

ইয়াত মই দুটা Outpost ৰ সম্পৰ্কত প্ৰশ্ন কৰিছিলো। ওদালগুৰি জিলাৰ অন্তৰ্গত ভকত পাৰা আৰু দৰং জিলাৰ অন্তৰ্গত নামখলাৰ প্ৰস্তাৱ দিয়া হৈছে। Inauguration হোৱাৰ পিছত, নামখলাৰ আগত BTAD ৰ লগত সংলগ্ন যি খৈৰাবাৰী থানা অন্তৰ্ভূক্ত আছিল, সেইখনৰ police personnel বহুত দূৰলৈকে বঢ়াই থোৱা হৈছে আৰু প্ৰয়োজন সাপেক্ষে police personnel এই দুয়োটা স্থানত বঢ়োৱা হ'ব। গতিকে Outpost টো যদি সোনকালে সম্পূৰ্ণ কৰা যায়, তেনেহ'লে এই অঞ্চলৰ ৰাইজৰ নিশ্চয় যথেষ্ট খিনি সকাহ হ'ব। গতিকে তাৰ বাবে খৰটকীয়াকৈ

কিবা ব্যৱস্থা কৰিব পৰা যাব নেকি, মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোয়েই যে, MOITRI আঁচনিৰ জৰিয়তে ইতিমধ্যে ৭৩ খন থানাৰ আন্তঃগাঁথনিৰ বাবে approval দিয়া হৈছে। ৭৩ খন থানাৰ বাবে চলিত বিত্তীয় বৰ্ষত ১৮৯,৫৫,৮৯,৭৫০ কোটি টকাৰ Administrative Approval দিয়া হৈছে। এই আঁচনিৰ জৰিয়তে ইতিমধ্যে বাজেটত ১২৫ কোটি টকা ধাৰ্য্য কৰা হৈছে, গতিকে মাননীয় সদস্য গৰাকীক এটা কথা ক'ব বিচাৰিছো যে এই list খনত হয়তো তেখেতৰ থানাৰ নাম নাথাকিব পাৰে কিন্তু মৈত্ৰেয়ী আঁচনিখনৰ যোগেদি থানা সমূহৰ আন্তঃগাথনিৰ উন্নয়ন সকলো থানাতে কৰা হ'ব আৰু এইখিনিৰ বাবে অকনমান time লাগিব। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰো experience আছে এইটো ক্ষেত্ৰত। আপুনিও ২০ বছৰ বিধায়ক হৈ আছে। আপোনাৰ সমষ্টিৰ যিবিলাক থানা আছে সেইবিলাকৰ অৱস্থা বহুদিন আগতে বেয়া হৈছে। মই কাকো সমালোচনাও কৰা নাই। আচলতে building বিলাকৰ উন্নতি থানা বিলাকত কেতিয়াবাই হৈ যাব লাগিছিল। কিছুমান থানা বৃটিছৰ দিনৰ পৰা চলিয়েই আছে। গতিকে থানাৰ উন্নতি হোৱাটো আমাৰ চৰকাৰে বিচাৰে। গতিকে মাননীয় সদস্য গৰাকীৰ থানা দুখনৰ নাম অৰ্ন্তভুক্ত হোৱা নাই বুলিয়েই এইটো নহয় যে মৈত্ৰেয়ী আঁচনিৰ অধীনত নাহিব। এই আঁচনিৰ অধীনত আহিব। গতিকে আমি লক্ষ্য ৰাখিছো যে পাঁচ বছৰ মানৰ ভিতৰত আমি মৈত্ৰেয়ী আঁচনিৰ যোগেদি থানা সমূহৰ আন্তঃগাঁথনি কৰাৰ চেষ্টা আমাৰ চৰকাৰে বিবেচনা কৰি আছে আৰু সেইটো ক্ষেত্ৰত আমাৰ মাননীয় সদস্য সকলৰ নিজৰ নিজৰ এলেকাৰ যি থানা আছে সেই থানা বিলাকৰ উন্নতি হ'ব। মৈত্ৰেয়ী আঁচনিখন এখন ভাল আঁচনি। তাৰ যোগেদি public আৰু পুলিচৰ মাজত সম্পৰ্ক স্থাপন কৰা হৈছে। গতিকে তেওঁলোক মৈত্ৰেয়ী আঁচনিৰ অৰ্ন্তভুক্ত নহ'ব বুলি চিন্তা কৰিব নালাগে আৰু দ্বিতীয়তে, দুখন out post ৰ প্ৰস্তাৱ ইতিমধ্যে পাইছো আৰু DGP য়ে যিখন committee report দিছে তাৰ ওপৰত policy বনাই আছে। গতিকে সেই policy য়ে যদি cover কৰে সেই দুখন থানা নিশ্চয় চৰকাৰে বিবেচনা কৰিব।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীমতী নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস, বকো ঃ** মাননীয় অধ্যক্ষ মহোদয়, Lower লাম্পি আৰু Upper লাম্পি কামৰূপ জিলাৰ দুটা border out post আছে আৰু out post কেইটাৰ অৱস্থা একেবাৰে জৰাজীৰ্ণ। তাত বহুকেইজন বিষয়া আছে কিন্তু যি অৱস্থাত আছে এজাক যদি বৰষুণ দিয়ে তেতিয়াহ'লে বৰষুণৰ পানী ৰুমৰ ভিতৰত সোমাই আৰু বেৰবোৰ একেবাৰে নাই। ডাঠ কাগজেৰে বেৰ দিয়া আছে। মই already CM sir কো দিছিলো যে সোনকালে মেৰামতি বা নতুনকৈ নিৰ্মাণৰ কাম আৰম্ভ কৰিব লাগে। এইটো কেতিয়া ল'ব পৰা যাব মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ মই নন্দিতা দাসক সহায় কৰিছো। এইটো মেঘালয়, অসম border, আপুনি ( চন্দ্ৰ মোহন পাটোৱাৰী) ও গৈছিলে। অৱস্থা একেবাৰে বেয়া। এতিয়া মন্ত্ৰীয়ে উত্তৰ দিব।

শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়ানীয়ে যিটো প্ৰশ্ন কৰিছে সেই কথাটো মই জানো কাৰণ অধ্যক্ষ ডাঙৰীয়া আপুনি আৰু মই এবাৰ এই area টো visit কৰিছিলো। মই তেতিয়া Leader of the Opposition আছিলো আৰু তাত কিবা গণ্ডগোল হওঁতে আমি দুয়োজনে ভিজিট কৰিছিলো। তাৈল যোৱা ৰাস্তাটো খুব বেয়া আৰু পুলিছ থকা মেলাৰ যি ব্যৱস্থা সেইটো খুব বেয়া অৱস্থাত আছিল। গতিকে এইটো চৰকাৰৰ priority ৰ ভিতৰত আছে।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী উৎপল বৰা। বহুতেই বিচাৰিছে। সকলোৰে আছে কিন্তু মই চাৰি- পাঁচজনতকৈ

বেছি দিব নোৱাৰিম।

**শ্ৰী উৎপল বৰা, গহপুৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই গহপুৰ সমষ্টিৰ থানা কেইখনৰ কেইটামান কথা মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো আপোনাৰ জৰিয়তে। মোৰ সমষ্টিত দুখন থানা আৰু দুটা out post আছে। তাৰ ভিতৰত গহপুৰ থানাৰ অৱস্থা খুবেই জৰাজীৰ্ণ হৈ আছে আৰু সেই থানা খন স্বাধীনতা আন্দোলনৰ লগত জড়িত হৈ থকা থানা । আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই থানা খনৰ ওপৰত কিবা প্ৰাক্কলন তৈয়াৰ কৰা হৈছে নেকি ? আৰু যিটো ঘাঁহিগাওঁ out post আছে সেইখন এতিয়াও ভাৰাঘৰত আছে। ইয়াৰ অৱস্থা ইমানেই বেয়া যে এতিয়াও থানাৰ ভিতৰত পানী পৰি থাকে। মাজতে Media, paper ত যথেষ্টখিনি লিখা লিখি হৈছিলে। ইয়াৰ ওপৰত কিবা ব্যৱস্থা হৈছে নেকি জনাব আৰু লগতে মই আৰু এটা কথা জানিব বিচাৰিছো আপোনাৰ জৰিয়তে Subdivisional Police Officer ৰ Residence আৰু অফিচ এতিয়ালৈকে স্থাপিত কৰাৰ ব্যৱস্থা হোৱা নাই Subdivision declare হোৱাৰ পিছতো তাৰ ওপৰত কিবা ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি এইটোক আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কথাটো কৈছো যে মৈত্ৰেয়ী আঁচনিৰ জৰিয়তে পৰ্য্যায়ক্ৰমে থানাবিলাকৰ উন্নতি হোৱাটো চৰকাৰে কৰিব। গতিকে আমাৰ সকলো মাননীয় সদস্যই এটা কথাত আশ্বস্তঃ হোৱা ভাল যে মৈত্ৰেয়ী আচঁনিখন থানা সমূহৰ আন্তঃগাথনি উন্নয়নৰ বাবে scope আছে আৰু বিভিন্ন ধৰণৰ scope আছে। গতিকে এইক্ষেত্ৰত মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে এই SDP Officer ৰ কথাটো, সেইক্ষেত্ৰত চৰকাৰে এই কথাখিনি নিশ্চয় পৰীক্ষা কৰিব আৰু বিবেচনা কৰি গহপুৰ থানাৰ ক্ষেত্ৰত নিশ্চয় চৰকাৰে priority থাকিব। কাৰণ সেইখন এখন ঐতিহাসিক থানা । গতিকে নিশ্চয় priority থাকিব।

মাননীয় অধ্যক্ষ ঃ প্ৰশ্ন বহুতে কৰিছে কিন্তু সকলোৰে উত্তৰ কিজানি একেটাই হ'ব। কিন্তু সকলোৱে থানা কেইখনৰ নাম কোৱাটো ইচ্ছা কৰিছে। মই দিছো বাৰু। বেছি দীঘলীয়াকৈ নক'ব। থানা কেইখনৰ কথা ক'ব খালী দৃষ্টি আকৰ্যনৰ বাবে। এতিয়া শ্ৰী ইমানুৱেল মুছাহাৰী।

**শ্ৰী ইমানুৱেল মুছাহাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, BTC গঠন হোৱাৰ পিছত আৰু তিনিখন জিলা গঠন হ'ল। এটা সময়ত কুমাৰীকাটা out post খন কুমাৰীকাটা থানালৈ উন্নীত কৰা হ'ব বুলি আমি চিঠি এখন পাইছিলো। কিন্তু আজিলৈকে কাৰ্য্যকৰণ নহ'ল। কাৰণ তামুলপুৰ সমষ্টিত দুখন থানা আছে। চাৰে তিনিলাখ জনসংখ্যা। District reorganization হোৱাৰ পিছত কুমাৰীকাটা থানালৈ উন্নত কৰাৰ কাৰণে চিঠি পাইছিলো গতিকে যদি মন্ত্ৰী মহোদয়ৰ কিবা তথ্য আছে মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Minister আপুনি প্ৰশ্নবিলাক লৈ লওঁক। এতিয়া শ্ৰী মামুন ইমদাদুল হক চৌধুৰী।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত বঙালমৰা out post এখন আছে আৰু এই out post টো থানা কৰিবৰ কাৰণে কেতিয়াবাই ৰিপোৰ্ট আহিলে। মাননীয় মন্ত্ৰী মহোদয়ে যিটো ক'লে সেইটো খুব সোনকালে হ'লে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী শ্বেৰমান আলি ।

**শ্ৰী শ্বেৰমান আলি ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাঘবৰ, মইনবড়ী out post, Mandia out

post আৰু বাঘবৰ থানা এই তিনিটা অত্যন্ত জৰাজীৰ্ণ অৱস্থাত আছে। মইনবড়ী out post টো ২০১৪ চনতেই নদীয়ে খহাই লৈ গ'ল তাৰ পিছত একমাত্ৰ ৰাইজৰ সহযোগত আৰু কিছু বিধায়ক পুঁজিৰ যোগেদি বনোৱাত তেওঁলোকে কাম কৰি আছে। গতিকে মই আপোনাৰে যোগেদি মন্ত্ৰী মহোদয়ক জনাব খোজো যে মইনবড়ী out post, Mandia out post আৰু বাঘবৰ থানা এই তিনিটাৰ আন্তঃগাঁথনি priority basis ত কৰাৰ ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী দেৱানন্দ হাজৰিকা।

**শ্ৰী দেৱানন্দ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন একেটাই। নাৰায়ণপুৰ যিখন থানা তাত মহিলা কনিষ্ঠ বলৰ বাবে থাকিবলৈ ঠাই নাই। এই কথাটো মই যোৱাবাৰ সদনত উত্থাপন কৰিছিলো। কিন্তু কোনা কাম হাতত লোৱা নাই। দ্বিতীয়তে, প্ৰাক্কলন বিলাক যে তৈয়াৰ কৰা হয় থানাবিলাক উন্নীত কৰণৰ কাৰণে এইটো কোনোবা এম এল এ গৈ ক'লেহে কৰে নেকি? নে কোনোবা বিভাগে নিজে গৈছে তাৰ বাবে প্ৰাক্কলন তৈয়াৰ কৰি কাম বিলাক কৰিব লাগে। বিভাগৰ ফালৰ পৰা নহয় নেকি? MLA গৈ ক'লেহে হয় নেকি?

**মাননীয় অধ্যক্ষ ঃ** Last Shri Nurul Huda. মই তিনিজনক দিছো আৰু দিব নোৱাৰিম।

**শ্ৰী নুৰুল হুদা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ৰূপহীহাট সমষ্টিত দুখন থানা আছে। ৰূপহীহাট আৰু জুৰীয়া। এই দুইখন থানাতেই আন্তঃগাথনি ইমান বেয়া যে boundary wall নাই আৰু বেৰেকো নাই। দুবছৰ আগত চাটটো ধালাই দিছিলে জুৰীয়া থানাত কিন্তু দুবছৰে কাম সম্পূৰ্ণ ৰূপে বন্ধ হৈ আছে। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা এইটো কথা মই জানিব বিচাৰিছো যে দুবছৰ আগতে এই কামটো কিয় বন্ধ হৈ আছে আৰু আমাৰ দুয়োখন থানাৰ boundary wall আৰু বেৰেকৰ ব্যৱস্থা কৰিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** আপুনি question No. 1 টোত চাব মন্ত্ৰীয়ে এইটো উত্তৰ দিছে। এটা police Station assessment matrix প্ৰস্তুত কৰি প্ৰেৰণ কৰিছে আৰু চৰকাৰে সেইটো গৃহীত কৰিছে আৰু তেওঁলোকে report ৰ ওপৰত ভিত্তি কৰি ক'ব বুলি কৈছে। তথাপি যিহেতু কেইবাজনো সদস্যই হাত দাঙিছিলে, মন্ত্ৰী ডাঙৰীয়াক মই সকলোৰে হৈ উত্তৰ দিবলৈ কৈছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধক্ষ্য মহোদয়, কুমাৰীকাটা থানাৰ যিটো কথা কৈছে, মাননীয় অধ্যক্ষ মহোদয়, আমি আমাৰ ডিজিপিৰ চেয়াৰমেন চিপত যিখন কমিটি হৈছিল, সেই নিয়মৰ পলিচিটো বনাই আছে আৰু সেই পলিচিটোত যেতিয়া পৰিব তেতিয়া থানাখন অটমেটিক হব। সেইটোত অসুবিধা নাই। যদি আউটপষ্টটো পুলিচষ্টেশ্যন হব লাগে গতিকে সেইটো আমাৰ এই নৰ্মচত নিশ্চয় এই পলিচিৰ ভিতৰত যদি আহি যায় আওতাৰ ভিতৰত আহিলে হব আৰু তাতকৈ ডাঙৰ কথা হল যে, কুমাৰীকাটা থানা খন ভূটান বৰ্ডাৰত সেইখন ইণ্টাৰনেশ্যনেল বৰ্ডাৰ হয় আৰু ভূটান আৰু ইণ্ডিয়াৰ বৰ্ডাৰ হয়। গতিকে বৰ্ডাৰ যিহেতুকে হয় তাত নিশ্চয় চৰকাৰৰ গুৰুত্ব থাকিব। কাৰণ কুমাৰীকাটাৰ পৰা ভূটান বৰ্ডাৰলৈ মাত্ৰ অকণমান দুৰ । গতিকে সেইটো ক্ষেত্ৰত নিশ্চয় প্ৰায়ৰিটি থাকিব আৰু নাওবৈচা থানাৰ নাওবৈচা সমষ্টিৰ ৰ যিটো কথা মাননীয় বিধায়ক ডাঙৰীয়াই কৈছে।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, (নাওবৈচা)ঃ** নাওবৈচা থানা নহয়, বাঙলমোৰা আউটপষ্ট।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ**গতিকে এই আউটপষ্টটো কি কৰিব লাগে বুলি কৈছে?

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, (নাওবৈচা)ঃ** এই আউটপষ্টটো থানা হব লাগে বুলি আপোনালোকৰ ইয়ালৈ ৰিৰ্পট আহিছিল।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** থানা হ'ব লাগে বুলি যিটো ৰিৰ্পট আহিছে এই পলিচিটোৰ ভিতৰত যদি পৰে তেন্তে থানা হব। এইটোত অসুবিধা নাই। পলিচিৰ ভিতৰত যদি নহয়, নপৰে। তাৰ পাছত বাঘবৰ সমষ্টিৰ পৰা মইনবৰী আউটপষ্ঠ, মন্দিয়া আৰু বাঘবৰ এই যিকেইটা কথা আছে, এই গোটেই কেইটা কথা আমাৰ যিটো পলিচি, এই পলিচিৰ ভিতৰতে আহিব ।পলিচিটোৰ ভিতৰত থানাৰ উন্নীতৰকণ হব আৰু বিল্ডিঙো হব ।বিল্ডিংটো মৈত্ৰীৰ জৰিয়তে হব। সেইটো বাৰে বাৰে ৰিৰ্পট কৰি থাকিলে দেখাতো বেয়া দেখি। মৈত্ৰীৰ জৰিয়তে সকলো থানাই কভাৰ কৰি লোৱা হব ।যিবিলাক থানা খুব ডিপ্লৰেবল কণ্ডিচনত আছে, কিন্তু সেইটো বিত্তীয় কথাৰ ওপৰত নিৰ্ভৰ কৰিব ।আৰু নাৰায়ণপুৰ থানাৰ কথা যিটো হাজৰিকা ডাঙৰীয়াই কৈছে, গতিকে এইটোত মহিলা পুলিচ থাকিবলৈ জাগা নাই বা এনেকুৱা যিটো কথা কৈছে, সেইবিলাক সকলো আমাৰ ইনফ্ৰাষ্ট্ৰাকচাৰ ৰ যিটো ডেভেলপমেণ্ট আছে , মৈত্ৰীৰ জৰিয়তে তাতে থানাবিলাকত যত যি প্ৰয়োজন আছে, কৰবাত যদি নতুন বিল্ডিং লাগে যিবোৰ বেয়া হৈ গৈছে, বিল্ডিং নতুনকৈ হব। কৰবাত যদি বিল্ডিং এস্কপানচন হয় , এস্কপানচন হব। মাননীয় সদস্য ডাঙৰীয়াই কোৱাৰ নিচিনাকৈ যে বিধায়কে কলেহে ডিপিআৰ বনাব নহ'লে নবনাই সেইটো নহয়। চৰকাৰে বিভাগীয় ভাৱে আৰু তাৰ সংশ্লিষ্ট এচপিয়ে গোটেই থানা বিলাকৰ যিবিলাক অৱস্থা আছে, সেইবিলাক তাত এচেচ কৰে সেইমতে, চৰকাৰক তেওঁ ডিজিপিক ৰিৰ্পট দিয়ে আৰু ডিজিপিয়ে চৰকাৰক সেইটো ৰিৰ্পট দিয়ে ।গতিকে বিভাগীয় ভাবে এইবিলাক কাম চলি থাকিব। তাৰে ভিতৰত এটা ভাল লাগিছে যে মোৰ সকলো মাননীয় বিধায়কে নিজে নিজে থানা এলেকা সমূহৰ গুৰুত্বটো তেখেতসকলে দিছে। গুৰুত্বটো দিয়াৰ কাৰণে আৰু বেছি চৰকাৰে প্ৰায়ৰিটি দিব। সেইটো ভাল কথা । কিন্তু চৰকাৰে নিজা ববীয়াকৈ এইবিলাক কৰিব আৰু ৰূপহীহাটৰ জুৰীয়াৰ কাম বন্ধ হৈ থকাটো কৈছে এইটো আজি কম পুলিচ বিভাগক যে, এই যিটো ৰূপহী হাট জুৰীয়া থানাৰ কাম কিয় বন্ধ হৈ আছে, সেইটো মই সুধি লম কি হৈছে মই নাজানো আজিৰ দিনটোত। আৰু বাউণ্ডেৰী ৱাল সেইটো মৈত্ৰীতে আহিব ।এতিয়া এটা পলিচি আমাৰ সেই পলিচিৰ ভিতৰতে পৰিব আৰু পলিচিয়ে সকলো থানাক কভাৰ কৰিব লোৱা হব।

**মাননীয় অধ্যক্ষ ঃ**Thank You. Question No. 123. কমলেক্ষ দে পুৰকায়স্থ। মিনিষ্টাৰ প্লিজ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী কমলেক্ষ দে পৰুকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ উত্তৰত মই সন্তুষ্ট হোৱা নাই। মন্ত্ৰী মহোদয়ে কৈছে যে, পুলিচ পাব্লিক ৰিলেচনৰ কথা ভাল কৈছে। আৰু মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে ইতিমধ্যে স্মাৰ্ট পুলিচৰ কথা বিচাৰিছে, স্মাৰ্ট পুলিচ হব লাগে আমি ভাল পাইছো। বেয়া পোৱা নাই ।কথাটো হৈছে যে মাননীয় অধ্যক্ষ মহোদয়, কৰিমগঞ্জ থানাৰ পুলিচ আৰক্ষীয়ে আপোনালোকে জানে আমাৰ কৰিমগঞ্জৰ পুলিচৰ এটা ৰেকেট ইতিমধ্যে সৃষ্টি হৈছে ।আমি যিটো গম পাইছো। আমাৰ অসমৰ মানুহে, চচিয়েল মিডিয়াত গোটেই মানুহে জানে এইটো। অধ্যক্ষ মহোদয়, এই ৰেকেটে যৌন নিৰ্যাতন চলাইচিল মহিলাৰ ওপৰত। এই ঘটনাটো ইতিমধ্যে অসমত পোহৰলৈ অহাৰ পাছতে তেওঁৰ স্বামী প্ৰত্যয় দাসে বাৰে বাৰে পুলিচত গৈ কমপ্লেইন দিছে, যে আমাক কিবা এটা ন্যায় দিয়ক। আমাক ন্যায় লাগে। কিন্তু অধ্যক্ষ মহোদয়, বাৰে বাৰে হোৱাৰ পাছতো তেওঁ ন্যায় পোৱা নাই। তেওঁ এটা হেণ্ড নোট লিখি দি গৈছে। যে পুলিচে একশ্যন নোলোৱাৰ কাৰণে মই আত্মহত্যা কৰিবলৈ বাধ্য হৈছো। গতানুগতিক উত্তৰ দিয়া হৈছে, বেইল হৈছে, এনেকুৱা হৈছে একশ্যন লোৱা হৈছে , চাচপেনশ্যন হৈছে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, কথাটো হৈছে যে,

পুলিচৰ নেগলেজেঞ্চিৰ কাৰণে। তেওঁলোকে এগৰাকী মহিলাৰ লগত তেওঁৰ পত্নীৰ লগত নিৰ্যাতন চলালে। তাৰ কাৰণে আত্মহত্যা কৰিব লগীয়া হ'ল। কিন্তু অধ্যক্ষ মহোদয়, আজিলৈকে তেওঁ ন্যায় পোৱা নাই। তেওঁ ঢুকাই গৈছে। কিন্তু তেওঁ ন্যায় পোৱা নাই। পুলিচে কোনো একশ্যন লোৱা নাই। লগতে আৰু এটা কব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** কুৰেশ্যনটো দিয়ক। চেনচিটিভ কথা. কুৰেশ্যনটো ভালকৈ কৰক।

**শ্ৰী কমলেক্ষ দে পৰুকায়স্থ ঃ** কৰিমগঞ্জ থানাত অহৰহ মদ্যপান চলি আছে। মই এচ পিক জনালো। এচ পিয়ে এডিশ্যনেল এচ পিক জনাইছে। বাৰে বাৰে কৈছে মনিটৰিং কৰিবৰ কাৰণে । কিন্তু অধ্যক্ষ মহোদয়, কোনো একশ্যন লোৱা নাই। সেইটোৰ কাৰণে আজি প্ৰত্যয় দাস মৰিব লগা হ'ল। মই ভাবো কোনো একশ্যন লোৱা নাই। ভালকে একশ্যন লব লাগে। হাই লেভেল এখন কমিটি বনাই দিব লাগে। আৰু এনেকৈ কমিটি বনাই দৃষ্টান্তমূলক শাস্তি লব লাগে যাতে এই যে প্ৰত্যয় দাস মানুহজন মৰিছে তেওঁক তাক যাতে আমি ন্যায় দিব পাৰো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মিনিষ্টাৰ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, আমাৰ মাননীয় সদস্য ডাঙৰীয়াই যিটো প্ৰশ্ন তেখেতে কৈছে, তেখেত সন্তুষ্ট নহয়, আৰু তেখেতে যিটো বক্তব্য ৰাখিছে, সেইটোত মইও সন্তুষ্ট নহয়। কাৰণ কিয়নো চৰকাৰে এই যিটো ব্যৱস্থা ইয়াত ততাতৈয়াকৈ লৈছে ইমিডিয়েটলি। আৰু ব্যৱস্থা লোৱাৰ কাৰণে তাতে এচ আই পৱন কলিতা, এচ আই পি নিতুল আহমেদ কনিষ্টবল আমিৰখুচৰু আলম চৌধুৰী লগতে অভিযুক্ত ব্যক্তি শ্ৰেয়া পাল প্ৰয়াত দাসৰ পত্নী কৰিমগঞ্জ থানাৰ গোচৰ নং ১০৯৯/২০১৭ ধাৰা ৩০৬/ ৪১৭ মতে আটক কৰা হৈছে আৰু আটক কৰাৰ উপৰিও ওই বিষয়টো ইমান চেনচেটিভ বুলি গণ্য কৰিছে চৰকাৰে। গতিকে এই আটাইকেই জন পুলিচক চাচপেন কৰা হৈছে। তেওঁলোকৰ বিৰুদ্ধে ডিপাৰ্টমেণ্ট প্ৰচিডিংচ ড্ৰ কৰা হৈছে। আপোনাৰ প্ৰশ্নটো হ'ল যে, আমাৰ যিগৰাকী মানুহে আত্মহত্যা কৰিলে আৰু আত্মহত্যা কৰাৰ পাচত তেওঁৰ পত্নীৰ কাৰণে তেওঁ আত্মহত্যা কৰা বুলি লিখিছে তেওঁৰ দেউতাকে যিহেতুকে এফেয়াৰ দিলে যে মোৰ ল'ৰাটো এনেকৈ আত্মহত্যা কৰিলে বিকজ অফ হিজ ৱাইফ। তৎক্ষণাত পুলিচ থানাত কেছ ললে আৰু চব একশ্যন ললে। চাচপেন কৰিলে ডিপি আৰ কৰিলে। আৰু তাৰে আমাৰ যিটো চাউডাৰ্ণ আসামৰ যিজন ডি আই জি আছে। তেওঁক ইমিডিয়েটলি এই গোটেই বস্তুখিনি টেকআপ কৰিব দিয়া হ'ল। আৰু কৰি তদন্ত ভালকে কৰিলে কিন্তু ইন দা মেনটাইম যিগৰাকী শ্ৰেয়া পালে তাৰ কথা আপুনি এতিয়া কৈছে তেওঁৰ কথাটোত এখন এফেয়াৰ তেওঁৰ বিৰুদ্ধে কোৱা হৈছে। পুলিচে এফেয়াৰ গ্ৰহণ কৰিছে। আৰু কেছ ৰেজিষ্টাৰ হৈছে। কেছ ৰেজিষ্টাৰ হোৱাৰ লগে লগে শ্ৰেয়া পালে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা ৮-১২-১৭ তাৰিখে এটা প্ৰি এৰেষ্ট বেইল লা ভ কৰে। গতিকে হাইকোৰ্টৰ পৰা তেওঁ বেইল পালে। বেইল পোৱাৰ কাৰণে পুলিচে তেওঁক এৰেষ্ট কৰিব নোৱাৰিলে। গতিকে এইটো ক্ষেত্ৰত পুলিচে ততাতৈয়াকৈ ব্যৱস্থা লৈছে আৰু চাউডাৰ্ণ ৰেঞ্জৰ যিজন ডি আই জি তেওঁক এইটো সম্পূৰ্ণ এনট্ৰাষ্ট কৰি দিছে। টু মনিটৰ ডিচ কেছ ভেৰী চিৰিয়াচলি। আৰু দ্বিতীয় যিটো প্ৰশ্ন যে পুলিচৰ থানাৰ ভিতৰত মদ্যপান চলে। সেই কথাটো এচ পি কৰিমগঞ্জক দি এই গোটেই বিষয়টো এনকুৱাৰী কৰা হৈছে। এনকুৱাৰী কৰি দেখা গৈছে যে, এই কথাটো সত্য নহয়। যে থানাৰ ভিতৰত তেনেকৈ কোনো মদ্যপান নচলে। এইটোৰ ওপৰত যদি আপোনাৰ প্ৰমাণ আছে, আপুনি প্ৰমাণকিনি দিব। দিলে আমি ব্যৱস্থা লম, কিন্তু এচ পিৰ ৰিপোৰ্ট মতে এচ পিয়ে তদন্ত কৰি কৰিছে, আৰু থানাৰ ভিতৰত আপুনি যিটো কথা কৈছে, মদ্যপান চলে এই মদ্যপান চলি তাত থানাত বিশৃংখল হোৱা

নাই। এই যিটো কেছ হৈছে, এই কেছটো চোচিয়েল মিডিয়াতো ওলাল। গতিকে এই কেছটোতে চৰকাৰে ইমিডিয়েটলি ব্যৱস্থা লৈছে। ব্যৱস্থাখিনি মোৰ ইয়াতে আছে। লাগিলে আপোনাক মই দি দিব পাৰো।

**মাননীয় অধ্যক্ষ ঃ** Thank You.

**শ্ৰী কমলেক্ষ দে পুৰকায়স্থ ঃ** অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীয়ে কৈছে যে, এচ পিৰ পৰা ৰিপোৰ্ট আহিছে। এচ পিৰ পৰা ৰিপোৰ্ট আহিছে ঠিক আছে। কিন্তু এম এল এ হিচাপে মই কৈছো, মই দায়িত্ব সহকাৰে আপোনাক ক'লো। মোৰ হাতত তথ্য আছে।

**মাননীয় অধ্যক্ষ ঃ** তথ্য দি দিব।

**শ্ৰী কমলেক্ষ দে পুৰকায়স্থ ঃ** দুই নম্বৰ কথাটো হৈছে মাননীয় অধ্যক্ষ মহোদয়, এই ঘটনাটো আমি সংবাদ মাধ্যমত গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি মানো মৃণাল চৰকাৰ। তেওঁ পোৰৰ লিখিছিল যে এনেকুৰা ঘটনা হৈছে। তেওঁক মৰা হ'ল। শাসক দলৰ কেইজনমান ভায়েকে তেওঁক মাৰিলে। এইটোত কেছ গোচৰ কৰা হৈছিল। কিন্তু আজিলৈকে এইটো একশ্যন হোৱা নাই। অধ্যক্ষ মহোদয়, এটা অৰাজকতা চলি আছে। এইটো ক্ষেত্ৰত মই বিচাৰিছো যে এটা হাই লেভেল এনকুৱাৰী এটা হব লাগে আৰু বহুতখিনি কথা আছে। যদি হাই লেভেল এনকুৱাৰী হয়, তেন্তে গোটেইখিনি কথা ওলাই আহিব। আমি বিচাৰিছো এটা স্বচ্চভাৱমুৰ্তি। সম্পুৰ্ণ সু-শাসন বিচাৰিছো। সু-শাসন তেতিয়া হব, যেতিয়া এটা হাই লেভেল এটা এনকুৱাৰী হ'ব। গোটেই বস্তুটো ওলাই আহিব। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যি এইটো লৈ কিবা হাই লেভেল এনকুৱাৰী হ'ব নেকি?

**মাননীয় অধ্যক্ষ ঃ**- ঠিক আছে, মন্ত্ৰী কওক।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ**-মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে তাৰে চাউডাৰ্ন যিটো ৰেঞ্জ তাৰে DIG ক ইতিমধ্যে এই ব্যৱস্থাটো দিয়া হৈছে। গতিকে তেওঁ এজন হাই লেভেল অফিচাৰ। যি জন DIG থাকিব তেওঁ এজন হাই লেভেল অফিচাৰ। তেওঁক এই গোটেই বিষয়টো চাবলৈ দিয়া হৈছে। এতিয়া আজি আপুনি যিটো কথা কৈছে, আমাৰ আজি গৃহবিভাগৰ পৰা চাউডাৰ্ন ৰেঞ্জৰ DIG ক আকৌ এই বিষয়টোত যদিও এনেকুৱা ধৰণৰ কিবা কথা আছে,চাবলৈ কোৱা হ'ব। কিন্তু পুলিছে এইটো ক্ষেত্ৰত নিজে তাৎক্ষণিকভাবে ব্যৱস্থা লৈছে আৰু পুলিচে এতিয়া আপুনি যিটো কৈছেযে, কাৰোবাক মাৰপিট কৰিছে ,কেচ দিছে, কেছ লোৱা নাই, সেইটো হব নোৱাৰে। পুলিচে কেচ লবই লাগিব। পুলিচে এনেকুৱা নহয়। আজি কালি চব Transparent হৈ গৈছে। গতিকে এখন যদি FIR কোনোবাই দিয়ে, FIR খন লবই লাগিব। must গতিকে হয়তো FIR খন লৈ, ৰেইজ কৰোতে হয়টো দুই এক দিন পলম হব পাৰে। কোৰোবাৰ হয়টো পেণ্ডিং হৈ থাকিব পাৰে। কোনোবা হয়টো alescording হৈ থাকিব পাৰে। কিন্তু পুলিচে FIR গ্ৰহণ কৰিবই লাগিব, আৰু গ্ৰহণ কৰে। গতিকে সেই ক্ষেত্ৰত আপুনি যিটো কথা কৈছে মই খবৰ কৰিম কথাটো কি হৈছে। গতিকে স্বচ্ছ ভাবে পুলিচে এই গোটেই বিষয়টো take-up কৰিছে।

**মাননীয় অধ্যক্ষ ঃ**-Thank you.

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, সদস্য ঃ**-মই লিখিত ভাবে গোটেই তথ্যখিনি আমি মন্ত্ৰী মহোদয়ক দিম, **মাননীয় অধ্যক্ষ ঃ**-ঠিক আছে। মন্ত্ৰীয়ে লব। Next Question.

Question No.124 শ্ৰীভবেশ কলিতা।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ**-মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ভবেশ কলিতা, সদস্যঃ**- মাননীয় অধ্যক্ষ মহোদয়, মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰটো পাইছো। ভাৰত-ভূটান সীমান্ত আৰু ভাৰত বাংলাদেশ সীমান্ত সংক্ৰান্তত যি ২৮ টা ব্লক আছে,

ইতিমধ্যে আমাৰ Indo-Bhutan এৰিয়াত আছে ১৩ টা আৰু Indo-Bangladesh ত আছে ১৫ টা । এই Border area অঞ্চলৰ ৰাইজৰ উন্নতি সাপেক্ষে বিভিন্ন ধৰণৰ আঁচনি লোৱা হয়। যিহেতু Mention কৰা হৈছে, এই আঁচনি সমুহ সফল ৰূপায়ণ হোৱা নাই। মই আগৰ বিধান সভাৰ Session টো মই এই প্ৰশ্ন আনিছিলো । অধ্যক্ষ মহোদয়, আপোনাৰ পৰা আৰু মন্ত্ৰী মহোদয়ৰ পৰা মই আশ্বস্ত হব বিচাৰো, যিবিলাক আঁচনি লোৱা হয়, বিশেষকৈ এই এঞ্চলৰ আন্তঃগাঁঠনিৰ Development ৰ কাৰণে ৰাস্তাই হওঁক, খোৱাপানী, স্বাস্থ্যৰ ক্ষেত্ৰত। আজিৰ পৰা ৮ বছৰ আগতে এটা চাৰ্ভে কৰিছিলো। Indo- Bhutan আৰুIndo -Bangladesh ৰ সীমান্ত অঞ্চলৰ যিটো ১০ কি,মি, ৰেডিয়াচ ৰ ভিতৰত যিখিনি জনবসতি থাকে, তেওঁলোকৰ বাবে উন্নয়ন প্ৰকল্প যি বিলাক আঁচনি লৈছে, সেই খিনিৰ সঠিক ব্যৱহাৰ হোৱা নাই আৰু আশা কৰিছো আমাৰ চৰকাৰখনৰ দিনত যিখিনি হোৱা নাই তাৰ সঠিক ব্যৱহাৰ হওঁক। আৰু সীমান্ত অঞ্চলৰ ৰাইজ ভালদৰে তাত তেওঁলোকৰ যি ৰাইট, অৰ্থাৎ তেওঁলোকৰ যি সম্পত্তি সেয়া সুৰক্ষিত হৈ থাকিব লাগে। কাৰণ Communication টো ঠিক নাথাকিলে, সুৰক্ষিত কেতিয়াও নহয়। স্বাস্থ্যৰ ক্ষেত্ৰত তেওঁলোকৰ যথেষ্ট কৰিবলগীয়া আছে। আৰু কমিউনিটি হ'ল বিলাক যি ধৰণে বনাইছিল, মই ইয়াৰ Presentation কেন্দ্ৰীয় চৰকাৰৰ ওচৰত, হোম মিনিষ্ট্ৰি ক মই দিছিলো। খুব দুখ লগা অৱস্থা আছিল।

**মাননীয় অধ্যক্ষ ঃ-** Question টোলৈ আহক।

**শ্ৰী ভবেশ কলিতা, সদস্য ঃ**-আমাৰ দেশৰ অন্য প্ৰান্তৰ বৰ্ডাৰ এৰিয়া বিলাক যি ধৰণে Development হৈছে, অসমটো ধনৰাশি কেন্দ্ৰীয় চৰকাৰেই হওঁক বা আমাৰ ৰাজ্য চৰকাৰেই হওঁক দিছে আৰু ইয়াৰ বাবে এটা বিভাগ আছে। BADP বুলি কয়। Boarder area Development programme বুলি কয়। যি সীমান্ত অঞ্চল বুলি কয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যেন সমাগত দিন বিলাকত যি ধন দিয়া হয় তাৰ যেন সঠিক মনিটৰিং কৰা হয়।

**মাননীয় অধ্যক্ষঃ-** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ Indo Bhutan আৰু Indo Bangladesh বৰ্ডাৰৰ যিবিলাক Block, আছে সেই Block বিলাকৰ উন্নয়নৰ কাৰণে কেইবাটাও আঁচনি আগৰ চৰকাৰৰ তৰফৰ পৰা লোৱা হৈছে। আৰু ইয়াতে মুঠ ২৮ টা উন্নয়নBlock, চাৰিখন জিলাত মুঠ১৫ টা উন্নয়ন Block আছে আৰুIndo Bhutan Border ৰত ১৩ টা উন্নয়ন খণ্ড Indo Bangladesh সৰ্বমুঠ ২৮ টা আছে। গতিকে আমাৰ এই অঞ্চল বিলাকত আচলতে বিভিন্নধৰণৰ কাম হাতত লোৱা হৈছে। বৰ্ডাৰ এৰিয়া ডেভেলপমেন্ট প্ৰগ্ৰেমৰ অধীনৰ এই আচঁনি সমুহৰ ধন ৰাস্তা পদুলি নিৰ্মাণ, খোৱা পানী যোগান, বিদ্যালয় গৃহ নিৰ্মাণ ৰাজহুৱা প্ৰেক্ষাগৃহ নিৰ্মাণ, বজাৰ গৃহ নিৰ্মাণ স্বাস্থ্য খণ্ডত উন্নয়নৰ আঁচনি. সুৰক্ষা জনিত আচঁনি ইত্যাদি লোৱা হৈছিল। ২০১৬-১৭ বৰ্ষৰ পৰা ৰাজ্যিক পয্যায়ৰ বাছনি সমিতিৰ সিদ্ধান্ত মৰ্মে সীমান্ত অঞ্চলত উন্নত পথ যোগাযোগৰ ব্যৱস্থাত গুৰুত্ব প্ৰদান কৰি অহা হৈছে আৰু তাত আমাৰ ৰাস্তা-ঘাটৰ অলপ অসুবিধা আছে আৰুতাত আমাৰ petroling ৰ কথা থাকে অন্যান্য বহুত কথা থাকে। এই বিলাক কথা আমি সকলোৱে বুজি পাওঁ। গতিকে সেই কাৰণে, ৰাস্তা-ঘাট ইটো-সিটোত অলপ বেছিকৈ গুৰুত্ব দিয়া হোৱা কাৰণে কিছুমান আঁচনিৰ পৰা পইচা আমি ৰাস্তা-ঘাটত হয়টো বেছি খৰচ কৰিব লগা হৈছে। কাৰণ আমাৰ Border Roads যিবিলাক আছে Border area টোত আচলতে পৃথিবীৰ যিবিলাক উন্নত দেশ Develop Country সেই Develop Country বিলাকত

Border area টো বহুত Develop হয়। আমাৰ অসমৰ নিচিনা ৰাজ্যত, মই Develop country ৰ কথা কৈছো । ৰাজ্যৰ কথা কোৱা নাই সদায় Border ত গুৰুত্ব দিয়া হয় । কিন্তু আমাৰ অসমৰ নিচিনা ৰাজ্যখনত আজি আমাৰ চৰকাৰ অহা দুবছৰহে হৈছে। দুবছৰটো আমি গোটেই Border খিনি Develop কৰি দিব নোৱাৰে। আচলতে আমাৰ Border বিলাক Develop হলে আজি এই বিলাক ইছ্যু নহ'লহেতেন। আজি আমাৰ ডেইলি নগাই আমাৰ অমুক দখল কৰিলে, নগালেণ্ডৰ মানুহে , অৰুণাচলে অমুকত ইলেকশ্যন পাতিলে, এই যি বিলাক কথা বিভিন্ন ধৰণৰ উত্থাপন হৈ থাকে, যদি Border টো Develop কৰা হ'লহেতেন তেতিয়া হলে এই অৱস্থাটো নহলহেতেন। গতিকে Border টো আচলতে Develop হোৱা নাই। অধ্যক্ষ ডাঙৰীয়া, আমাৰ চৰকাৰে priority দিছিল যে, Border ৰ Connectivity টো বঢ়াব লাগে । যাতে ইমিডিয়েটলি কিবা এটা ঘটণা হ'লে, তাত তৎক্ষণাত আমাৰ প্ৰশাসন গৈ পেলাই উপস্থিত হব পাৰে। গতিকে সেই ধৰণৰ ব্যৱস্থাখিনি গ্ৰহণ কৰা হৈছে। Border ৰ Connectivity টো বঢ়াবলৈ লোৱা হৈছে। গতিকে ২০১৭-১৮ বিত্তীয় বৰ্ষত, ১১৩ খন চেণ্টেল চেয়াৰ, ২৩ খন ষ্টেট চেয়াৰ, আঁচনি গ্ৰহণ কৰা হৈছে। আৰু মাননীয় সদস্য গৰাকীক এই ২৩ খন আঁচনি আৰু ১১৩ খন আঁচনি দিয়া আছে, তেখেতে পাব। মই দীঘলীয়াকৈ নকওঁ। গতিকে এইটো ক্ষেত্ৰত আমাৰ চৰকাৰে দৃঢ় যে Border ৰৰ এই অঞ্চল বিলাক উন্নয়নৰ কাৰণে আমি আমাৰ চৰকাৰে কাম কৰিব। এইটোত কোনো দ্বিমত নাই।

**মাননীয় অধ্যক্ষ** ঃ-Thank you Next অশ্বিনী ৰায় চৰকাৰ,

**শ্ৰীঅশ্বিনী ৰায় চৰকাৰ,সদস্য** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আমাৰ চৰকাৰৰ সীমান্ত অঞ্চল উন্নয়নৰ কাৰণে সদিচ্ছা আছে। কিন্তু কথাটো হ'ল যে বিভাগীয় যিখিনি আমাৰ Scheme দিয়া হয় এইখিনি ইমপ্লিমেন্ট কৰোতে প্ৰায় ২ বছৰ লাগে। কিন্তু Scheme বিলাক যেতিয়া ধৰো, Border এৰিয়াত ধৰাৰ পাচত এইখিনি ইমপ্লিমেণ্ট হওঁতে দুবছৰ যায়। মোৰ সমষ্টিত এতিয়াও ১৪-১৫ ৰ Scheme চলি আছে। আৰু মন্ত্ৰী মহোদয়ৰ পৰা এটা বিষয় মই জানিব বিচাৰিছো যে, আমাৰ চৰকাৰে সীমান্ত অঞ্চল উন্নয়নৰ কাৰণে আদৰ্শ গাওঁ আঁচনি লৈছে। কিন্তু ইতিমধ্যে Scheme দিলো কিন্তু আজি প্ৰায় ডেৰ বছৰ হ'ল মানে ৰাইজে বিচাৰে কি হ'ল ? এই আৰ্দশ গাওঁ আঁচনি খন কি অৱস্থাত আছে।

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ- অধ্যক্ষ মহোদয়, কাম বিলাক অলপ লেহেমীয়া হৈছে বুলি যিটো কথা কৈছে আৰু আদৰ্শ গাওঁৰ কথা যিটো কৈছে, আজি মই গৃহ বিভাগৰ লগত আলোচনা কৰিম। মাননীয় সদস্য গৰাকীক মই কথাখিনি জনাই দিম।

**মাননীয় অধ্যক্ষ** ঃ- Next মতিউৰ ৰহমান মণ্ডল ।

**শ্ৰীমতিউৰ ৰহমান মণ্ডল, সদস্য**ঃ- মাননীয় অধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জনাইছো। Border এৰিয়াত ৰাস্তা পদূলি বনাবৰ কাৰণে, বিশেষ গুৰুত্ব দিয়া হৈছে। ভাল পাইছো আমি লগতে, Border এৰিয়াত খোৱা পানীৰ খুবেই অভাব বিষয়টো গুৰুত্ব সহকাৰে লব লাগেআৰু অগ্ৰাধিকাৰ ভিত্তি অগ্ৰাধিকাৰ ভিত্তিত কৰিব লাগে সেইটো আমাৰ অনুৰোধ।

( সদনৰ অধ্যক্ষৰ সন্মানীয় আসনত মাননীয় অধ্যক্ষ মহোদয় উপবিষ্ট)

............. প্ৰশ্নোত্তৰ কাল ক্ৰমশঃ .............

**শ্ৰী চন্দ্ৰ মোহনপাটোৱাৰী, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো গুৰুত্বপূৰ্ণ কথা। পানী যোগানৰ

যিটো অভাৱ আছে, আমাৰ Boarder Areas Development ৰ যিখিনি আঁচনি আছে সেই আঁচনি সমুহৰ অন্তৰ্ভুক্ত কাম খিনি আমি নিশ্চয় কৰিম। পানী যোগান ব্যৱস্থাটো গুৰুত্বপূৰ্ণ কথা আৰু এইটো লাগিবই। গতিকে আমি কৰা আঁচনি বিলাকৰ ভিত্তিতো এইটো অন্তৰ্ভুক্ত কৰিবলৈ চাম আৰু লগতে বিভাগৰ লগতো আলোচনা কৰিম যাতে বোৰ্ডাৰ এৰিয়াটোত পানী যোগানৰ ক্ষেত্ৰত পানী যোগান বিভাগেও অগ্ৰাধিকাৰ ভিত্তিত কামটো কৰে । আজিয়েই মই কথাটো কম ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী আজিজ আহমেদ খান,আপোনাৰ প্ৰশ্ন উত্থাপন কৰক ।

**শ্ৰী আজিজ আহমেদ খান, সদস্য** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ প্ৰশ্নৰ উত্তৰত (ইয়াত) লিখা আছে যে কৰিমগঞ্জ জিলাৰ অধীনত থকা দক্ষিণ কৰিমগঞ্জ উন্নয়ন খণ্ডত এটাও পানী যোগান আঁচনি নাই। চাৰ, মোৰ সমষ্টিটো ভাৰত-বাংলাদেশ সীমান্ত অঞ্চলত পাৰে প্ৰায় ৩০ কিঃ মিঃ ৰাষ্টাত এখনো বিদ্যালয় নাই। তথ্য মতে বিদ্যালয় নিৰ্মাণ কৰা হৈছে, কিন্তু আমি এই ৩০ কিঃ মিঃ ৰাষ্টাত এখনো বিদ্যালয় নাই। গতিকে, মই এই অঞ্চলটোত পানী যোগান আৰু বিদ্যালয়ৰ কাম খিনি খৰটকীয়াকৈ কৰিলে ভাল হয়।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কৰিমগঞ্জৰ পানী যোগান সম্পৰ্কে কোৱা মতে তাত যদি পানীযোগানৰ আঁচনি এটাও নাই, এই ক্ষেত্ৰত চৰকাৰে নিশ্চয় বিবেচনা কৰিব। বিদ্যালয়ৰ ক্ষেত্ৰতো তেখেতে যিটো অভিযোগ আনিছে এইটোও পৰীক্ষা কৰি চাই চৰকাৰে বিবেচনা কৰিব ।গতিকে কথাটো হ'ল- স্কুল নাই, ৰাষ্টা নাই,পানী যোগাান আঁচনি নাই, সীমান্তৰ উন্নয়ন নাই, এইবোৰ হ'ল আমি উত্তৰাধিকাৰী সূত্ৰে পোৱা সম্পদ । গতিকে এই সম্পদ বিলাকৰ সম্পৰ্কত আমি লাহে লাহে ব্যৱস্থা গ্ৰহণ কৰি আছো ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী থানেশ্বৰ বসুমতাৰী, পৰৱৰ্তী প্ৰশ্ন । এইটো Boarder Areas ৰ প্ৰথম প্ৰশ্ন, সেইকাৰণে আপোনাক কবলৈ অনুমতি দিছো ।

**শ্ৰী থানেশ্বৰ বসুমতাৰী, সদস্য ঃ** মোৰ সমষ্টিটো সম্পূৰ্ণভাৱে Boarder Area তে পৰে । গতিকে তাত ৰাষ্টা-ঘাট আৰু খোৱাপানীৰ ব্যৱস্থা একেবাৰে নাই । আৰু লগতে মই এইটো কথা কব বিচাৰিছো যে - আজি প্ৰায় 10 বছৰৰ আগৰপৰা যদি আমি চাওঁ, যিখিনি এছ চি এ আঁচনি হিচাপে পাইছো, ৰাজ্য চৰকাৰৰ ফালৰপৰা এই আঁচনিৰ ক্ষেত্ৰত পুঁজি ধাৰ্য কৰা হয়নে নহয়,যিহেতু সীমান্ত অঞ্চলসমূহ উন্নয়ন কৰাৰ ক্ষেত্ৰত ৰাজ্য'চৰকাৰৰ বিভাগ এটা আছে । যিখিনি কাম ইয়াত কৰি আছে বা চলি আছে, সেইটো এছ চি এ আঁচনিৰ জৰিয়তে হোৱা আমি দেখিছো । গতিকে মন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে জানিব বিচাৰিছো যে - আমাৰ এই সীমান্ত অঞ্চলসমূহৰ উন্নয়নৰ ক্ষেত্ৰত আমাৰ ৰাজ্য চৰকাৰৰ ফালৰ পৰা পুঁজি ধাৰ্য্য কৰা হ'নে নহয় ?

**মাননীয় অধ্যক্ষ ঃ** শেষত অমৰ চান্দ জৈনে এটা প্ৰশ্ন সুধিব বিচাৰিছিল, তেখেতে প্ৰশ্নটো কৰাৰ পিচত মন্ত্ৰী ডাঙৰীয়াই একেলগে উত্তৰটো দিব।

**শ্ৰী অমৰ চান্দ জৈন ঃ** অধ্যক্ষ্ক মহোদয়, মেৰা Boarder Area 32 Km হেয়, মেৰা Boarder Areas মে ইতনা টকলিফ হেয়, ইচ ইলাকেপে পানী কে স্কীমকেলিয়ে দো-তিনবাৰ Boarder Area মে প্ৰপ'জ়েল দিয়া থা , লেকিন গুৱাহাটী মে আকে ৰ স্কীম কেন্সেল হো যাতা হে । পেহলা বাত, পানী কা কোই স্কীম বোৰ্ডাৰ ইলাকে মে এলাউদ নেহী হোতা হেয় । দুসৰা বাত, বোৰ্ডাৰ এৰিয়া মে পেইচা বহত কম দেতা হেয়, ইচিলিয়ে বোৰ্ডাৰ এৰিয়া মে মেইনটেইন কৰনা মুস্কিল হো যাতা হেয় । ইচিলিয়ে পইচা বঢ়ানা ঔৰ পানী কা ইন্টেজাম কৰনা বহুত জৰুৰী হেয় । তিচ্ৰা বাত

ইয়ে হেয়, ইচ ইলাকেপে ৮ - ১০ কি ঃমিঃ তক কোই এম ই স্কুল নেহী হেয় । কমসে কম বোর্ডাৰ এৰিয়ামে ৪,৫ এম ই স্কুল হোনা বহুত জৰুৰী হেয় । মন্ত্ৰী মহোদয়, আপসে এক গুজাৰিস হে কী মেৰে ইলাকে পে পানী ঔৰ এম ই স্কুল কা বহত জৰুৰী হেয় ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে যিটো কথা কৈছে, তাত প্ৰধানকৈ Boarder Areaত দুটা বিষয় স্পষ্ট হৈছে। এটা হ'ল পানী যোগান আৰু আনটো শিক্ষা। গতিকে এই গোটেই কথা খিনি মই আজি এ চেম্বলী শেষ হোৱাৰ পিচতেই আমাৰ Boarder Area বিভাগ আৰু গৃহ বিভাগৰ লগত আলোচনা কৰিম, প্ৰকৃততে ষ্টেটাচটো কি হৈ আছে। অধ্যক্ষ মহোদয়, মই কাকো দোষ দিয়াৰ কাৰণে কথাখিনি কোৱা নাই, এইবিলাক আমি উত্তৰাধিকাৰী সুত্ৰে পোৱা সম্পদ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১২৫, শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, সদস্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিটো উত্তৰ দিছে, এটা প্ৰশ্ন সুধিলে যে উত্তৰ দিব লাগে তেনেকুৱা যেন লাগিছে, কিয়নো তেখেতৰ উত্তৰটোতে ওলাই পৰিছে যে তেখেত সকলে বিষয়টো গুৰুত্ব সহকাৰে নললে। তেখেত সকলে অতিথিশালাৰ ক্ষেত্ৰত কৈছে যে- ৯ খন অতিথিশালা আছে। কিন্তু পৰবৰ্তী উত্তৰত তেখেতে মাত্ৰ ৪ খন অতিথিশালাৰ হে তথ্য দিছে, বাকী ৫টাৰ তথ্য নিদিলে। ঠিক তেনেকৈ অন্য যিবোৰ উত্তৰ দিছে গোটেই উত্তৰবোৰ অসম্পূৰ্ণ। অধ্যক্ষ মহোদয়, প্ৰশ্নটো জনসাধাৰণৰ লগত জড়িত বাবে উত্থাপন কৰা হয়। তেনেকুৱা অসম্পূৰ্ণ আৰু গা-এৰা ধৰণৰ উত্তৰ দিলে, প্ৰশ্নটো কৰাৰ যি উদ্দেশ্য সেই উদ্দেশ্যটোৱেই সম্পূৰ্ণ নহব। প্ৰশ্নটো হ'ল - ইয়াত কলে যে ৯ টা অতিথিশালা আছে। ১নং ত কলে পূৰ্বে নিৰ্মিত আৰু নৱনিৰ্মিত। কিন্তু পৰৱৰ্তী সময়ত যিটো উত্তৰ দিলে তাত ৫টা অতিথিশালৰ তথ্যই নাই, তথ্য খিনি মন্ত্ৰী মহোদয়ে জনালে ভাল হয়। দ্বিতীয়তে, যিবোৰ বহিঃৰাজ্য বিশেষকৈ চেন্নাই, ভেলোৰ, বাংগালুৰ, মুম্বাই বা দিল্লী এইবোৰ ঠাইত আমাৰ অসমৰ পৰা বিভিন্ন জটিল ৰোগ যেনে কেন্সাৰ, কিডনি, হাৰ্ট এটেক আদিত আক্ৰান্ত বিভিন্ন ব্যক্তিয়ে সহায় বিচাৰি তালৈ যায়, কিন্তু এই সাধাৰণ মানুহখিনিয়ে এই অতিথিশালাবোৰত গৈ কোনো ধৰণৰ গুৰুত্ব নাপায়। উদাহৰণ স্বৰূপে মোৰ সমষ্টিৰ এজন কেন্সাৰ ৰোগীয়ে দিল্লীলৈ যাওঁতে, তেখেতে ইয়াৰ পৰাই ৰিজাৰ্ভেশ্বন কৰিছিলে আৰু ৰিজাৰ্ভেশ্বনটো কনফাৰ্মো হৈছিল, কিন্তু তেখেতে দিল্লীত গৈ গম পালে যে তেখেতৰ নামত আৱন্টিত কোঠাটো অসমৰেই এজন উচ্ছ পদস্থ বিষয়াই পৰিয়ালসহ ফুৰিবলৈ যোৱাৰ বাবে কেন্সাৰ ৰোগী জনৰ নামত এল'ট কৰা কোঠাটো কেন্সেল কৰি অফিচাৰজনক থাকিবলৈ দিলে। এনেকুৱা বৈষম্য যাতে নহয় এই ক্ষেত্ৰত চৰকাৰে সিদ্ধান্ত লবনে? তৃতীয়তে, এই যিবোৰ অতিথিশালা এইবোৰৰ যি আন্তঃগাঠনি, দিল্লীৰ লেখিয়া এটা গুৰুত্বপূৰ্ণ অতিথিশালা য'ত মুখ্যমন্ত্ৰী, আপোনাৰ পৰা আৰম্ভ কৰি সকলোৱেই যায় তাত কিন্তু খোৱাৰ ব্যৱস্থাটোৱেই নাই। গতিকে এনেকুৱা যদি এটা অসুবিধা হয়, সেই আন্তঃগাঠনি উন্নত কৰাৰ কাৰণে চৰকাৰে কি পদক্ষেপ লৈছে? তেখেত সকলে সকলোকে যাতে সমান দৃষ্টিৰে চোৱা হয় তেনেকুৱা এটা নিয়ম কৰিবনে? অধ্যক্ষ মহোদয়, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ**ধন্যবাদ, এতিয়া মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী ভট্টাচাৰ্য্য ডাঙৰীয়াই যিটো কথা কৈছে সেই কথাখিনি আচলতে এনেকুৱা নহয়। আমাৰ ভট্টাচাৰ্য্য ডাঙৰীয়াই যিটো প্ৰশ্ন

কৰিছিল বা সদনৰ যিকোনো সদস্যই যি প্ৰশ্ন কৰে আমাৰ চৰকাৰে প্ৰতিটো প্ৰশ্ন গুৰুত্বসহকাৰে বিবেচনা কৰে আৰু উত্তৰ দিয়ে। যিকোনো সদস্যৰ প্ৰশ্নৰ উত্তৰ দিওঁতে কেতিয়াও দায়-সৰা মন্তব্য নিদিয়ে, অতি গুৰুত্বসহকাৰে দিয়ে। আমাৰ ভট্টাচাৰ্য্য ডাঙৰীয়াই যিটো ৰোগীৰ কথা কৈছে, তেখেতে চিট নাপালে। দিল্লীৰ সমস্যাটো হৈছে - দিল্লীৰ আমাৰ যিটো পুৰণি অসম ভৱন আছিল ,সেইটো বৰ্তমান নিৰ্মাণ কৰি থকা হৈছে ।বৰ্তমানৰ তথ্যৰ ভিত্তিত আমি কব পাৰো যে এই বছৰতে নিৰ্মাণকাৰ্য্য সম্পূৰ্ণ কৰা হ'ব ।নৱনিৰ্মিত ভৱনটো যেতিয়া মুকলি কৰা হ'ব, তেতিয়া তাত প্ৰায় ৭৩ টা মান ৰুমৰ ব্যৱস্থা থাকিব ।কিন্তু বৰ্তমান পুৰণি ভৱনটোৰে চলি থকা বাবে তাত সীমিত সংখ্যকহে ৰুম পোৱা যায় ।সেয়েহে ইয়াৰ পৰা যি মন্ত্ৰী, বিধায়ক,অফিচাৰ আদি যায়, তেওঁলোকে তাত ৰুম নাপায় । অন্য হোটেল যেনে অশোকা আদিত থকাৰ ব্যৱস্থা কৰি দিয়া হয় ।গতিকে ৰুমৰ অভাৱত বৰ্তমান হোটেলত থকাৰ ব্যৱস্থা কৰিবলগীয়া হৈছে।সেয়েহে আমি আশা ৰাখিছো এই বছৰতে যদি নৱনিৰ্মিত ভৱনটো হৈ যায়, তেতিয়াহ'লে ৰুমৰ অভাৱ বহুখিনি কমি যাব ।

দ্বিতীয়তে, মাননীয় সদস্য শ্ৰী ভট্টাচাৰ্য্য ডাঙৰীয়াই যিটো কথা কৈছে, ৫টা অতিথিশালাত কিমান মানুহ থাকে তাৰ তথ্য দিয়া নাই, এইটো সত্য ।এই কাৰণেই দিয়া নাই যে-দিল্লীত নৱনিৰ্মিত আসাম হাউচটোৰ কাম শতকৰা ৭৮ ভাগ সম্পূৰ্ণ হৈছে আৰু বাকীখিনি সোনকালে হৈ যাব,এই বছৰ আমি লব পাৰিম ।কলিকতাত যিটো নতুন আসাম হাউচ হৈছে,সেইটো পুৰণি হাউচটোতকৈ বহুত ডাঙৰকৈ বনাই থকা হৈছে। প্ৰায় ৯৩ পাৰচেন্ট কাম হৈ গৈছে ।এতিয়া ভিতৰত ফাৰ্ণিচিঙৰ কাম চলি আছে ।এইটো মুকলি হ'লে কলিকতাত আমাৰ বহুতখিনি চিট ওলাই যাব ।ভেলোৰৰ যিটো আছে, এইটো বহুত গুৰুত্বপূৰ্ণ ।ইয়াৰ প্ৰায় ৯৯ পাৰচেন্ট কাম হৈ গৈছে ।পুৰণি আসাম ভৱন যিটো আছে, এটা ভৱন চলি থকাৰ কাৰণে তাত সীমিত কোঠা আছে। কোঠা সীমিত থকাৰ কাৰণে তাত মন্ত্ৰী, এম এল এ সকল গ'লেও তাত কোঠা নাপায়। মিটিঙৰ বাবে আমাৰ অফিচাৰ সকলো তাত যায়। গতিকে অশোকা হোটেলত কিছুমানৰ দিয়ে।বা কিছুমানক অন্যান্য হোটেলত দিয়ে।গতিকে গভৰ্ণমেণ্টে এতিয়া হোটেলত ৰাখিবলগা হৈছে কোঠাৰ অভাৱত। আমাৰ পুৰণি অসম ভৱনটো বনাই আছে। এইটো এই বছৰৰ ভিতৰত কমপ্লিট হৈ যাব। আমি আশা ৰাখিছো যে এইটো মুকলি কৰা হ'ব আৰু মুকলি কৰিলে ৭৩ শতাংশ আমাৰ নতুন কোঠা হ'ব আৰু তেতিয়া বহুত সুবিধা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** থেংক ইউ।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** এইটো এটা কথা ক'লো আৰু দ্বিতীয় কথাটো হ'ল, মাননীয় সদস্য সকলে যিটো কৈছে যে ৫টা হাউচত এতিয়ালৈকে কিমান মানুহ থাকে, এই ব্যৱস্থাটো দিয়া নাই বুলি কৈছে। দ্বিতীয়তে অধ্যক্ষ মহোদয়, হাউচত আমি থকাটো দিয়া নাই এইকাৰণে যে আমাৰ আসাম হাউচ নতুন দিল্লীত যিটো আছে, সেইটো আমাৰ ৭৮ শতাংশ সম্পূৰ্ণ হৈছে আৰু বাকীখিনি সোনকালে হৈ যাব। তাৰ পিছত কলিকতাত যিটো নতুন আসাম হাউচ হৈছে, ছল্ট লেকত সেইটো খুব ডাঙৰকৈ হৈছে। পুৰণি যিটো হাউচ, তাতকৈ ডাঙৰকৈ হৈছে। তাৰ প্ৰায় ৯৩ শতাংশ কাম হৈ গৈছে। এতিয়া মাত্ৰ ভিতৰত furnishing ৰ কাম চলি আছে। সেইটো মুকলি হ'লে কলিকতাত বহুখিনি চিট ওলাই যাব। ভেলোৰত যিটো আছে, এইটো বহুত important। তাৰ ৯৯ শতাংশ কাম শেষ হৈ গৈছে। চেন্নাইতো ৯৯ শতাংশ কাম হৈছে। গতিকে এতিয়া ভেলোৰ আৰু চেন্নাইত ৯৯ শতাংশ কাম সম্পূৰ্ণ হৈছে কাৰণ আমি তাত এজন Junior Residant Commissioner Appiont কৰিছো, ছিনিয়ৰ লেভেলৰ বিষয়া। এতিয়া মুম্বাই আসাম হাউচতো চলি আছে। তাত এতিয়া কেন্সাৰ পেচেন্ট সকলক দিয়া হয়। তাত প্ৰায়ৰিটি সদায় কেন্সাৰ পেচেণ্টকহে

দিয়া হয়। এই ভেলোৰ আৰু চেন্নাইৰ কাম ৯৯ শতাংশ হৈছে কাৰণে অফিচাৰ আমি নিযুক্তি দিছো। গতিকে অলপতে মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই হয়তো মুকলি কৰিব আৰু মুকলি কৰিলে হয়তো কাম সম্পূৰ্ণ হ'ব। বাঙ্গালুৰুত যিটো ভৱন আছে, তাত ৪৫ শতাংশ কাম হৈছে আৰু ৪৫ শতাংশ কামহে হৈছে কাৰণ যিজন ঠিকাদাৰ আছিল তেওঁ কাম নকৰি গুছি গ'ল। সেই কাৰণে কামটো নতুন এজনক দিবলগীয়া হ'ল। এই উত্তৰটো ছিৰিয়াচলি দিয়া হৈছে আৰু সকলো মাননীয় সদস্যৰ উত্তৰতো চিৰিয়াচলি দিয়া হয়।

**মাননীয় অধ্যক্ষ ঃ** তেখেতৰ কথাটো genuine আৰু আগলৈ নকৰা ভাল। যদি কাৰোবাৰ নামত Booked থাকে আৰু তেওঁ কেন্সাৰ পেচেণ্ট হয়, তেওঁ যদি গৈ নাপায়, তেওঁক আগতে জনাই দিব লাগে। মই কোৱা নাই যে সেইটো হোৱা নাই কিন্তু যেতিয়া Booked হৈ থাকে বুলি ভাৱে আৰু তাত গৈ নাপালে খুব অসুবিধা হয়। গতিকে তেওঁক যদি দুদিন আগতে জনাই দিয়ে Due to some unavoidable circumtances আপোনাৰ বুকিং টো কেনচেল হ'ল, আই থিংক ভাল হ'ব। মই এই কথাটো অলপ এপ্ৰিচিয়েট কৰিছো। মই এইটো অলপ চাবলৈ কৈছো।

**শ্ৰী আব্দুল খালেক (জনীয়া) ঃ** তথাপিও বুকিং কেনচেল কৰিব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** মই কেনচেল কৰিব কোৱা নাই। তথাপিও কেতিয়াবা এনেকুৱা হয় । মই নিজেও ৰূম পোৱা নাই। কেতিয়াবা জানো যে কিবা ডাঙৰ মিটিং এখন হৈছে, যাবলগীয়া হৈছে তেতিয়া আমাক বিকল্প ঠাই এটা দেখুৱাই দিব পাৰে।

কেন্সাৰ পেচেণ্ট জনকো ক'ব পাৰে যে দুদিনৰ কাৰণে বেলেগ এটা ঠাই দেখুৱাই দিব পাৰে আৰু ক'ব পাৰে যে দুদিন পিছত আপুনি ইয়াত আহিব। হিউমেন টাচ্চ এটা লাগে। মই আপোনাৰ লগতো একমত কিন্তু মই মিনিমাম কথাটো কৈছো।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য(পূব গুৱাহাটী) ঃ** নৱনিৰ্মিত মানে মই বুজি পাওঁ যে নতুনকৈ বনাই উঠিছে আৰু নিৰ্মীয়মান হ'লে তেতিয়া বেলেগ কথা আছিল। তেতিয়াহ'লে নিৰ্মীয়মান হ'ব লাগিছিল আৰু দ্বিতীয় কথাটো হ'ল আমাৰ মন্ত্ৰী ডাঙৰীয়াই যিটো উত্তৰ তেখেতে নিদিলে এটা ৰুল থাকিব লাগে যে দুদিন Official purpose ত যদি কোনোবা অফিচাৰ যায়, তেওঁক থাকিবলৈ ব্যৱস্থা কৰি দিয়ে। ক'বলগীয়া একো নাই, কিন্তু কোনোবা ফুৰিব গৈছে পৰিয়াল লৈ । এতিয়া মাৰ্চ মাহ আহিব, এপ্ৰিল মাহ আহিব এতিয়া আপুনি দেখিব যে দিল্লীত বহুতে ল'ৰা-ছোৱালী এডমিশ্যন দিয়াৰ কাৰণে ১৫/২০ দিন আনকি এক মাহ পৰ্যন্ত ৰূমবোৰ বন্ধ কৰি বহি থাকে। এনেকুৱা হয় যে আমাৰ মন্ত্ৰী-বিধায়ক সকল গ'লেও তেওঁলোকক অশোক হোটেলত ৰাখিব লগীয়া হয়। গতিকে সকলোৰে বাবে একে নিয়ম থাকিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আমি হাউচ কমিটিত এইবিলাক কথা আলোচনা কৰিছিলো। I think we should take up the issue and we should help the Government to have a proper policy. এতিয়া ইয়াৰ চাপলিমেণ্টৰী, ৰমেন্দ্ৰ নাৰায়ণ কলিতা আপুনি কওক।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহটী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ পূৱ গুৱাহাটী সমষ্টিৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য্য ডাঙৰীয়াই যিখিনি কথা ক'লে আৰু আগতেও যিখিনি কথা কৈছে সকলো সঁচা কথা কৈছে যে ইতিমধ্যে আমি জানো যে যেতিয়া অসমৰ বাহিৰৰ যিখিনি অসম ভৱন আছে সেইখিনি যেতিয়া আমাৰ নামত ধাৰ্য্য কৰা হয়, ৰুম যেতিয়া আমি গৈ পাওঁ বিশেষকৈ এক্স এম এল এ সকলৰ কাৰণে কৈছো, এম এল এ সকলৰ প্ৰবলেম হোৱা নাই, তেতিয়া আমাক কোৱা হয় যে আপোনাৰ sit টো বেলেগক দিছো। এই অৱস্থাটো এক্স এম এল এ সকলৰ হ'ব নালাগে। আৰু

দ্বিতীয়তে যিটো কথা কৈছে যে যেতিয়া বিশেষকৈ এডমিশ্যনৰ সময়ত বহু এনেকুৱা পৰিয়ালক দিয়া হয় যিসকল ধনী মানুহ। সেই ধনী মানুহ খিনিক প্ৰায় ২০/২৫ দিন বা এক মাহ পৰ্য্যন্ত ৰূম বিলাক এলোটমেণ্ট দিয়া হয়। কেনেকৈ দিয়া হয় তাৰোতো এটা নিয়ম আছে যে এজন মানুহক যেতিয়া আসাম হাউচত ৰূম দিয়া হয় তেতিয়া সেইটো এটা নিৰ্দ্দিষ্ট সময় ধৰি দিয়া হয়। কিন্তু সেই নিৰ্দ্দিষ্ট সময় পাৰ হৈ কেনেকৈ ১৫/২০ দিন বা এক মাহ পৰ্য্যন্ত তেওঁলোকক ৰূমৰ আৱণ্টন দিয়ে। দ্বিতীয়তে শ্বিলংত আমাৰ যিটো অসম ভৱন আছে, বৰ সুন্দৰ ভৱন হৈছে। কিন্তু তাত যিখিনি কৰ্মচাৰী লাগে আপুনি খৱৰ কৰিলে গম পাব যে সেই কৰ্মচাৰী সকলক তাত নিযুক্তি দিয়া হোৱা নাই। আৰু যাৰ ফলত এতিয়া যিটো সুন্দৰ অসম ভৱন আছে, তাৰ অৱস্থা চাব চাফ চিকুণ নাই আৰু ভৱনৰ ভিতৰখন চাফ-চিকুণ কৰিব পৰা অৱস্থাত নাই তাৰ লগে লগে খোৱা খাদ্যৰ যিটো outsourcing দিয়া হৈছে সেইটোৰ ফলত খাদ্যৰ যিটো ৰেট ধাৰ্য্য কৰা হৈছে সেইটো যথেষ্ট বেছি।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ কথাটো বুজিছো আৰু অলৰেডি কৈছো যে আমি হাউচ কমিটিক দিয়া হৈছে। এতিয়া মন্ত্ৰীয়ে ক'ব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** আসাম হাউচ ৰ গোটেই কথাটো হৈছে যে আমাৰ এটা আসাম হাউচ দিল্লীত নতুনকৈ বনাই আছে । সেইটো সম্পূৰ্ণ হ'লেই যে সমস্যা সমাধান হ'ব সেইটো নহয়। অধ্যক্ষ ডাঙৰীয়া, আমাৰ ৰমেন্দ্ৰ নাৰায়ণ কলিতা সাক্ষী, মইও সাক্ষী। এইখন সদনতে মাননীয় হিতেশ্বৰ শইকীয়া দেৱে যেতিয়া ১৯৯১ চনত মুখ্য মন্ত্ৰী হৈছিল এই বিষয়টো বহুত এম এল এ সকলে কৈছিল যে এখন চিঠি হ'লেও দিব লাগে। গতিকে অসম ভৱনত এম এল এ , এক্স এম এল এ সকলে চিট পাব লাগে বুলি এটা ডাঙৰ ইচ্যু আগৰে পৰা চলি আহিছে। এইটো ১৯৯১ চনত। তেতিয়া মই অপ'জিশ্যনত আছিলো। এতিয়া কথাটো হৈছে যে নতুন চৰকাৰ অহাৰ পাছত আমাৰ এখন চিঠি দিছো, জি এ ডি আৰু চিঠিখনত এইটো কৈছে যে এম এল আৰু এক্স এম এল এ সকল যেতিয়া যাব, তেওঁলোকক গুৰুত্ব দিয়া উচিত। এই চিঠি এই বাৰ আমি প্ৰথমবাৰৰ বাবে দিছো। কিন্তু ইয়াৰ আগতেও এইবিলাক বহুত আগৰ পৰা আলোচনা হৈছে। গতিকে অধ্যক্ষ মহোদয়, আনকি এটা সময়ত আমি এনেকুৱা কথাও কৈছো যে সেই সময়ত তেতিয়া অসম বিধান সভাৰ অধ্যক্ষ টংক বাহাদুৰ ৰায় আছিল। তেখেত থকা অৱস্থাত এখন এমিউনিটি কমিটি আছিল, তেতিয়া মই টংক বাহাদুৰ ৰায়ক কৈছিলো সকলোৰে ফালৰ পৰা এম এল এ আৰু এক্স এম এল এ সকলৰ কাৰণে এটা এচেম্বলিৰ ফালৰ পৰা এটা অসম ভৱন দিল্লীত হ'ব লাগে। এতিয়া বিত্ত মন্ত্ৰী আছে, যেতিয়া মই আপোনাক ক'লো আপুনি এটা আসাম হাউচ কৰিব এম এল এ , এক্স এম এল এ সকলৰ কাৰণে।

**মাননীয় অধ্যক্ষ ঃ** উৎপল দত্ত। মিনিষ্টাৰ প্লীজ পাৰিলে উত্তৰ দিয়ক। কুৱেশ্যন নং ১২৬।

**শ্ৰী আব্দুল খালেক, জনীয়া ঃ** জাৰ্নেলিষ্ট সকলৰ কাৰণেও আসাম হাউচত থকাৰ

ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** সেই বিলাক কথা হাউচ কমিটিত আলোচনা কৰা হ'ব। এতিয়া পল্লৱ লোচন দাস ডাঙৰীয়া।

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী ঃ** প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এটা চাপলিমেণ্টৰী কওঁক, নহ'লে তেওঁৰ কুৱেশ্যন থাকি যাব।

**শ্ৰী উৎপল দত্ত, লখিমপুৰ ঃ** উত্তৰটো পাইছো যে আজি প্ৰায় তিনি মাহ আগতে জিলা উপায়ুক্তক আমি জনাইছিলো যে এই খিনি ৰাস্তা ভাঙিছে। কিন্তু এই কামটো কৰাটো প্ৰায় তিনি মাহ সময় গ'ল। এতিয়া বহুত ৰাস্তাত মানুহ যাব নোৱাৰে। তাৰ অনুমোদন আপুনি দিছে। কামটো কৰোতে আৰু ডেৰ মাহ সময় লাগিব। সেই কাৰণে ভৱিষ্যতে বানপানী হোৱাৰ পাছত জিলা উপায়ুক্তৰ পৰা ৰিপোৰ্টটো পোৱাৰ পাচত তৎকালীন ভাৱে পইচাবিলাক মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰিবনে ? দ্বিতীয়তে, আৰু এটা প্ৰশ্ন আছে, ৰাজহ উপাৰ্জন কৰা নহয় বা চাৰ্ভে হোৱা নাই সেই মানুহবিলাক বান ক্ষতিগ্ৰস্তই পইচা পোৱা নাই। তাৰ কাৰণে কিবা ব্যৱস্থা ল'ব নে ?

**মাননীয় অধ্যক্ষ ঃ** মিনিষ্টাৰ শ্বৰ্টকৈ ক'ব।

**শ্ৰী পল্লৱ লোচন দাস,মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কথাটো হ'ল যে যেতিয়াই বানপানী বা যিকোনো পৰিৱেশ হয়, তাত ডি ডি এমৰ পৰা যিখিনি প্ৰস্তাৱ আহে সেইখিনি আমাৰ ইয়াত ষ্টেট একজিকিউটিভ কমিটিয়ে আমাৰ ইয়াত অনুমোদন জনায় আৰু ডিপাৰ্টমেণ্ট সমূহে কামখিনি কাৰ্য্যকৰী ৰূপ দিয়ে। সেই কাৰণে আমি এইবাৰ ডিপাৰ্টমেণ্ট সমূহৰ লগতো ৰিভিউ কৰিম আৰু কেনেকৈ সোনকালে শেষ কৰিব পাৰে তাৰ ব্যৱস্থা কৰি ম আৰু যিসকল ক্ষতিগ্ৰস্ত লোক থাকি গৈছে সেইখিনি জনালে তাৰ বাবে বিহীত ব্যৱস্থা গ্ৰহণ কৰিম।

## Question Hour is Over

**মাননীয় অধ্যক্ষ ঃ** এতিয়া এটা ঘোষণা আছে। প্ৰথমে মই পঢ়ি দিব বিচাৰিছো।

মই অসম বিধান সভাৰ মাননীয় সদস্য /সদস্যাসকলক জনাব বিচাৰো যে, অহা ইং ২০১৮-২০১৯ বিত্তীয় বৰ্ষৰ বাবে বাজেট আৰু বাজেট সম্পৰ্কীয় সকলো তথ্য multi media device ৰ জৰিয়তে উত্থাপন কৰাৰ বাবে প্ৰস্তাৱ কৰা হৈছে।

তদুপলক্ষে , অহা ইং ২৩-০২-২০১৮ তাৰিখে সন্ধিয়া ৬.০০ বজাত বিধান সভা কেন্দ্ৰীয় সভা কক্ষত সকলো মাননীয় সদস্য /সদস্যাক এই multi media deviceটো কেনেধৰনে ব্যৱহাৰ কৰিব লাগিব সেই বিষয়ে এটা প্ৰশিক্ষণৰ আয়োজন কৰা হৈছে।

মই মাননীয় সদস্য /সদস্যাসকলক উক্ত প্ৰশিক্ষণ কাৰ্য্যসূচীত যোগদান কৰিবলৈ সহযোগ কৰিবলৈ অনুৰোধ জনালোঁ। যোগদানৰ পিচতে আপোনালোকক সন্ধিয়া আহাৰৰ ব্যৱস্থা কৰা হৈছে যাতে দীঘলীয়া হ'লে আপোনালোকে আহাৰ গ্ৰহণ কৰি যাব পাৰে। কিন্তু এটা গুৰুত্বপূৰ্ণ কথা মই ক'ব বিচাৰিছো। যিসকল সদস্য ইয়াত উপস্থিত নাই তেখেতসকলক তেখেতসকলৰ

Legislative পাৰ্টিৰ লিডাৰ বা গ্ৰুপ লিডাৰৰ জৰিয়তে উক্ত ঘোষণাটো জনালোঁ। অন্যথা আমাৰ বাজেট পঢ়িবৰ সময়ত আপোনালোকে অসুবিধাৰ সন্মুখীন হ'বলগীয়া হ'ব পাৰে। কিন্তু অহা ২৩-০২-২০১৮ তাৰিখে সদন শেষ হ'ব ৫.০০ বজাত। সন্ধিয়া ৬.০০ বজাৰ পৰা আমি প্ৰশিক্ষণটো আৰম্ভ কৰিম। প্ৰশিক্ষণ দীঘলীয়া হ'লেও অসুবিধা নহ'ব , খোৱাৰ ব্যৱস্থাও কৰা হৈছে। এতিয়া পিচৰ কাৰ্য্যসূচী নং......।

**শ্ৰীআমিনুল ইছলামঃ** মাননীয় অধ্যক্ষ মহোদয়, ... পইন্ট অৱ অৰ্ডাৰ..। এইকেইদিন দুৰ্নীতি সম্পৰ্কে বিধান সভাত যিখিনি আলোচনা হৈছে। ইতিমধ্যে এইকেইদিন আমাৰ প্ৰাক্তন মন্ত্ৰী বা বৰ্তমানৰ মন্ত্ৰীও জড়িত এনে ধৰণৰ বহু কথা ওলাই আহিছে গতিকে আমি ভাবো যে আমাৰ চৰকাৰে এই ক্ষেত্ৰত.....।

**মাননীয় অধ্যক্ষ ঃ** This is not a point of order...... please...... this is not in record. You are a senior member . you should give a notice under Rule 301 . I may allow it. এতিয়া ২ নং কাৰ্য্যসূচী হাতত লৈছো। যোৱা ৬ ফেব্ৰুৱাৰী ,২০১৮ তাৰিখে যোৱা কাৰ্য্য উপদেষ্টা সমিতিৰ বৈঠকত উপস্থিত থকা সকলো দলৰ সদস্যৰ লগত আলোচনা কৰি নিম্নোক্ত মঞ্জুৰীটো অগ্ৰাধিকাৰ ভিত্তিত আলোচনা কৰিবলৈ বাঁচনি কৰা হৈছিল আৰু বাকী মঞ্জুৰীসমূহ ক্ৰম অনুসৰি আলোচনা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। এই মঞ্জুৰীটো হৈছে ৬৪ নং মঞ্জুৰী। পথ আৰু দলঙৰ ওপৰত। সকলো সদস্যৰ সুবিধাৰ বাবে আমি এটা মঞ্জুৰী লৈছো যাতে আজি আৰু কালিৰ ভিতৰত আমি সম্পূৰ্ণভাৱে আলোচনা কৰি যাতে মন্ত্ৰী ডাঙৰীয়াৰ পৰা এটা উত্তৰ পাবলৈ সক্ষম হওঁ। সেই কাৰণে আমি সময় বঢ়াই দিছিলো। এইবাৰ আমি দুটা মঞ্জুৰী লোৱা নাই। গতিকে মই সকলো সন্মানীয় সদস্যকে এটা অনুৰোধ কৰিম তেখেতসকলৰ বিধায়িনী দলৰ দলপতি সকলে কোন কেইগৰাকীয়ে ক'ব মোক লিষ্টখন দিলে ভাল হয়। তেখেতেসকলে ১০ ৰ পৰা ১৫ মিনিটৰ ভিতৰত যদি নিজৰ বক্তব্য শেষ কৰে তেনেহ'লে বেছি সদস্যক বক্তব্য ৰাখিবলৈ মই সুবিধা দিব পাৰিম। কোনোবাই বেছিকৈ ক'লে মই বন্ধ কৰিব নোৱাৰো গতিকে আপোনালোকে নিজে চিন্তা কৰি যাতে বক্তব্য সীমিত সময়ৰ ভিতৰতে শেষ কৰিব পাৰে মই অনুৰোধ জনালোঁ। এতিয়া প্ৰথমে মই মাননীয় গড়কাপ্তানি মন্ত্ৰীক প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

শ্ৰীপৰিমল শুক্লবৈদ্য, মন্ত্ৰী, গড়কাপ্তানী ইত্যাদিঃ On the reccomendation of the Governor of Assam, I beg, Sir, to move that an additional amount of Rs. 18999.99 lakh be granted to the Minister- in-charge to defray the certain charges which will come in the course of payment during the year ending 31st March,2018 in connection with " Roads and Bridges".

মাননীয় অধ্যক্ষ মহোদয়ঃ ধন্যবাদ, এতিয়া ইয়াত দুটা কৰ্ত্তন প্ৰস্তাৱ আছে। শ্ৰীদেবব্ৰত শইকীয়া আৰু তেখেতসকলৰ সহযোগীসকল , হাফিজ বছিৰ আহমেদ আৰু তেখেতসকলৰ সহযোগীসকল। তেওঁলোকে দুটা কৰ্ত্তন প্ৰস্তাৱ আনিছে। মই দুয়োটা কৰ্ত্তন প্ৰস্তাৱ একেলগে উত্থাপন কৰিলে হ'ব বুলি ভাবিছো। আপোনালোকৰ কিবা আপত্তি আছে নেকি? হাফিজ বছিৰ আহমেদ ডাঙৰীয়াই প্ৰশ্নটো উত্থাপন কৰিবলৈ নৰুল হুদা ডাঙৰীয়াক দিছে ...। নৰুল হুদা ...।

**শ্ৰীনুৰুল হুদাঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০১৭-১৮ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবীসমূহৰ তালিকাত ১৪০-১৪২ নং পৃষ্ঠাত থকা পথ আৰু দলং শিতানৰ ৬৪ নং পৰি পূৰক দাবী মঞ্জুৰীৰ

বাবে ধাৰ্য্য কৰা ১৮৯৯৯. ৯৯ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক। অৰ্থাৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰি ১৮৯৯৯.৯৯ লাখ টকা ১০০ টকাৰে হ্ৰাস কৰা হওঁক।

**মাননীয় অধ্যক্ষ ঃ** Can I assume that আপুনিও move কৰিছে বুলি। হাফিজ বছিৰ আহমেদ ডাঙৰীয়া একো সমস্যা নাই। .. ঠিক আছে । তেখেতৰ মত আছে বুলি ধৰি ল'লো। মই এতিয়া সন্মানীয় সদস্যক বক্তব্য ৰাখিবলৈ অনুৰোধ জনাইছো। প্ৰথমে নৰুল হুদা ডাঙৰীয়াই ক'ব। আপোনাক বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীনুৰুল হুদাঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱৰ সপক্ষে ক'বলৈ ওলাইছো। গড়কাপ্তানি বিভাগৰ যিবিলাক ৰাস্তা আমাৰ আছে সেই ৰাস্তাৰ দলংসমূহ একেবাৰে জৰাজীৰ্ণ অৱস্থাত আছে। মই উদাহৰন হিচাপে ক'ব বিচাৰিছো নগাওঁ- নলতলী যিটো পথ আছে আজি ৪ বছৰ ধৰি নিৰ্মানৰ কাম চলি আছে সেইটো সম্পূৰ্ণ হোৱা নাই। একেবাৰে লেহেম গতিত কামবিলাক চলি আছে। যাৰ কাৰণে জনসাধাৰণৰ যাতায়তৰ বহু অসুবিধা হৈছে। নগাওঁ- মৰিগাওঁৰ নলতলী এটা মূল ৰাস্তা এই ৰাস্তাটো আজি ৪ বছৰে সম্পূৰ্ন নহ'ল। এই ৰাস্তাটো সম্পূৰ্ন কৰাৰ বাবে বিভাগে যিটো ব্যৱস্থা ল'ব লাগে সেই ব্যৱস্থা লোৱাটো পৰিলক্ষিত হোৱা নাই। ৰাজ্যিক পথসমূহ আৰু দলং সমূহো জৰাজীৰ্ণ হৈ আছে আমাৰ নগাওঁ জিলাত সোনাই-সাদৰীয়া ৰাজ্যিক পথ এটা আছে সেই পথটোৰ দুখন কাঠৰ দলং এতিয়াও আছে আৰু কিছু দিনৰ মুৰে মুৰে ভাঙে আৰু যাতায়ত বন্ধ হৈ যায়। এই সমস্যাটো বহু দিনৰ পৰা ভুগিব লগা হৈ আছে। গতিকে এই সমস্যাসমূহৰ পৰা মুক্ত হোৱাৰ বাবে কাঠৰ দলংসমূহ পকী দলং কৰাৰ সোনকালে ব্যৱস্থা কৰিব লাগে। গ্ৰাম্য পথসমূহৰো যিবিলাক কাঠৰ দলং আছে সেইসমূহো পকীকৰণৰ ব্যৱস্থা ল'ব লাগে। সচৰাচৰ কাঠৰ দলং সমূহ নিৰ্মানি কৰা ১/২ বছৰ পিচতে জৰাজীৰ্ণ হৈ যায় আৰু যাতায়ত ব্যৱস্থা ব্যাহত হয়। চাৰ মোৰ বিধান সভা সমষ্ঠিত ১৮ খন কাঠৰ দলং আছে। এই ১৮ খন দলঙেই বৰ্তমান বেয়া হৈ আছে। আজি এই কাঠৰ দলংসমূহত বাঁহ লগাই মানুহ খোজ কাঢ়িব লগীয়া হৈছে। গাড়ী মটৰ চলাচল বন্ধ হৈ গৈছে। আনকি মটৰ চাইকেল লৈ যাব পৰা অৱস্থাও নাই। বাঁহ লগাই মানুহ কিবাকৈ যাব পৰা অৱস্থা হৈছে। যাতায়তৰ যিবিলাক দুৰাৱস্থা বা অসুবিধা এই খিনি নাইকিয়া কৰাৰ কাৰনে চৰকাৰে ব্যৱস্থা ল'ব লাগে। PMGSY আঁচনিত যিবিলাক ৰাস্তা অনুমোদন দিয়া হৈছে, চেংচন দিয়া হৈছে আনকি টেণ্ডাৰো call কৰা হৈছিল। কিন্তু কিছুমান ৰাস্তাত ঠিকাদাৰে টেণ্ডাৰ নিদিলে। এতিয়া কামৰ সময়। এই সময়ত অনুমোদন হোৱা ৰাস্তাসমূহ টেণ্ডাৰ নোহোৱাকৈ পৰি আছে। এই ৰাস্তাসমূহৰ বাবে চৰকাৰে কেনেকুৱা ধৰণৰ ব্যৱস্থা লৈছে।

**মাননীয় অধ্যক্ষ ঃ** হুদা ডাঙৰীয়া আপোনাক অলপ ক'বলৈ অনুৰোধ জনাইছো। আমাৰ চাপ্লিমেন্টৰি ডিমাণ্ড আৰু জেনেৰেল বাজেটৰ যিবিলাক কাট মোচন হয় তাৰ ডিচকাচনটো বেলেগে হয়। যিকেইটা কথাত ইয়াত আপুনি পইচা বিচাৰিছে প্ৰথম কথা নিজকে অলপ কনচেনট্ৰেট কৰিব লাগিব নহ'লে গোটেই বস্তুটো মেলাচিকাৰ হৈ যাব। এতিয়া আমাৰ ইয়াত পেজ নং ১৪২ৰ - কেইটামান বিষয়ৰ ওপৰত আমি এডিচনেল পইচা বিচাৰিছো।প্ৰধান মন্ত্ৰীৰ গ্ৰাম্য চড়ক যোজনাৰ পইচাৰ কথাটো ইয়াত আছে। সেই কাৰনে আমি এইবাৰ আলোচনা কৰোতে ঠিক কৰিছিলো যে পি এম জি এচ ৱাইৰ ৰাস্তাখিনিৰ ওপৰত বেচিকেলী ডিচকাচনটো হ'ব। বাকী যিকেইটা কৈছে , ফিফা বিশ্ব কাপ, আদালতৰ ৰায় অনুসৰি দিবলগীয়া টকা এই দুটা আমাৰ বিশেষ ক'বলগীয়া নাই। ইয়াত প্ৰধান মন্ত্ৰী গ্ৰাম্য সড়ক যোজনাৰ বাবে ৩০ কোটি টকা অতিৰিক্ত বিচাৰিছে আৰু কেন্দ্ৰীয় অংশ ১৩৯ কোটি আহিব । এই গোটেইখিনিৰ বাবে আমাক এডিচনেল চাপ্লিমেন্টৰি ডিমাণ্ডটো দিছিল। মই আপোনাৰ

বক্তব্য বন্ধ কৰিব খোজা নাই কিন্তু আপুনি কথাটো যিহেতু কৈছে,আপোনাক যদি এলাও কৰো বাকীসকলকো মই এলাও কৰিব লাগিব। গতিকে আপুনি যিহেতু প্ৰথম স্পীকাৰ, আপুনি যদি ভাৱে সেইটো লাইনত স্পীচ আউট হোৱা নাই তেন্তে কথাখিনি কওঁক। কিন্তু মেইনলী আমাৰ ডিচকাচনটো আছিল পি এম জি এচ ৱাইৰ ৰাস্তাখিনিৰ ওপৰত। সেই কথাটো হে আপোনাক জনাই থৈছো। গতিকে বাকীখিনি অলপ চমুৱাই ক'ব যাতে বাকী সকলো সদস্যই যাতে সেইমতে কথা ক'বলৈ সুযোগ পায়। সেই কাৰনে ৰুলবিলাক মই অলপ চাবলৈ কওঁ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী নুৰুল হুডা ডাঙৰীয়া আপোনাক অলপ সময় ৰ'বলৈ কৈছো, Supplementary Demand আৰু General Cut Motion হয়, তাৰ আলোচনাটো বেলেগে হয়। ইয়াত যি কেইটা কামৰ কাৰণে পইচা বিচাৰিছে, তাৰ ওপৰত আপুনি প্ৰথমতে নিজকে concentrate কৰি লব লাগে, নহ'লে গোটেইটো **(মেলা স্বীকাৰ....???)** হৈ যাব। এতিয়া আমাৰ ইয়াত যিকেইটা কথা আছে - page 142 আমি কেইটামান বিষয়ৰ ওপৰত additional পইচা বিচাৰিছো। ইয়াত প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ কথাটো ইয়াত আছে। সেই কাৰণে এইবাৰ আলোচনা কৰোতে ঠিক কৰিছিলো যে PMGSY ৰাস্তাখিনিৰ ওপৰত basically আলোচনাটো হ'ব। কাৰণ বাকী যিকেইটা কৈছে ফিফা বিশ্বকাপ, আদলতৰ ৰায় অনুসৰি দিব লগীয়া টকা,এই দুটা আমাৰ বিশেষ কবলগীয়া নাই। ইয়াত প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ বাবে **৩০** কোটি টকাৰ অতিৰিক্ত বিচাৰিছে, কেন্দ্ৰীয় অংশৰ **১৩৯** কোটি টকা আহিব। এই গোটেইখিনি টকাৰ কাৰণে Additional Supplementary Demand টো দিছিল। মই আপোনাৰ কোৱাতী বন্ধ কৰিব খোজা নাই, কিন্তু আমাৰ main discussion আছে PMGSY ৰাষ্টাখিনিৰ ওপৰত। গতিকে বাকীখিনি অলপ চমুৱাই ক'ব, যাতে বাকী সদস্যই সেই মতে কথা কবলৈ সুযোগ পায় আৰু মই বাকী সকলো সদস্যকো কৈ থৈছো যে প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ কথাটো বিশেষকৈ গুৰুত্ব দিব।

**শ্ৰী নুৰুল হুদা, ৰূপহীহাটঃ** মাননীয় অধ্যক্ষ মহোদয়, মই একেবাৰে চমু কৰিবলৈ বিচাৰিছো যে মোৰ সমষ্টিত **৫** টা PMGSY ৰাস্তা। এই ৰাস্তাখিনি tender হৈছিল আৰু tender হোৱাৰ পিছত ঠিকাদাৰে tender নিদিলে। ইয়াৰ বিষয়ে জানিব পাৰিলো যে যিটো estimate বনাইছে, সেই estimate মতে ঠিকাদাৰে কাম কৰিলে তেওঁলোকৰ loss হ'ব। গতিকে এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ক চিন্তা কৰাৰ কাৰণে মই আপোনাৰ জৰিয়তে অনুৰোধ জনালো। আৰু এই কৰ্তন প্ৰস্তাৱৰ সপক্ষে কিছু কথা ৰাখি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী ৰঞ্জিৎ দাস ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, সৰভোগঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী শ্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়াই যি প্ৰস্তাৱ আনিছে, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খুজিছো যে **২০১৮** চনৰ **৩১** মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত পথ আৰু দলঙৰ ক্ষেত্ৰত কেটেবোৰ ব্যয় বহন কৰিবলৈ ভাৰপ্ৰাপ্ত মন্ত্ৰীক অতিৰিক্ত **১৮,৯৯৯** লাখ টকা মঞ্জুৰি কৰিব লাগে। ইয়াৰে বিপৰীতে আমাৰ সন্মানীয় বিৰোধী সদস্য সকলে বিধান সভাৰ কাৰ্য্য ব্যৱস্থাৰ আধাৰত কৰ্তন প্ৰস্তাৱৰ কাৰণে এটা প্ৰস্তাৱ আনিছে । মই ভাৱো এইটো আমাৰ বিধি অনুযায়ী এওঁলোকে আনিব লাগে কাৰণে আনিছে। কিন্তু নানিলে বেছি ভাল আছিল। তথাপি বিৰোধী সদস্যসকলক সন্মান জনাই মই কিছু কব বিচাৰিছো যে কিয় তেওঁলোকে এই কৰ্তন প্ৰস্তাৱ আনিব নালাগিছিলে বা যদি আনিছে, কিয়

তেওঁলোকে এই কৰ্তন প্ৰস্তাৱ উঠাই লোৱাৰ প্ৰয়োজন। সেই বিষয়ে মই কিছু চমু আভাস দিব বিচাৰিছোঁ অধ্যক্ষ মহোদয়।

আমাৰ গড়কাপ্তানি বিভাগে পথ আৰু দলঙৰ বাবদ যিটো টকা মঞ্জুৰ কৰা কথা কৈছে, আৰু আমি অসমৰ সমগ্ৰ ৰাইজে এটা কথা জানো যে পথ আৰু দলঙক লৈ বিভিন্ন সময়ত, আমাৰ সংবাদ মাধ্যমতে হওঁক বিভিন্ন সময়ত যেতিয়া আমি গাঁৱে -ভুয়ে যাওঁ, বিভিন্ন ৰাইজক যেতিয়া লগ পাওঁ সকলোৱে কেৱল পথ আৰু দলঙৰ সন্দৰ্ভত প্ৰশ্ন সোধে। ভাৰতৰ স্বাধীনতাৰ পিছত ইমান বছৰ চৰকাৰ চলি থকাৰ পিছতো পথ আৰু দলঙৰ যিটো সমস্যা, অসমৰ ক্ষেত্ৰত সেই সমস্যা আজিলৈ সফল হোৱা নাই। সেই কাৰণে এই ক্ষেত্ৰত গড়কাপ্তানি বিভাগক অতিৰিক্ত মঞ্জুৰীয়ে নহয়, পৰ্য্যাপ্ত ধনৰ মঞ্জুৰীৰ প্ৰয়োজন। প্ৰয়োজন এই কাৰণেই আমি ভাৰত চৰকাৰৰ PMGSY ৰ ক্ষেত্ৰত আমি দেখিছো যে এই বিভাগটোৱে এই চৰকাৰখন অহাৰ পিছত PMGSY ত **৭৯১৩** কিলোমিটাৰ পথৰ অনুমোদন দিয়া হৈছিলে আৰু সেই **৭৯১৩** কিলোমিটাৰ পথৰ অনুমোদনৰ লগতে **৭৪৫** খন দলং অনুমোদন দিছিল। তাৰ সমূদায় ব্যয় আছিলে **৫৮৭২** হাজাৰ কোটি টকা । গতিকে **৫৮৭২** হাজাৰ কোটি টকাৰে PMGSY ৰ যি পথ নিৰ্মাণৰ ব্যৱস্থা এই চৰকাৰখনে লৈছে **৭৯১৩** কিলোমিটাৰ পথ আৰু **৭৪৫** খন দলং, যাৰ ভিতৰত ইতিমধ্যে এই চৰকাৰখনে **৬৭৭** কিলোমিটাৰ পথ আৰু **২৭** খন দলং সম্পূৰ্ণ কৰিছে। এইখিনিতে হয়তো কোনোবাই ক'ব বিচাৰিব যে ইমান টকা অনুমোদন দিয়াৰ পিছত মাত্ৰ **৬৭৭** কিলোমিটাৰ পথ আৰু **২৭** খন দলং সম্পূৰ্ণ হ'ল বাকীখিনি সম্পূৰ্ণ কৰিব পৰা হোৱা নাই কিয়। এনেকুৱা ধৰণৰ প্ৰশ্ন স্বাভাৱিকতে মাজে মাজে আহে। **(সদনত অধ্যক্ষৰ আসনত সভাপতি শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা)** সভাপতি ডাঙৰীয়া আপুনি জানে যে অসমৰ জলবায়ুৰ অৱস্থা। অন্য ঠাইত মাটিৰ যি ব্যৱস্থা আৰু অসমৰ মাটিৰ যি ব্যৱস্থা, অসমৰ বাহিৰত মানুহে বৰষুণৰ কাৰণে হাহাকাৰ কৰিব লগীয়া হয়। আৰু আমি ইয়াতে বৰষুণৰ প্ৰকোপৰ কাৰণে পূজা দিব লগীয়া হয় যাতে বৰষুণ আগন্তুক দিনত নাহে। বহু ঠাইত দেখো ভেকুলীৰ বিয়া পাতে বৰষুণৰ কাৰণে কেতিয়াবা পূজা দিবলগীয়া হয়। কাৰণ বৰষুণ আহিলে ৰাস্তাঘাট বিধ্বস্ত হোৱাৰ লগতে বিভিন্ন ধৰণৰ ক্ষতি হয়। যোৱা বছৰটোত প্ৰায় ছয়মাহ ধৰি নেৰানেপেৰা বৰষুণ হৈছিল আৰু বতৰৰ লগতে আমাৰ মাটিৰ যিটো condition, ৰাজস্থানৰ মাটি বা মধ্যপ্ৰদেশৰ মাটিৰ যিটো hardness আমাৰ মাটিৰ লগত তাৰ বহুত তাৰতম্য আছে। যাৰ কাৰণে নিৰ্ধাৰিত সময়ত আমাৰ বিভাগে বিভিন্ন কাম কৰিবৰ যদিও মানসিকতা আছে কিন্তু কৰিব নোৱাৰে বা তাত ঠিকাদাৰসমূহেও কৰিব নোৱাৰে। তথাপি গড়কাপ্তানি বিভাগে প্ৰয়াস লৈছে আৰু ইতিমধ্যে **৬৭৭** কিলোমিটাৰ পথ নিৰ্মাণ কৰিছে। মোৰ বৰপেটা জিলাত সভাপতি মহোদয়, প্ৰায় ৪৫৪ কিলোমিটাৰ PMGSY ইতিমধ্যে অনুমোদন হৈছে। **১২৬** খন দলং তাত আছে। ঠিকাদাৰ সকলে দলং কেইখন কৰিব বিচাৰে , কিন্তু তেওঁলোক PMGSY ত tender দিব নিবিচাৰে। ইয়াৰ কাৰণ হৈছে যে মাটি কঢ়িওৱা যিটো rate, চৰকাৰী ভাৱে যিটো rate দিয়া আছে তাতকৈ অতিৰিক্ত ৰেট তেওঁলোকে বহন কৰিবলগীয়া হয়। যাৰ কাৰণে হয়তো এই বিষয়টোক লৈ আগন্তুক দিনত ভাৰত চৰকাৰৰ লগতো অসম চৰকাৰে আলোচনা কৰিব লগীয়া আছে যে PMGSY ৰ মাটিৰ যিটো ৰেট (কাৰণ কিয় আমি পথ যদি বহল নকৰো, পথ নিৰ্মাণ কৰিব নোৱাৰো, **৮** কিলোমিটাৰ বহল কৰিব লাগিলে মাটিৰ কামটো তাত থাকিব।) সেই ৰেটটোৰ লগত ঠিকাদাৰ আৰু বিভাগৰ ৰেটটো নিমিলে কাৰণে কিছু বাধাগ্ৰস্ত হৈছে। বতৰৰ কাৰণেও বাধাগ্ৰস্ত হৈছে। ঠিক তেনেকৈ Central Road Fund (CRF) ৰ আমাৰ যি ব্যৱস্থা এই নতুন চৰকাৰখনে কৰিছে, কেন্দ্ৰীয় চৰকাৰৰ সহযোগত প্ৰায় **৮৪২**

কোটি টকা সাপেক্ষে, ইতিমধ্যে **৩৩৩** কিলোমিটাৰ ৰাস্তা আৰু **২৫** খন নতুন দলং নিৰ্মাণৰ ব্যৱস্থা CRF ৰ জৰিয়তে কৰিছে। আৰু তাৰ ভালে সংখ্যক কাম অসমত ইতিমধ্যে আৰম্ভ হৈছে। সভাপতি মহোদয়, World Bank ৰ আচঁনিৰ জৰিয়তে **৩২০** মিলিয়ন US ডলাৰ লোন পাইছে। আৰু সেই লোনৰ অন্তৰ্গত **১০২৮** কিলোমিটাৰ পথ অনুমোদন হৈছে। সৌভাগ্যক্ৰমে **১০২৮** কিলোমিটাৰৰ ভিতৰত World Bank ৰ আচঁনিত ইতিমধ্যে আমাৰ **৩৭৩** কিলোমিটাৰ পথ সম্পূৰ্ণ কৰা হৈছে। আজি Assam Road Maintenance Fund (ARMF) ৰ কথা কওঁ, ARMF ৰ আচঁনিৰ জৰিয়তে বিধায়ক সকলক যেতিয়া আঁচনি যুগুত কৰিবলৈ দিছিলে বা বিভাগৰ লগত যোগাযোগ কৰিবলৈ দিছিলে , মই বিভাগক ধন্যবাদ জনাইছো যে ARMF ৰ জৰিয়তে **২০১৬ - ১৭** ৰ পৰা যি কাম কৰিছে, তাত ইতিমধ্যে তিনি বছৰৰ কাৰণে **২** হাজাৰ কোটি টকা কেন্দ্ৰীয় চৰকাৰে আৱন্টন দিছে, **৭** হাজাৰ কিলোমিটাৰ ৰাষ্টা নিৰ্মাণ কৰাৰ কাৰণে অনুমোদন কৰিছিল আৰু সৌভাগ্যক্ৰমে ইতিমধ্যে **১৬০০** কিলোমিটাৰ বিভাগে সম্পূৰ্ণ কৰিছে।

সভাপতি ডাঙৰীয়া, আজি বিভিন্ন সময়ত বিৰোধী বিধায়ক সকলে কৰ্তন প্ৰস্তাৱকে আদি কৰি কিছু সমালোচনা আনিছে, মই চৰকাৰখনক বহু ক্ষেত্ৰত ভাল পাইছোঁ, কিন্তু এটা ক্ষেত্ৰত অলপ আক্ষেপও থাকি গৈছে। এই কাৰণে আক্ষেপ থাকি গৈছে আমি যেতিয়া প্ৰথম বাৰ বিধায়ক হৈছিলো **২০১১ - ১২** চনত, তেতিয়া মই এজন বিৰোধী দলৰ সদস্য। সেই সময়ত বহু কাকুতি মিনতি কৰাৰ পিছত মোক এটা বছৰৰ কাৰণে Annual Plan ৰ অন্তৰ্গত মাত্ৰ এটা পকীপথৰ অনুমোদন দিছিলে **৫০** লাখ টকাৰ। আৰু মোৰ সন্মুখতে একে লগে শাসকীয় দলৰ বিধায়কক জাপ কৰি তাত **১৪** খন মান A letter issue কৰিছিলে। মোৰ সন্মুখত Engineer ক এখন A letter দিলে। মই তেতিয়া ভাৱিছিলো যে যি নওঁক বিৰোধী বিধায়কক এটা পথ হলেওঁ দিছে, তাত মই আপত্তি কৰিবলৈ একো নাই। কিন্তু মোৰ আক্ষেপ এই চৰকাৰখনৰ প্ৰতি যে আমি সেই সময়ত বিৰোধী বিধায়ক থাকোতে এটা ৰাস্তা পাইছিলো। আৰু এইবাৰ এই চৰকাৰ খনে এটা নীতি লৈছে যে 'সবকা সাথ সবকা বিকাশ'। মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই কৈছে সবকা সাথ সবকা বিকাশ আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে বৰাক, ব্ৰহ্মপুত্ৰ, পাহাৰ ভৈয়াম বিভিন্ন জাতি -জনগোষ্ঠিক একত্ৰিত কৰি সমানে উন্নয়ন হ'ব লাগে। এই সম উন্নয়নৰ বাবেহে মোৰ সমষ্টিৰ তুলনাত বিৰোধী বিধায়কৰ সমষ্টিৰ ৰাস্তা-ঘাট বেছি হৈছে। গড়কাপ্তানী বিভাগৰ অভিযন্তাক মই সুধিছিলো যে মোৰ সমষ্টিত এ.আৰ.এফত কিমান টকা পাইছো? আজি ইয়াত মন্ত্ৰী মহোদয়, বিভাগীয় বিষয়াসকল, বৰপেটা জিলাৰ বহুকেইজন বিধায়ক ইয়াতে আছে, শ্বেৰমান আলি ডাঙৰীয়াও আছে। বৰপেটা জিলাৰ গড়কাপ্তানী বিভাগৰ কাৰ্য্যবাহী অভিযন্তাক সুধিলে গম পাব মোৰ সমষ্টিত কম কাম হৈছে। যদিও মই শাসকীয় দলৰ বিধায়ক তথা দলটোৰ সভাপতিৰ দায়িত্বত আছোঁ, মই আপত্তি কৰা নাই। চৰকাৰৰ নীতি মতে যি ঠাইত ইতিমধ্যে কাম হোৱা নাই, তাত কাম হ'ব লাগে সেইটোত মই ভালেই পাইছো। কাৰণ তেলীৰ মূৰত তেল দি লাভ নাই। মাজে-মাজে আমাৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য্য ডাঙৰীয়াই কয় যে মোৰ সমষ্টিত কাম কম পাইছো। সভাপতি মহোদয়, তেখেতৰ সমষ্টিটো গুৱাহাটী মহানগৰৰ মাজত, সেইবাবে কাম কম হৈছে। নগৰ এলেকাৰ বিপৰীতে গ্ৰাম্যাঞ্চলত স্বাভৱিকতে কাম বেছি কৰিব লাগিব। গতিকে আমি তেলীৰ মূৰত তেল নিদি, য'ত তেল নাই তাত তেল দিয়াৰ ব্যৱস্থা কৰিলে স্বাভাৱিকতে ভাল হ'ব। বাঘবৰ সমষ্টিত মোৰ সমষ্টিতকৈ বেছি পথৰ কাম হৈছে। সভাপতি মহোদয়, ২০১১-১২ চনত যেতিয়া মই প্ৰথমবাৰ বিধায়ক হৈছিলো নতুন বিধায়ক হিচাপে পঞ্চাশ লাখ টকা পাইছিলো কিন্তু এতিয়া নতুন বিধায়কে যোৱা বিত্তীয় বৰ্ষত পাঁচৰ পৰা সাত

কোটিলৈ পাইছে। আমি শাসকীয় বিধায়ক সকলে যি ধৰণে পাইছো, বিৰোধী বিধায়কেও একে ধৰণে পাইছে। এ.আৰ.এফৰ ইতিমধ্যে ১৬০০ কিলোমিটাৰ সম্পূৰ্ণ হৈছে। আমি সকলোৱে জানো যে, অসমৰ মানুহে যুক্তিক প্ৰাধান্য নিদি, আবেগক প্ৰাধান্য দিয়ে, সেইবাবেই আমি কেতিয়াবা কেতিয়াবা সংবাদ মাধ্যমত কিছুমান দৃশ্য দেখা পাও আৰু সেই দৃশ্য দেখি আমাৰ সাধাৰণ গাঁৱৰ মানুহ বিলাকে ভাবে যে, কাম হোৱা নাই। তেওঁলোকৰ সম্মুখত আচল তথ্য প্ৰকাশ কৰা নহয়। তেওঁলোকৰ সন্মুখত প্ৰকাশ কৰা হয় -- এটা পথেৰে বাছ নাইবা ট্ৰাক এখন গৈ আছে আৰু পথৰ কাষেৰে ছোৱালী এজনীৰ সৈতে মাক গৈ আছিল। তেতিয়া বাছ নাইবা ট্ৰাকখন কাষেৰে যাওঁতে পথৰ গাতত থকা পানীৰ বাবে অলপ বোকা চিটিকি আহি ছোৱালীজনী আৰু মাকৰ গাত পৰিল। এইখিনি বাতৰি কাকত বা সংবাদ মাধ্যমত দেখুৱাই কোৱা হয় যে এয়াই হৈছে পৰিবৰ্তনৰ নমূনা। সভাপতি মহোদয়, পথৰ গাতত থকা পানী কেতিয়াবা চিটিকি গাত পৰিব পাৰে, সেইটো ডাঙৰ কথা নহয়। সেইটো দৃশ্য এনেকুৱা দৃশ্য হ'ব নালাগে যে, সমগ্ৰ অসমৰ দৃশ্য এইটো। অন্য ঠাইৰ মানুহে এইবিলাক দেখি হাহে। উত্তৰ প্ৰদেশৰ এজন মানুহ লগত মই টিভি চাই থাকোতে দেখিলো বাছখন যাওঁতে গাতৰ পৰা পানী চিটিকি পৰিল আৰু তাত লিখিছে পৰিবৰ্তন নমুনা এইয়া। উত্তৰ প্ৰদেশৰ মানুহজনে মোক সুধিলে, "ভাই চাহাব কিয়্যা হ্যেয়?" আমাৰ অসমত ২৭ হাজাৰ পকী পথ আছে আৰু এই পথৰ মাজৰ এটা পথৰ গাতৰ পানী চিটিকি পৰা দেখুৱাই মানুহক বুজাই দিয়া হয় যে কাম হোৱা নাই। মই পোৱা তালিকা অনুসৰি বিভাগে এ.আৰ.এফৰ সকলো কাম ইতিমধ্যে শেষ কৰিছে। ইতিমধ্যে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে যি উৰণীয়া সেতু নিৰ্মাণ কৰিছে, সেইটো তেওঁলোকে কৰিছেই তাৰোপৰি ৰেল মন্ত্ৰালয়ৰ লগত অসম চৰকাৰে যোগাযোগ কৰি দহখন উৰণীয়া সেতুৰ ব্যৱস্থা কৰিছে। এই দহখন নতুন উৰণীয়া সেঁতুৰ বাবে মুঠ ধনৰ অসম চৰকাৰৰ ফালৰ পঞ্চাশ শতাংশ আৰু কেন্দ্ৰীয় চৰকাৰৰ পঞ্চাশ শতাংশ ধাৰ্য্য কৰা হৈছে। ইতিমধ্যে হোজাই আদি স্থানত ইয়াৰ কাম আৰম্ভ হৈছে। মোৰ সমষ্টিৰ বৰপেটা ৰোডৰ R O B এ খন নিৰ্মাণৰ বাবে বিগত পাঁচ বছৰে কাকুতি-মিনতি কৰাৰ পিছতো হোৱা নাছিল। আজি সেই R O B খন মাননীয় মোডী ডাঙৰীয়াই শাসনভাৰ লোৱাৰ পিছত আৰু আমি ৰাজ্য চৰকাৰৰ দায়িত্ব লোৱাৰ পিচত কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি ড'নাৰ মিনিষ্ট্ৰীৰ তৰফৰ পৰা ৩৬ কোটি অনুমোদন পোৱাই নহয়, ইতিমধ্যে নিবিদা প্ৰক্ৰিয়াও আৰম্ভ হৈছে। এইবোৰ কথা মানুহে নাজানে। এই কথা বিলাক আমি বিধান সভাত কওঁ আৰু বিধান সভাত কোৱাৰ পিছত যদি সবিস্তাৰে প্ৰকাশ হয় তেতিয়াহে ৰাইজে জানিব। Annual plan ৰ কাম ইতিমধ্যে হৈ আছে। প্ৰতিজন বিধায়কে শাসকেই হওক বা বিৰোধীয়ে হওঁক সকলোৰে সমষ্টিৰ ৰাস্তা-ঘাট এই planত ধৰা হৈছে, আঁচনিসমূহ অনুমোদনো দিয়া হৈছে। সভাপতি মহোদয়, বৰ্তমান আমাৰ চৰকাৰে আঠখন দলঙৰ সংলগ্ন ১৩ টা ৰাজ্যিক ঘাইপথ প্ৰায় ৯৩৯ কিলোমিটাৰ পথ ৰাষ্ট্ৰীয় ঘাইপথলৈ ৰূপান্তৰ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। মাননীয় মুখ্যমন্ত্ৰীৰ নিৰ্দেশত গড়কাপ্তানী বিভাগে ৩১ টা পথ ৰূপান্তৰৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটী বাইপাচ fourlane ৰ পৰা sixlane ৰ ব্যৱস্থা কৰা হৈছে। এটা সময়ত অসমত দলঙৰ বাবে আন্দোলন কৰিব লগা হৈছিল। কিন্তু আজি আমাৰ চৰকাৰৰ আহ্বানত কেন্দ্ৰীয় চৰকাৰে ধুবুৰীৰ পৰা ফুলঘাট আৰু গহপুৰৰ পৰা নুমলীগড়লৈ দুখন দলং নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটীখন উত্তৰ গুৱাহাটীলৈ সম্প্ৰসাৰণ কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰি আছে। সামগ্ৰিক ভাৱে এই চৰকাৰখনে বিশেষকৈ পথ আৰু দলঙৰ ক্ষেত্ৰত এক বিশেষ সফলতা লাভ কৰিছে বুলি মই ভাবো। সেইকাৰণে মই দাবী মঞ্জুৰীটোৰ ওপৰত যিসকলে কৰ্তন প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰাৰ লগতে বিভাগে

যিখিনি মঞ্জুৰী বিচাৰিছে সেইখিনি দিয়া হওঁক। যিহেতু আমাৰ ২৭ হাজাৰ পকী পথ আছে, গতিকে সমস্যা থাকিবই , এইটো স্বাভাৱিক কথা। ভাৰত স্বাধীন হোৱাৰ পিছত ইমান দিনে এই সমস্যাটো সমাধান কৰিব নোৱাৰিলে। গতিকে বৰ্তমানৰ চৰকাৰখনে ইমান কম সময়ত কেনেকৈ গোটেই সমস্যা সমাধান কৰিব ? পৰিবৰ্তনে ইতিমধ্যে গতি লৈছে। আজি ছমাহ আগলৈকে পৰিবৰ্তন বুজিব নোৱাৰা বিষয় এটা আছিল, কিন্তু এতিয়া পৰিবৰ্তন ৰাইজে দেখিবলৈ পাইছে। বাস্তৱত পৰিবৰ্তন কি ? আগন্তুক এবছৰ বা দুবছৰত ৰাইজে দেখিবলৈ পাব। গতিকে আমি ধৈৰ্য্য ধৰিব লাগিব। এটা দুবছৰীয়া শিশুক যদি আমি কওঁ যে, তুমি এ.বি.চি.ডি কোৱা ? অ.আ কোৱা ? একৰ পৰা এশলৈ কোৱা ? তেতিয়া হ'লে শিশুটোৰ ওপৰত অত্যাধিক হেঁচা প্ৰয়োগ কৰা হ'ব। যিদৰে এটা শিশু লাহে লাহে ডাঙৰ হয়, পৰিপক্ক হয়, ঠিক তেনেদৰে আমাৰ চৰকাৰখনেও কাম-কাজ কৰি আছে। সেইকাৰণে চৰকাৰখনৰ ওপৰত বেছি হেঁচা প্ৰয়োগ নকৰি কাম কৰাৰ সুবিধা প্ৰদান কৰিব লাগে। তেতিয়া আজি আমি যিটো পৰিবৰ্তনৰ ৰূপ দেখিছো আগন্তুক দিনত আৰু অধিক ৰূপত পৰিৰৰ্তন দেখিবলৈ পাম। সেইকাৰণে আমি শাসক-বিৰোধী সকলো বিধায়কে এইবিলাক কথা ৰাইজক ক'ব লাগিব। ৰাইজে অধিক আশা-আকাংক্ষাৰে চৰকাৰখন পাতি দিছে আৰু যাৰ ওপৰত অধিক আশা থাকে, বিশ্বাস থাকে তাৰ পৰা সোনকালে কাম হোৱাটো সকলোৰেই বিচাৰে। বাৰিষাৰ সময়ত কাম বন্ধ কৰা সম্পৰ্কত সুধিবলৈ কিছুদিন আগতে গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ক লগ কৰিছিলো। সভাপতি মহোদয়, কামৰ নিবিদা হৈছে, এগ্ৰিমেন্ট ঠিকাদাৰৰ লগত হৈ গৈছে যে কাম বন্ধ ৰাখিব, তেতিয়া মন্ত্ৰী ডাঙৰীয়াই কৈছে মই এই বিষয়ে একো নাজানো, আপোনালোকে মুখ্যমন্ত্ৰী ডাঙৰীয়াক কওঁক। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কাম বন্ধ ৰাখিব দিছে, আমি কেইজন মান বিধায়কে মুখ্যমন্ত্ৰীৰ লগ ধৰি ক'লো যে আপোনাৰ ওচৰলৈ এটা অভিযোগ লৈ আহিছো। আমাৰ গড়কাপ্তানী বিভাগৰ মন্ত্ৰীয়ে কাম বিলাক বন্ধ ৰাখিবলৈ দিছে। এই বিষয়ত আপুনি কি ক'ব ? তেতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াই কলে যে কাম এই কাৰণে বন্ধ ৰাখিব দিছো,যে এতিয়া বাৰিষাৰ বতৰ , বাৰিষাৰ সময়ত যদি আপোনালোকে কামটো কৰে, কামৰ মানদণ্ড বেয়া হ'ব আৰু ৬মাহ বা এক বছৰ দিন পিছতে বেয়া হব, তেতিয়া আপোনলোকক সমালোচনা কৰিব। গতিকে বাৰিষা যোৱাৰ পিছত আপোনালোকে চেপ্তেম্বৰ, অক্টোবৰ, নম্বেৰৰ আৰু ডিচেম্বৰত কামখিনি আৰম্ভ কৰক,তেতিয়া তাৰ কামৰ গতিটো ভাল হ'ব লগতে মানদণ্ডও উন্নত হ'ব। সেই কাৰণে আচলতে এই ২মাহ মান কাম বন্ধ কৰিব দিছো। এইটো ভাল কথা। আমি নুবুজাকৈ কৈ আছো, বহু মানুহে নুবুজাকৈ ৰাস্তা ঘাটৰ কাম-কাজ আৰম্ভ হোৱা নাই বুলি সমালোচনা কৰে । যিহেতু ১মাহ প্ৰায় বাৰিষা থাকিব গতিকে ইমান বছৰে যিহেতু আপোনালোকৰ সমস্যাটো সমাধান কৰা নাই, আৰু যদি ২ মাহ দেৰি হয়, তেতিয়া আপোনালোকক ৰাইজে বেয়া নাপাব। বাৰিষা শেষ হ'ল এতিয়া আমাৰ সমষ্টিত কামবোৰ আৰম্ভ কৰিছো আৰু এই কামবোৰ এতিয়া আমি দেখিছো বাৰিষাৰ সময়ত কৰা কামতকৈ যথেষ্ট ভাল হৈছে। ইয়াৰ মাজত দুই এটা অভিযোগ আছে, যেনেকে আজিকালি HDPC কৰা বুলি কয়, আজিকালি যিটো Bituminous pitch কৰি দিয়ে, এই ক্ষেত্ৰত দুই এঠাইত কি হৈছে, যে বহু দূৰৰ পৰা সামগ্ৰীখিনি কঢ়িয়াই আনিছিল। তেনেদৰে আনোতে ঠাণ্ডা হ'ল, যাৰ ফলত তাৰ ওপৰত Roller মৰাৰ এদিন পিছতে মাজনিশা যেতিয়া তাৰ ওপৰত ট্ৰাক চলিছে, বেয়া হৈ গৈছে, কিন্তু সেইটো আমি লগে লগে ঠিকাদাৰ আৰু ইঞ্জিনিয়াৰক অভিযোগ কৰিছো আৰু সেইমতে লগে লগে ব্যৱস্থা কৰা হৈছে। কিবা কাৰণত যদি HDPC আনোতে ঠাণ্ডা হৈ গ'ল আৰু immediately হয়তো ঢালিব পৰা নাই, সেই কথাটো আজি সংবাদ মাধ্যমত এনেকে প্ৰচাৰ হৈছে যে গড়কাপ্তানী বিভাগৰ কামৰ নমুনা চপৰাকৈ

খহি পৰিছে পথ, যোৱা তিনিদিন আগতে নিৰ্মাণ হৈছিল কিন্তু চপৰা চপৰীকৈ কিয় খহি পৰিলে সেই কথাটো কিন্তু বিস্তাৰিত ভাৱে আমাৰ ৰাইজে নাজানে, আমি যেতিয়া এই বিষয় লৈ তদন্ত কৰিলো, আমি দেখিলো যে হয়, প্ৰায় ১০০টা ৰাস্তাৰ ভিতৰত হয় কোনোবা এটা ৰাষ্টাৰ পাৰ্টিকুলাৰ Portion এটাত হৈছে আৰু গম পালো যে ট্ৰাক চালকজনে HDPC সামগ্ৰীখিনি লৈ আহোতে , কৰ'বাত যদি চাহ ভাত খাবলৈ গাড়ীখন ৰাখিহে স্বাভাবিকতে ১ঘণ্টাৰ ভিতৰত বস্তুখিনি ঠাণ্ডা হৈ গলে তাৰ Compression টো নাথাকে। এনেকুৱা দুই এটা অভিযোগ আছে, কিন্তু সেইটো অভিযোগৰ অৰ্থ এইটো নহয়, যে সামগ্ৰিক ভাৱে অসমৰ গড়কাপ্তানী বিভাগৰ কাম বেয়া হৈছে। গতিকে ভাল কামৰ স্বীকৃতি দিলে সকলো উৎসাহিত হয়, বিভাগৰ যি সকল Engineer আছে, তেওঁলোকে দেহে-কেহে কাম কৰি আছে আৰু এই কেইদিন অতিৰিক্ত কাম কৰিব লাগিব, কাৰণ বাৰিষাৰ সময়ত যিহেতু কাম বেয়া হৈ আছিল, গতিকে তেওঁলোকক আমি মানসিক ভাৱে উৎসাহিত কৰা উচিত তাৰ কাৰণে বিৰোধী বিধায়ক সকলক মই আহ্বান জনাইছো। যি তেওঁলোকে কৰ্ত্তন প্ৰস্তাৱ আনিছে, সেই কৰ্ত্তন প্ৰস্তাৱ তেওঁলোকে উঠাই লৈ আগন্তুক দিনত চৰকাৰখনৰ লগত যাতে এই ক্ষেত্ৰত সহায়-সহযোগ কৰে। আজি যদি আপোনালোকে এই কৰ্ত্তন প্ৰস্তাৱটো দাখিল নকৰাকৈ যদি কলে হেঁতেন যে এইটোৰ প্ৰয়োজন আছে, এই টকাটো মঞ্জুৰী দিয়ক, তেতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াক আমি ক'লোহেঁতেন আপুনি ঠিক কথাই কৈছে সৰকা সাথ্ সৰকা বিকাশ। পৰিমল শুক্লবৈদ্য ডাঙৰীয়াই কয় সৰকা সাথ্ সৰকা বিকাশ। যদি এইটোৱে হয়, আপোনালোকে এই কৰ্ত্তন প্ৰস্তাৱ আনিবই নালাগিছিল। ইয়াৰ Thinking ত কিবা তাৰতম্য আছে নেকি? আপোনালোকে যিটো ভাবিছে, বা তেওঁলোকে যিটো ভাবিছে বা কৰিছে, তাত তাৰতাম্য আছে নেকি? মই ভাবো আপোনালোকে যদি কৰ্ত্তন প্ৰস্তাৱ নানিলে হেতেনে আপোনালোকৰ যুক্তিটো শুদ্ধ হ'লহেঁতেন। আমাৰ বিধান সভাৰ Rules and Procedure মতে আমি কাম কৰিব লাগিব আৰু আমাৰ বিধান সভাত যিহেতু বিৰোধীৰ ভূমিকাক আমি সদায় শ্ৰদ্ধা জনাই আহিছোঁ। বিৰোধীয়ে সমালোচনা কৰিব লাগিব, তেতিয়াহে সংস্কাৰ হ'ব। তথাপি মই তেওঁলোকক আগন্তুক দিনত সামগ্ৰিক ভাৱে আমাৰ চৰকাৰ খনৰ কাৰণে গঠন মূলক সমলোচনা আগবঢ়াবলৈ অনুৰোধ কৰিছো। আজি আমাৰ শ্বেৰমান আলী ডাঙৰীয়া নাই, আমি নিজে আক্ষেপ কৰিছো, CRF Fund আমাৰ মন্ত্ৰী ডাঙৰীয়াই দিছে, কিন্তু সভাপতি ডাঙৰীয়া বৰপেটা জিলাত এতিয়াও CRF Fund দিয়া নাই। এতিয়া শুনিছো এই CRF Fund ৰ ঠাইত নতুন কিবা Economic Zone ৰ ব্যৱস্থা হ'ব। তাত আমাৰ ইতিমধ্যে বাঘবৰ সমষ্টি ,সৰভোগ সমষ্টিৰ যিখিনি Left out আছিলে , সেইখিনি ধৰিব বুলি মই শুনিছো। বিশেষকৈ যি সমূহ অঞ্চল Develop হোৱা নাই সেই অঞ্চলৰ যিমানখিনি কাম তেওঁলোকে কৰিছে, তাৰ কাৰণে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো আৰু আপোনালোকক আহ্বান জনাইছো যে আপোনালোকে এই কৰ্ত্তন প্ৰস্তাৱ পৰিহাৰ কৰি চৰকাৰখন আগবাঢ়াই নিয়াৰ ক্ষেত্ৰত মনোবল বৃদ্ধি কৰাত সহায় কৰে তাৰ কাৰণে মই আহ্বান জনাইছো। সভাপতি ডাঙৰীয়াক ধন্যবাদ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো । ধন্যবাদ।

**সভাপতি** ঃ ইয়াৰ পিছত মই মাননীয় সদস্য শ্ৰী ভৰেন্দ্ৰ নাথ ভড়ালী ডাঙৰীয়াক কবলৈ অনুৰোধ জনাইছোঁ।

**শ্ৰী ভৰেন্দ্ৰ নাথ ভড়ালী** (মাননীয় সদস্য, দেৰগাও) ঃ মাননীয় সভাপতি মহোদয়, আজি আমাৰ গড়কাপ্তানী মন্ত্ৰী মহোদয়ে যি পৰিপূৰক দাবী মঞ্জুৰী উত্থাপন কৰিছে, আমি সেই দাবী মঞ্জুৰী গ্ৰহণ কৰিবৰ সপক্ষে মই ক'ব বিচাৰিছো কৰ্ত্তন প্ৰস্তাৱৰ বিৰুদ্ধে মই কব বিচাৰিছো যে অসমৰ আচলতে

যিমান বাট পথ আছে, আটাইখিনিয়ে বৰ্তমান পৰ্য্যায়ত সুচল নহয়, বিশেষকৈ 'প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনা'ৰ অধীনত যিবোৰ ৰাষ্টা নিৰ্মাণ কৰা হৈছিল, আমি জানো যে এই প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনাত নিৰ্মাণ কৰা ৰাস্তাসমূহৰ মেৰামতিৰ কাৰণেপাঁচ বছৰৰ বাবে সেই একেজন ঠিকাদাৰৰ হাতত দায়িত্ব থাকে। বিভাগীয় বিষয়া জনে নিৰ্দেশ দিয়াৰ পিছতো সেই পথ সমূহ ঠিক কৰা নহ'ল। যাৰ ফলত শ্ৰীমন্ত শংকৰ দেৱ সংঘৰ অধিবেশনত ভকত সকলে, বৈষ্ণৱ সকলে ক'বলৈ বাধ্য হ'ল, যে ৰাস্তাবোৰ ইমান বেয়া হৈ আছে। এতিয়া প্ৰশ্ন হ'ল ইয়াৰ দায়িত্ব কাৰ? প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ ৰাস্তা নিৰ্মাণ কৰাৰ পিছত পাঁচ বছৰলৈ ঠিকাদাৰ জনৰ দায়িত্বত থাকে। কিন্তু, বিভাগীয় বিষয়া সকলে কোৱাৰ পিছতো তেওঁলোকে কাম নকৰে। সভাপতি মহোদয়, মোৰ সমষ্টি ডেৰগাওঁৰ এটা ৰাস্তা 30 Bedded Hospital Road Pandit Hemchandra Goswami পথ, সেই পথটোৰ আটাইতকৈ ডাঙৰ কথা হ'ল যে গোলাঘাট Sub-Division ৰ Under ত সেই ৰাস্তাটো হ'ব লাগে, কিন্তু সেই ৰাস্তাটো হ'ল গৈ সৰু পথাৰ Division ৰ Under ত। যাৰ ফলত Engineer ক ফোন কৰিলে কয়, ঠিকাদাৰ ডিব্ৰুগড়ৰ, বাকীবোৰ ডিব্ৰুগড়ৰৰ। এতিয়া সেই ৰাস্তাটোৰ অৱস্থা বহুত বেয়া। পাঁচ বছৰ মেৰামতিৰ কাৰ্য্যকাল সেই ৰাষ্টাটোৰ আছে, কিন্তু এতিয়াও সেই ৰাস্তাটোৰ কোনো উন্নতি হোৱা নাই। ফলত ৰাইজে তাত জীয়াতু ভুগিছে। সেই ৰাষ্টাটোৰে বেমাৰী নিবলৈ হ'লে যথেষ্ট কষ্ট হয়, অটোত নিব লগা হয় আৰু তেতিয়া এই ভঙা ৰাস্তাটাৰে যোৱাত বৰ অসুবিধা হয়। প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ অধীনত এই ৰাষ্টাটোৰ সম্পৰ্কত এবাৰ আমাৰ বিভাগীয় মন্ত্ৰী, বিভাগীয় বিষয়া সকলৰ সৈতে যোৰহাটলৈ গৈছিল তেতিয়াও মই এই কথাটো মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছিলো। ইতিমধ্যে মন্ত্ৰী মহোদয়ে সেই সম্পৰ্কত ব্যৱস্থাও লৈছিল কিন্তু ঠিকাদাৰ জন কাম কৰিবলৈ নাহিল, ফলত মাজতে এবাৰ আহিল আলকাট্‌ৰা নিদিয়াকে শিলগুটি কেইটামান চটিয়াই গুচি গ'ল। গাড়ী অহা যোৱা কৰোতে আকৌ শিলবোৰ নোহোৱা হ'ল। এই ব্যৱস্থাটো আমাৰ গড়কাপ্তানী বিভাগৰ ফালৰ পৰা মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো, যাতে কাম বিলাক ৰাইজৰ উপকাৰৰ কাৰণে হয়। কাৰণ ৰাইজৰ উপকাৰৰ বাবেহে কামবোৰ কৰা হয়, ঠিকাদাৰ জনৰ স্বাৰ্থটো ইয়াত গৌণ হ'ব লাগে। কিন্তু কি কথা মই নাজানো সেই ঠিকাদাৰ জনে বিভাগক উপেক্ষা কৰি কামবিলাক তেনেধৰণে কৰি আছে, কোন ঠিকাদাৰ মই নাজানো। কিন্তু বিভাগে এই সম্পৰ্কত আৰু ধনশিৰি Division ত এই সম্পৰ্কত ব্যৱস্থা লব বুলি মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। দ্বিতীয়তে, এটা কথা মোৰ ডেৰগাওঁ সমষ্টিৰে 'সৃষ্টিকা পথ' প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনাত নিৰ্মাণ কৰা, এই পথটোত যোৱা বানপানীত ধ্বংস হ'ল আৰু এখন দলঙৰ দুয়োমূৰ চিঙি গ'ল। দুয়োমূৰ চিঙি যোৱাৰ পিছত সেই দলং খন নিৰ্মাণ কৰিবৰ কাৰণে বিভাগৰ বিষয়াক লিখিত ভাৱে বাৰম্বাৰ অনুৰোধ কৰিছিলো, কিন্তু বিভাগে ঠিকাদাৰ জনৰ দোহাই দি সেই ৰাষ্টাটো এতিয়াও নিৰ্মাণ কৰা নাই। দলং খনৰ দুয়োমূৰ চিঙি যোৱাৰ কাৰণে এতিয়া মানুহে কৈছে যে এইখন ওলোমা দলং। এতিয়া যাবও নোৱাৰে। খৰালি দিনত তলেৰে গৈ আছে অসুবিধা নাই, কিন্তু বাৰিষা অহাৰ লগে লগে সেই ৰাস্তাটো আকৌ বন্ধ হৈ যাব। গতিকে সৃষ্টিকা নামৰ ঠাইত এই ব্যৱস্থাটো বিশেষভাৱে প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ পথ বিলাকত এই মেৰামতিৰ যিটো ব্যৱস্থা সেই ব্যৱস্থাটো আচলতে আমাৰ বিভাগে ভাল ধৰণে কৰিব লাগে বুলি মই ভাবো আৰু এই সম্পৰ্কত মাননীয় মন্ত্ৰী মহোদয়ক মই আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো যাতে পৰৱৰ্ত্তী পৰ্যায়ত বিশেষকৈ আমাৰ চৰকাৰৰ দিনত যাতে এইটো হেমাহি নহয় তাৰ বাবে ব্যৱস্থা ল'ব লাগে। তৃতীয়তে, আমাৰ প্ৰায় ব্ৰহ্মপুত্ৰৰ কাষতে আমাৰ সমষ্টিবিলাক। বানপানীত ক্ষতিগ্ৰস্থ হোৱাৰ পিছত ৰাইজৰ নাজল-

নাথল অৱস্থা হয় পথ বিলাকৰ সম্পৰ্কত। মই ইতিমধ্যে কেইবাবাৰো বিভাগীয় বিষয়াৰ লগত আলোচনাও কৰিছো আৰু মন্ত্ৰী মহোদয়কো অৱগত কৰিছো। প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ ৰাস্তা নহয় যদিও মই কব বিচাৰিছো মোৰ ঢেকৰগুহা আলি সেই ৰাষ্টাটোত এখন দলং বানপানীৰ সময়ত ভূগদৈ নদীৰ মথাউৰী যোৱাবাৰ ছিঙি যোৱাৰ বাবে সেই দলং খনৰ ওপৰেদি পানী বৈ যোৱাৰ কাৰণে দলংখনৰ এটা কাষ বহি গ'ল, তাৰ ফলত সেইফালেদি ডাঙৰ গাড়ী যাতায়াত কৰিব নোৱাৰে, মটৰ চাইকেল, স্কুটাৰেৰে বা চাইকেলেৰে আমি যাওঁ। এই সম্পৰ্কত বিভাগীয় মন্ত্ৰী মহোদয়ে যোৰহাটত যাওঁতে আমি কৈছিলো যে ৰাষ্টাটোৰ দলং খন এই দুইশ দলঙৰ নিৰ্মাণৰ ভিতৰতে অন্তৰ্ভূক্ত কৰি আমাক নিৰ্মাণ কৰি দিব লাগে। তাৰবাবে মই নিজাববীয়াকৈ বিভাগৰ পৰা Estimate আদি আনি Chief Engineer ৰ কাৰ্য্যালয়ত জমা দিলো। এতিয়াও হোৱা নাই। কিন্তু সেই অঞ্চলৰ এটা কথা সভাপতি মহোদয় মই কবই লাগিব, যে যোৰহাট বজাৰৰ যিমান শাক-পাচলি আছে সেই শাক-পাচলিখিনি সেই ৰাষ্টাৰে আহে অৰ্থাৎ মোৰ এই উত্তৰ পশ্চিম যোৰহাট সেই অঞ্চলটো যোৰহাটৰ এক কৃষি প্ৰধান অঞ্চল, সেই অঞ্চলটোত যিমান শাক-পাচলি হয়, যোৰহাটৰ বজাৰ আৰু শিৱসাগৰ বজাৰ সেই শাক-পাচলিৰে চলি যায়। গতিকে মই সেই ৰাস্তাটোৰে শাক-পাচলি অনাৰ ক্ষেত্ৰত বা যাতায়াতৰ ক্ষেত্ৰত অতি অসুবিধা হৈছে। মই আশা কৰিছো আৰু মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো এইকেইটাৰ সম্পৰ্কত। ঢেকৰ গুহাৰ মালৌখাট ৰ দলং খন সোনকালে মেৰামতি কৰাৰ ব্যৱস্থা কৰিব লাগে। এই ক্ষেত্ৰত যোৱাকালি এটা ঘটনা হ'ল মই অকমান ক'ব বিচাৰিছো যে কি দুৰ্ভাগ্য যোৱাকালি মোৰ সমষ্টিৰ সেই ঢেকৰ গুহাৰ দলং খনৰ কাষতে এটা নাহৰ ফুটুকী বাঘ ওলাল, প্ৰায় ৯ জন মানুহক আঘাট কৰিলে, সেই দলং খনৰ কাষেৰে যাব লাগে নৈ ওপৰেদি। বাঘ যেতিয়া আহিছে চোতালত থকা মানুহকো কামুৰিব ধৰিছে, এটা সৰু লৰা হাজৰিকা, মই নামটো নকওঁ, দলঙৰে যিহেতু যাব নোৱাৰে তেওঁ পানীয়েদি নামি যাওঁতে তেওঁক বাঘটোৱে ধৰিলে আৰু তেওঁৰ সোঁফালৰ বুকুৰ অংশটোত আক্ৰমণ কৰিলে। যদি দলং খন ঠিকে থাকিলে হয় তেতিয়াহলে নিশ্চিত ভাৱে লৰাটোৱে দৌৰি পলাবলৈ সুবিধা পালেহেঁতেন। এই কাকতালীয় ভাৱে সেই সময়ত সেই ঘটনাটো হ'ল আৰু আজিও এই পবিত্ৰ সদনত কথাটো কবলৈ পালো ভাল হ'ল। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে ঢেকৰ গুহাৰ সেই মালৌখাট দলং খন, ইতিমধ্যে Estimate আদি সকলোখিনি দিয়া হৈছে, গতিকে অকণমান মেৰামতি কৰি দিয়াটো ভাল হব বুলি ভাৱিছো আৰু দ্বিতীয়তে মোৰ ওচৰতে আমাৰ অধ্যক্ষ মহোদয়ৰ সমষ্টি। অধ্যক্ষ মহোদয় মোৰ সমষ্টিটো ৫ টা সমষ্টিৰ ওচাৰাওচৰি। অধ্যক্ষ মহোদয়ৰ সমষ্টি, মোৰ সমষ্টি আৰু আমাৰ মাননীয় প্ৰাক্তন মুখ্যমন্ত্ৰীৰ সমষ্টি তিনিওটা আমাৰ লগা লগি। এতিয়া ঘটনা হ'ল যোৰহাট নগৰৰ বাট-পথ বোৰ অলপ বনাইছে এটা Special Package ত। কিন্তু গ্ৰাম্য অঞ্চলৰ যিখিনি ৰাষ্টা, 'প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনা'ত যোৰহাটৰ ৫ টা ৰাস্তাৰ এতিয়ালৈকে টেণ্ডাৰ হোৱা নাই। আমি শুনিবলৈ পাইছো, হয়নে নহয় মই নাজানো প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ ৰাস্তা বিলাকত ঠিকাদাৰে টেণ্ডাৰ মাৰিব নোখোজে। কাৰণ তাত এক ধৰণৰ পুঁজিৰ এক অংশ ৰাখি থয়, মেৰামতিৰ বাবে পাঁচ বছৰ পিছতহে সেই ধনৰাশি মোকলাই দিয়ে। গতিকে ঠিকাদাৰ সকলে প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ ৰাস্তাৰ টেণ্ডাৰ মাৰিব নোখোজে, মোৰ সমষ্টিতে প্ৰায় ১৮ টা ৰাস্তাৰ প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনাত অনুমোদন পাইছে, কিন্তু এতিয়ালৈকে আমি ৪ টা হে আৰম্ভ কৰিছো। বাকী ১৪ টা ৰাস্তা আমি আৰম্ভ কৰিব পৰা নাই। অৰ্থাৎ মুখ্য অভিযন্তাৰ লগত কথা পাতিছিলো, তেতিয়া মুখ্য অভিযন্তাই কলে যে ঠিকাদাৰে টেণ্ডাৰ মৰা নাই, এতিয়া কি কৰিম। অৰ্থাৎ প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ

ৰাস্তাৰ মেৰামতিৰ এটা Portion ৰাখি থোৱাৰ বাবে ঠিকাদাৰ সকলে কাম কৰিবলৈ আগ্ৰহী নহয়। এইটোৱে এটা আমাৰ অসুবিধাৰ সৃষ্টি কৰে। এই ক্ষেত্ৰত কিবা সৰলীকৰণ ব্যৱস্থা আছে নেকি? যিটো ব্যৱস্থাত ঠিকাদাৰৰ দায়িত্বত থাকিবই লাগিব ৰাস্তাটো, কিন্তু কিবা সৰলীকৰণ ব্যৱস্থা আছে নেকি যাৰ জৰিয়তে কাম বিলাক হৈ উঠে। কাৰণ এই মাৰ্চ, এপ্ৰিললৈকেহে কাম কৰা সময়। ইয়াৰ পিছত আকৌ বৰষুণ আহিব কাম বন্ধ হৈ যাব। গতিকে এতিয়া ফেব্ৰুৱাৰী মাহ, মাৰ্চ আৰু এপ্ৰিল দুটা মাহ আছে। এপ্ৰিলৰ শেষৰ ফালে হয়তো বৰষুণ আহিব পাৰে। যোৱাবাৰ মাৰ্চতে বৰষুণ আৰম্ভ হ'ল। এপ্ৰিলৰ শেষৰ ফালে হয়তো বৰষুণ আহিব পাৰে। যোৱাবাৰতো মাৰ্চৰ শেষতেই বৰষুণ আৰম্ভ হ'ল। গতিকে এই দুমাহৰ ভিতৰত আমি যিমানখিনি PMGSY ৰাস্তাৰ অনুমোদন পাইছো এই ৰাস্তাখিনিৰ কামবিলাক সোনকালে আৰম্ভ কৰিবৰ কাৰণে ব্যৱস্থা ল'ব লাগিব। গতিকে এই বিষয়ত মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো আৰু অকল PMGSY ৰ ৰাস্তাবোৰেই নহয় RIDF,CRF বা SOPD আদিৰ শিতান বিলাকৰ যিখিনি ৰাস্তা আছে, এই Season টোৰ ভিতৰত, এই দুই বা তিনি মাহৰ ভিতৰত কামবিলাক শেষ কৰিব লাগে। এই ক্ষেত্ৰত যোৱাবাৰ আমাৰ AIMF তদিয়া ৰাস্তা মোৰ সমষ্টি যোৰহাটত বিভাগে কাম আৰম্ভ কৰা নাই। কি কথা মই নাজানো, ইয়াত বিষয়া গৰাকীৰে অনীহা নে কি মই নাজানো বাৰে বাৰে তেওঁক অনুৰোধ কৰাৰ পিছতো এতিয়ালৈকে তিনিটা ৰাস্তাৰ কাম সম্পূৰ্ণ হোৱা নাই। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে এই ক্ষেত্ৰত এটা বিহিত ব্যৱস্থা ল'ব লাগে যোৰহাট ডিভিজনত। আজি আমি মাননীয় গড়কাপ্তানী মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো আমাৰ শাসকীয় পক্ষ আৰু বিৰোধী পক্ষ সকলোকে সমানে সমষ্টিৰ বাট-পথৰ উন্নয়ণৰ বাবে পুঁজি আবণ্টন দিয়াৰ বাবে। 'সবকা সাথ, সবকা বিকাশ' এই পদ্ধতিৰে কামখিনি কৰিলে নিশ্চিতভাৱেই আমি সমষ্টিৰ বাট-পথ বিলাকৰ উন্নয়ণ কৰিব পাৰিম, আৰু এই ২০১৭-১৮ বৰ্ষৰ ধন AIMF বা SOPD ৰ বৰ্তমানলৈকে মন্ত্ৰী মহোদয়ে অনুমোদন দিব পৰা নাই। মই আশাঁ কৰিছো অতি সোনকালেই বিধান সভা চলি থাকে াতেই এই সম্পৰ্কত আমাক বিভাগীয়ভাৱে ধনৰ অনুমোদন দিব আৰু Season টোৰ ভিতৰত যদি পইচাটোৰ অনুমোদন পোৱা যায়, তেতিয়াহলে আমি ৰাইজৰ সুবিধাৰ্থে বাট-পথ আৰু দলং আদিৰ কাম কৰিব পাৰিম। বিশেষকৈ PMGSY ৰ ৰাস্তাবিলাকৰ ক্ষেত্ৰত মই পুনৰ কৈছো, ঠিকাদাৰবিলাকৰ কাম দুৰ্বল হয়, বিভাগৰ বিষয়া সকলেও এই ক্ষেত্ৰত বিভাগৰ নিয়মৰ মাজেৰে কামখিনি কৰিব নিবিচাৰে আৰু তৃতীয়তে বৰ্তমান যিখিনি ৰাস্তাৰ অনুমোদন হৈছে এই ৰাস্তাবিলাকৰ টেণ্ডাৰ মোৰ সমষ্টিত মাত্ৰ ৪ ৰাস্তাৰ টেণ্ডাৰ হৈ গ'ল, বাকী ১৪ টাৰ নহ'ল। তাৰ বাবে আকৌ পুনৰ টেণ্ডাৰ কৰিছো। এই ঠিকাদাৰ সকলে যাতে কামবিলাক কৰোতে চৰকাৰৰ লগত সহযোগীতা কৰে আৰু ৰাইজৰ সুবিধাৰ্থে কামবিলাক কৰে। এই সম্পৰ্কত মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যে এই সম্পৰ্কত তেওঁ যেন কামবোৰ আগবঢ়াই নিয়ে। মই এই পৰিপুৰক দাবী মঞ্জুৰীৰ ওপৰত আমাৰ মন্ত্ৰী মহোদয়ে যিখিনি ধন বিচাৰিছে, বিৰোধী পক্ষই কৰা কৰ্তন প্ৰস্তাৱ উঠাই লৈ মন্ত্ৰী মহোদয়ক আৰু সক্ৰিয়ভাৱে এই পৰিপুৰক দাবীৰ ধনখিনি ব্যৱহাৰ কৰি ৰাইজৰ স্বাৰ্থত কামখিনি কৰাৰ সুবিধা দিব লাগে বুলি মঞ্জুৰীৰ সমৰ্থনত এইখিনি কৈ সামৰিছো। ধন্যবাদ।

**সভাপতি,(ৰমেন্দ্ৰ নাৰায়ণ কলিতা)ঃ** মাননীয় সদস্য শ্ৰী নজৰুল হক ডাঙৰীয়াক মই কবৰ কাৰণে অনুৰোধ জনাইছো।

**শ্ৰী নজৰুল হক,ধুবুৰী ঃ** মাননীয় সভাপতি ডাঙৰীয়া, কৰ্তন প্ৰস্তাৱৰ ওপৰত মোক কবলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। সৰভোগ সমষ্টিৰ মাননীয় বিধায়ক ৰঞ্জিত দাস ডাঙৰীয়াই

কিছুমান তথ্যভিত্তিক কথা কৈ গ'ল। ভাল কথাও কৈছে লগতে তেওঁ আক্ষেপো কৰিছে। তেখেতে কৈছে যে মই বিৰোধী দলত থাকোতে তেনেকুৱা ফাণ্ড পোৱা নাই কিন্তু বৰ্তমান আমি বিৰোধী সকলক বহুত ফাণ্ড দিছো। এটো আমি মানিছো। মোৰ সমষ্টিত যেনেকে মই গড়কাপ্তানী বিভাগৰ ১৩ কোটিৰো অধিক টকা পাইছো। যিহেতু আপোনালোকৰ চৰকাৰৰ শ্লোগান আছিলে যে, "সবকা সাথ, সবকা বিকাশ" সেইকাৰণে আপোনালোকে কাম কৰিবই লাগিব। তাৰ পিছতো কিছু তাৰতম্য ঘটিছে। তথাপিও মই আমাৰ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। মোৰ সমষ্টিত পুঁজি আবণ্টন দিয়াৰ বাবে। মোৰ সমষ্টিত ভোলানাথ মহাবিদ্যালয় পাৰ ধুবুৰী বিন্যাস থানা ৰোডৰ কাৰণে প্ৰাইভেট কনচালটেন্সিত দি ডি পি আৰ আৰু এষ্টিমেট বনাই পঠাইছিলো বিভাগীয় অনুমোদনৰ কাৰণে কিন্তু খবৰ লৈ মই গম পালো যে, আমাৰ বিৰোধী দলৰ বিধায়ক সকলক এই ফাণ্ডৰ পুঁজি মুকলি কৰি দিয়া নাই। এই ক্ষেত্ৰত মই সভাপতি ডাঙৰীয়া, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে অহা দিনত চি আৰ এফ তথা এনুৰেল প্লানত যাতে আমি টকা মঞ্জুৰী পাওঁ, তাৰ কাৰণে যাতে তেওঁ চকু দিয়ে। মই কৰ্তন প্ৰস্তাৱৰ সমৰ্থন জনাই ক'ব বিচাৰিছো যে, ২০১৪-১৫ চনত প্ৰথমতে অসমত বৰ্তমান Black toped ৰাস্তাৰ দৈৰ্ঘ্য ২৩৮৪৮ কি: মি আৰু Earthen/gravel ৰাস্তাৰ দৈৰ্ঘ্য ২০,৯১৪ কি: মি। সৰ্বমুঠ ৪৪৮৬২ কি: মি আছিল। তাৰে ভিতৰত ২০১৭-১৮ চনৰ ৩১ মাৰ্চলৈকে বৰ্তমান চৰকাৰে ৪৭২৫ কি: মি পথৰ কাম কৰিলে আৰু বাকী থাকিল ১৬,১৮৯ কি: মি পথৰ কাম। দ্বিতীয়তে ২০১৫-১৬ চনৰ তথ্য মতে অসমত কাঠৰ দলং আছিল প্ৰায় ১,৪৩৩ খন। তাৰে ভিতৰত ২০১৭-১৮ চনৰ ৩১ জুলাই লৈকে ৬৫৩ খন কাঠৰ দলংৰ ইতিমধ্যে Proposal আৰু কিুমান কাঠৰ দলঙৰ কাম সম্পূৰ্ণ কৰা হ'ল। গোটেই অসমত এতিয়াও কাঠৰ দলং আছে ৭৮০ খন। তাৰে ভিতৰত পৰবৰ্তী পয্যাৰ্য়ত আমাৰ বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই আৰু ২০০ খন কাঠৰ দলং আৰ চি চি দলংলৈ ৰূপান্তৰিত কৰা হ'ব বুলি যোৱা অধিবেশনত প্ৰতিশ্ৰুতি দিছিলে আৰু ইতিমধ্যে সেই ২০০ খন কাঠৰ দলংৰ টেণ্ডাৰো হৈ গ'ল। ১৪২ খন কাঠৰ দলংৰ কাম ইতিমধ্যে আৰম্ভ হ'ল কিন্তু দুৰ্ভাগ্যবশত বাকী ৫৮ খন কাঠৰ দলংৰ কাম আৰম্ভ কৰা নহ'ল। এই ক্ষেত্ৰত মই সভাপতি ডাঙৰীয়া, আপোনাৰ জৰিয়তে মাননীয় বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। মোৰ ধুবুৰী সমষ্টিত ৰৌমাৰী বি এচ এফ কেম্পলৈ যোৱা এটা ৰাস্তাত কাঠৰ দলং আছিল। এই দলংৰ নিৰ্মাণৰ নামত ২ কোটি ৭ লাখ টকা মঞ্জুৰী দিয়া হ'ল। টেণ্ডাৰো হৈ গ'ল। পিছত যেতিয়া মই চিফ ইঞ্জিনিয়াৰৰ অফিচত খবৰ ললো গম পালো যে, এই দলংখন এতিয়াও চেংচন হোৱা নাই। এনেকুৱা ধৰণে গোটেই অসমত বাকী থকা ৫৮ খন কাঠৰ দলংৰ চেংচন কিয় নহ'ল তাৰ কাৰণটো জনালে ভাল পাম। সভাপতি মহোদয়, জলেশ্বৰ সমষ্টিত বিধান পুৰ টু আইকাটা ৰোডৰ আৰ চি চি ব্ৰীজখন যোৱা ১৯৯৫ চনতে প্ৰবল বানপানীত উটি গৈছিল। বিভাগৰ লগত বহুবাৰ যোগাযোগ কৰাৰ পাছতো আজিলৈকে দলংখনৰ কাৰণে কোনো মঞ্জুৰী নিদিলে। সেইকাৰণে মই বৰ্তমানৰ চৰকাৰখনক তথা মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে, ব্ৰীজখন অতি সোনকালে ঠিক কৰি ৰাইজৰ সুবিধা কৰি দিয়ে। মই অতি আক্ষেপেৰে বিধান সভাৰ মজিয়াত যোৱা চেচনত প্ৰশ্ন আনিচিলো যে, পি এম জি এচ ৱাইৰ কিছুমান দলং ২০০৭-২০০৮ চনতে চেংচন হৈছিল আৰু কিছুমান ২০১২-১৩ চনতে হৈছিল। মই দুবাৰকৈ প্ৰশ্ন অনাৰ পিছতো, লিখিত ভাৱে অভিযোগ অনাৰ আৰু মৌখিক ভাৱে কোৱাৰ পিছতো আজিৰ তাৰিখ পৰ্য্যন্ত তাৰ ওপৰত কোনো বিহীত ব্যৱস্থা লোৱা হোৱা নাই। যেনে, PMGSY Package No. AS05/75, (Year 2012-13), Bridge No. 9/2 Kalahat, এই দলংখন

ৰাস্তাৰ পৰা ৯ ফুট মান ওখকৈ বনাই থৈ দিয়া হ'ল, ইয়াৰ কামো সম্পূৰ্ণ হ'ল কিন্তু approach ৰ কোনো ধৰণৰ ব্যৱস্থা নহ'ল। তাৰ ফলত ৰাইজে যাতায়তৰ ক্ষেত্ৰত যথেষ্ট অসুবিধা ভুগি আছে। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে বিশেষভাৱে চকু দিলে ভাল হ'ব। দুই নম্বৰ bridge খন আছিল, 10/1 Kacharihat, ২০১২-১৩ চনত sanction হৈছিল। ইয়াৰ progress এতিয়াও বহুত কম। তিনি নম্বৰ bridge খন আছিল, 12/1 Velakopa bridge. Bridge খন যেতিয়া ভাঙি নতুনকৈ নিৰ্মাণ কৰা হয়, তেতিয়া sub-way bridge এটা বনাব লাগে, এই bridge খনৰ কাৰণে ২০১২-১৩ চনৰ পৰা বহুত খিনি লাগি থকাৰ পিছত যোৱা কেইবা দিন আগত ই সম্পূৰ্ণ হৈ উঠিল কিন্তু এতিয়াও তাত গাড়ী লৈ যোৱাটো উপযোগী হৈ পৰা নাই। এই ক্ষেত্ৰত মই উপায়ুক্ত ডাঙৰীয়াক কোৱাৰ পিছত আমাৰ division ৰ engineer য়ে ঠিকাদাৰ সকলক কেইবাবাৰো যোগাযোগ কৰিছে, Chief Engineer ৰ Office ত চিঠি পঠোৱা হৈছিল কিন্তু তাৰ ওপৰত কোনো ধৰণৰ ব্যৱস্থা লোৱা নহ'ল। এই ক্ষেত্ৰত মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এই পুৰণা যি সকল জালিয়াতি ঠিকাদাৰ আছে বা বিভাগীয় বিষয়া যি সকলে ইয়াত গাফিলতি কৰি আছে আৰু যাৰ ফলত ৰাইজে যমৰ যন্ত্ৰণাত ভূগিব লগীয়া হৈছে, এই ক্ষেত্ৰত আপোনাক চোকা দৃষ্টি ৰাখিবলৈ মই অনুৰোধ জনালো। ঠিক তেনেদৰে, খালীমাৰী গাওঁ পঞ্চায়তৰ অন্তৰ্গত 1/1 bridge এখন ২০১২-১৩ চনতে sanction হৈছিল। এই কাঠৰ দলং খন যোৱা বছৰ বানপানীত উটি গ'ল। বিভাগীয় বিষয়া তথা উপায়ুক্তৰ তৎপৰতাত এখন কাঠৰ দলং বনাই দিয়া হয় আৰু এই দলংখনৰ progress এতিয়া মাত্ৰ ৩০% হে হৈছে। সেই ক্ষেত্ৰত মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। সভাপতি ডাঙৰীয়া, আন এটা কথা হ'ল যে, আমাৰ বিলাসীপাৰা পশ্চিম সমষ্টিৰ বিধায়ক মাননীয় হাফিজ বচিৰ আহমেদ কাচিমি ডাঙৰীয়াই এই পৱিত্ৰ সদনত তেখেতৰ PMGSY ৰাস্তাৰ বাবে ২০০৭-০৮ চনতে sanction হৈছিল। এই সন্দৰ্ভত সদনত ৫ বাৰকৈ প্ৰশ্ন উত্থাপন কৰিছিল কিন্তু প্ৰত্যেক বাৰেই বিভাগীয় ভাৱে আমি ব্যৱস্থা লৈ আছো, ইয়াৰ বিহীত ব্যৱস্থা ল'ম, আপোনাৰ কামখিনি কৰা হ'ব, ইত্যাদি কথাবোৰেই কোৱা হয়। এই ক্ষেত্ৰত মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

PMGSY Package No. AS05/25, 26, 41, 42, & 43 (Year 2007-08), এতিয়ালৈকে ইয়াৰ কাম সম্পূৰ্ণ নহ'ল। এইবাৰ এই কৰ্তন প্ৰস্তাৱৰ জৰিয়তে মোক ক'বলৈ যি সুযোগ দিছে, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো যে যিহেতু ৫ বাৰকৈ সদনত প্ৰশ্ন উত্থাপন কৰিও তাৰ কোনো ফল নাপালে, গতিকে এটা উচ্চ পৰ্যায়ত ইয়াৰ তদন্ত কৰি ঠিকাদাৰ আৰু বিষয়া সকলৰ বিৰুদ্ধে বিহীত ব্যৱস্থা ল'বলৈ মই অনুৰোধ জনালো। সভাপতি ডাঙৰীয়া, ধুবুৰী বিধান সভা সমষ্টিত PMGSY Package No. AS05/32, Year 2007-08, ৰাস্তাটোৰ নাম আছিল Kusharkash Pt.IV to Dhubri Binnachora Road, length-2.26 K.M. আপুনি শুনি আচৰিত হ'ব যে, ইয়াৰ estimated amount আছিল ১ কোটি ২৫ লাখ টকা। তাৰে ৯৭ লাখ টকা ইতিমধ্যে draw কৰা হ'ল। ২০০৭-০৮ ৰে কাম, মই সদনত প্ৰশ্ন কৰিছিলো আৰু তাৰ উত্তৰত মোক ২০১৭ চনৰ মাৰ্চৰ ভিতৰত এই কামবোৰ সম্পূৰ্ণ কৰা হ'ব বুলি সদনত প্ৰতিশ্ৰুতি দিছিল। তাৰ পিছত মই বিভাগীয় ভাৱে আৰু নতুনকৈ উপায়ুক্তৰ জৰিয়তে যোৱা এক সপ্তাহ আগত খবৰ লৈছিলো আৰু তাৰ পৰা মই গম পালো যে পূৰ্বৰ চৰকাৰৰ দিনত C.M. Vigilance ত ইয়াৰ enquiry হৈ আছে আৰু এতিয়াও সেই level তে পৰি আছে। এতিয়া মই scheme টোত নতুনকৈ টকা ধৰিবও নোৱাৰো যাৰ ফলত বৰ্তমান ৰাস্তাটোত

কোনো ধৰণৰ উন্নয়নৰ কাম কৰিব পৰা নাই। এই ৯৭ লাখ টকা draw কৰি ঠিকাদাৰক দিয়া হ'ল আৰু তেওঁ ইতিমধ্যে ২০০ মিটাৰ ৰাস্তাৰ কাম কৰিছে, ১০০ মিটাৰৰ কাম বাদ দিছে। আৰু বাকী থকা ২৮ লাখ টকা খিনিৰে এই কাম খিনি কৰাটো কেতিয়াও সম্ভৱ নহয়। যিহেতুকে C.M. Vigilance ত enquiry চলি আছে আৰু আপোনাৰ চৰকাৰৰ দিনত দুৰ্নীতিৰ বিৰুদ্ধে ইমান ভাল পদক্ষেপ লোৱা হৈছে, গতিকে মই আশা কৰিম যে, এই ৰাস্তাটোৰ ঠিকাদাৰ আৰু বিষয়া সকলে কাম নোহোৱাৰ সত্বেও কিয় ৯৭লাখ টকা মুকলি কৰি দিলে, তাৰ ওপৰত এটা বিহীত ব্যৱস্থা ল'বলৈ মই অনুৰোধ জনালো। সভাপতি ডাঙৰীয়া, যোৱা session ৰ ১৪ ছেপ্টেম্বৰত cut motion ত এই সদনত মই যি বক্তব্য ৰাখিছিলো, তাত উল্লেখ কৰিছিলো যে, Repairing and maintenence of Kacharihat to Ghumari road, length 4.7 K.M, estimated amount 1 crore 48 lakh . ঠিকাদাৰ জনৰ নাম আছিল, ললিত বসুমতাৰী। তেখেতে ১৯% less কৰি ৰাস্তাটোৰ কাম লৈছিল। মই বিধান সভাত কোৱাৰ উপৰিও Chief Engineer Office ত নিজে telephone কৰি কৈছিলো যে এই ৰাস্তাটোৰ যি জৰাজীৰ্ণ অৱস্থা, ২৮ লাখ টকা এৰি দি কাম ললে। এই ক্ষেত্ৰত কোনো দিনেই এই ৰাস্তাটোৰ কাম নহ'ব। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিহেতুকে বাৰিষা কালৰ বাবে কামবোৰ বন্ধ কৰি ৰাখিছিল, মই বিভাগীয় বিষয়া সকলক লৈ নৱেম্বৰ মাহত তাত আধাৰ শিলা স্থাপন কৰিছিলো। যোৱা নৱেম্বৰ মাহৰ পৰা আজিলৈকে প্ৰায় চাৰি-পাঁচ মাহ হৈ গ'ল, কিন্তু ইয়াৰ কাম আৰম্ভই কৰা নাই। মই বিধান সভাত এই প্ৰশ্ন উত্থাপন কৰিম বুলি ঠিকাদাৰে খবৰ পাই যোৱাকালি কামটো কৰিবলৈ আৰম্ভ কৰে। প্ৰায় ৫ কিঃমিঃ ৰ ৰাস্তা বাৰিষাৰ আগত কেনেদৰে সম্পূৰ্ণ কৰিব? এই ঠিকাদাৰ বিলাকৰ বিৰুদ্ধে কিয় আজিলৈকে বিহীত ব্যৱস্থা ল'ব পৰা নগ'ল? যাৰ গাফিলতিৰ ফলত প্ৰত্যেক জন বিধায়ক-বিধায়িকাৰ এটাই সমস্যা, এই ক্ষেত্ৰত

**শ্ৰী ফণী ভূষণ চৌধুৰী, (বঙাইগাঁও)ঃ** Sir, point ত আহিলে ভাল। Under the provision of the Rule 152 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly ৰ মতে আমাৰ সদনৰ কাৰ্যসূচী আগবঢ়াই গ'লে ভাল। Rule 152ত এই সন্দৰ্ভত স্পষ্ট ভাৱে আছে, “the debate on the supplementary grants shall be confined to the items constituting the same and no discussion may be raised on the original grants nor policy underlying them save in so far as it may be necessary to explain or illustrate the particular items under discussion. ইয়াত যিহেতু PMGSY ৰ supplementary আহিছে, গতিকে আমি PMGSY ৰহে discussion কৰিলে ভাল। আমি যদি এনেদৰে গোটেই বিলাক Department ৰ grant সমূহৰ ওপৰত general discussion কৰো তেনেহ'লে বিষয়টো দীঘলীয়া হ'ব। গতিকে আপুনি এই ক্ষেত্ৰত অলপ strict হোৱাটো ভাল।

**সভাপতিঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়াই ইতিমধ্যে এই সম্পৰ্কত কৈ গৈছে। গতিকে মইও ভাৱো মাননীয় সদস্য সকলে সেই কথাখিনি মনত ৰাখি যাতে যিটো মূল কথা, আমাৰ PMGSY ৰ ওপৰত বিশেষভাৱে পৰিপূৰক দাবী মঞ্জুৰী বিচৰা হৈছে, লগতে এই ক্ষেত্ৰত অলপ relaxation দিছিল, গতিকে মাননীয় সদস্য সকলে এই কথাখিনি মনত ৰাখি বক্তব্য ৰাখিলে ভাল হ'ব।

**শ্ৰী নজৰুল হক, (ধুবুৰী) ঃ** সভাপতি ডাঙৰীয়া, মই আপোনাক তথা অধ্যক্ষ ডাঙৰীয়াক ধন্যবাদ

জ্ঞাপন কৰিছো। কৰ্তন প্ৰস্তাৱৰ জৰিয়তে বক্তব্য ৰখাটো সদনৰ পৰম্পৰা আৰু ইয়াত আমি কৰ্তন প্ৰস্তাৱৰ সপেক্ষে ক'বলৈ ওলাইছো। ইয়াত আচলতে আমাক আৰু টকাৰ দৰকাৰ আছে। আমাৰ ইচ্ছা তথা intension টো এনেধৰণৰ হয় যে, আমাক টকা বেছিকৈ দিলে আমি বেছি টকাৰ কাম পাম, ৰাইজ সন্তুষ্ট হ'ব। যিহেতু সদনৰ পৰম্পৰা , আমি কৰ্তন প্ৰস্তাৱৰ সপেক্ষে ক'বলৈ ওলাইছো। আচলতে আমি আলোচনাৰ বাবে এটা সুযোগ পাওঁ। মই PMGSY ৰ ভিতৰত বেছিকৈ কৈ আছো; তাত আৰু দুই এটা কথা আহিব। আমাৰ AIUDF দলৰ বাবে ৪৫ মিনিট সময় ধাৰ্য্য কৰা হৈছে, সেই সময়ৰ ভিতৰতে আমাৰ কেইবাজনেও ক'ব। কিছুমান দুখেৰে ক'ম, কিছুমান ভাল কথাও ক'ম। আপোনালোকৰ চৰকাৰক মই ধন্যবাদ জনাইছো, মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। যোৱা অধিবেশনতো মই তেখেতক নিকা ভাৱ-প্ৰীতিৰ মন্ত্ৰী বুলি বহুত ধন্যবাদ জ্ঞাপন কৰিছো। এই ক্ষেত্ৰত কিছু কথা ক'বই লাগিব। যদি কামবোৰ নহয় তেনেহ'লে আমি কথাবোৰ ক'ত ক'ম? সদনত আৰু এনেকুৱা সময় নাপাম। গতিকে তাৰ বাবে মই আপোনালোকৰ অনুমতি বিচাৰিছো। আপুনি ভালকৈ জানে যে যোৱা কেইদিনমান আগত মন্ত্ৰী মহোদয়ে review meeting ৰ বাবে ধুবুৰী গৈছিল, চাপৰৰ পৰা গৌৰীপুৰ লৈকে , 31 NH ৰ প্ৰায় ৭৫ কিঃমিঃ ৰাস্তাৰ বৰ জৰাজীৰ্ণ অৱস্থা, এই ক্ষেত্ৰত. (Hon'ble Chairman on the chair)

ৰাস্তা বেয়া কাৰণে বক্সিৰহাটৰ পিনে গৌৰীপুৰ হৈ ট্ৰাক চলাচল প্ৰায় বন্ধ হৈ গ'ল যাৰ কাৰণে আমাৰ ৰোজগাৰ কমি গ'ল। petrol pump আৰু ধাবা বিলাকৰ মালিকে বহুতো হাৰাশাস্তি ভুগি আছে। যাতে এই ৭৫ কিঃ মিঃ হাইৱেৰ ৰাস্তাৰ কাম অনতি পলমে কৰা হয় তাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। ছাৰ আৰু এটা খুব দৰকাৰী কথা আছিল সকলো বিধায়ক বিধায়িকাৰ কাৰণে, PMGSY ৰ যেতিয়া চাৰ্ভে হ'ল, ২০০১ ৰ পৰা আৰম্ভ কৰি ২০০২ ত শেষ হ'ল। সেই season ত core networkত গোটেই অসমৰ প্ৰায় বিধান সভা সমষ্টিত PMGSY ৰ ১০০০ inhabitants আৰু ৫০০inhabitants ৰাস্তা নোসোমাল। তাৰ কাৰণে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক মিটিঙতো কৈছিলো বিশেষকৈ মই ধুবুৰী বিধান সভা সমষ্টিত এইবাৰ PMGSY ৰ ৰাস্তা এটাও নাপালো। ১২৬ টা বিধানসভা সমষ্টি new servey যাতে কৰা হয় তাৰ কাৰণে মই আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। মাননীয় অধ্যক্ষ মহোদয়, নগাওঁ, ধিং,ভূৰাগাওঁ, মৰিগাওঁ, বাযনাঘাট পথ state highway No.47 মন্ত্ৰী মহোদয়ে জানে। দলগাওঁৰ পৰা লাহৰীঘাট বজাৰলৈকে এই ৯ কিঃ মিঃ পথচোৱা যাওঁতে মোটামুটি ২ ঘণ্টা মান লাগে। ইয়াৰ সন্মানীয় বিধায়ক সকলে Signature Project ত এই ৰাস্তাটোৰ চেংচন বিচাৰিছিল। এই ক্ষেত্ৰত আপুনি যাতে চেংচন দিব পাৰে তাৰ কাৰণে মই অনুৰোধ জনালোঁ। শেষত চাৰ, মই আৰু এটা কথা কৈ বক্তব্য সামৰিম, আপোনাৰ জৰিয়তে যিহেতু বেলেগ বেলেগ বিভাগত Electricity য়ে হওঁক বা Social Welfare য়ে হওঁক আমাৰ বিধায়ক সকলক লৈ চৰকাৰে এখন সমিতি গঠন কৰি দিছে। মই ভাৱো যে পথ আৰু দলংৰ ক্ষেত্ৰত যদি আমাৰ যাতায়াত ঠিক নাথাকে কোনোপধ্যেই আমি বিকশিত অসম বনাব নোৱৰো। মই এই ক্ষেত্ৰত আপোনাৰ জৰিয়তে প্ৰত্যেকজন বিধায়ক বিধায়িকাক সামৰি লৈ এটা High Power Committee বনাই দিলে মোৰ মতে ভাল হ'ব যাতে ঠিকাদাৰ সকলে আৰু বিভাগীয় বিষয়া সকলে হেমাহি কৰিব নোৱাৰে। অথবা এটা ৰাস্তাৰ কাম যেতিয়া কৰিলে যেতিয়ালৈকে বিধায়কজনে সেই ৰাস্তাটোৰ satisfaction report নিদিব, তেতিয়ালৈকে যাতে bill খন বনাব নোৱাৰে তাৰ কাৰণে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিলো। সদৌশেষত সভাপতি মহোদয়, গড়কাপ্তানী বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ক বিশেষভাৱে

পথ আৰু দলঙৰ ব্যয় বহনৰ বাবে অতিৰিক্ত ভাৱে ১৮৯৯৯.৯৯ লাখ টকা মঞ্জুৰী বিচাৰিছোঁ। যিহেতু মই কৰ্তন প্ৰস্তাৱৰ সপক্ষে ক'বলৈ ওলাইছো তাৰ পৰা ১০০ টকা হ্ৰাস কৰি বাকী মঞ্জুৰীখিনি দিয়া হওঁক। এইখিনিয়ে কওঁক সভাপতি ডাঙৰীয়া, আপোনাক ধন্যবাদ জনাই মই বক্তব্য সামৰিলো। ধন্যবাদ।

**মাননীয় সভাপতি ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী কমল সিং নাৰ্জাৰী ডাঙৰীয়াক বক্তব্য ৰাখিবৰ কাৰণে মই অনুৰোধ জনালোঁ।

**শ্ৰী কমল সিং নাৰ্জাৰী, বিজনী ঃ** মাননীয় সভাপতি ডাঙৰীয়া, PMGSY ৰ ৰাস্তা সম্পৰ্কে আমি যেতিয়া আলোচনা কৰিম তেতিয়া আমাৰ মনলৈ প্ৰথমতে আহে আমাৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্ৰী অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াৰ কথা। তেখেতে আমাৰ গাঁৱে ভূঞে থকা যিবোৰ ৰাস্তা সেই ৰাস্তা সমূহৰ উন্নতি কৰিবৰ কাৰণে তেখেতে এই আঁচনি গোটেই ভাৰতবৰ্ষত প্ৰয়োগ কৰিছিল আৰু তাৰ বাবে আজি মই এই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি বক্তব্য ৰাখিব বিচাৰিছো। ইয়াৰ জৰিয়তে মই প্ৰথমে তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ PMGSY ৰ যিটো পলিচি, ৰাস্তাৰ যিটো পলিচি এইটো All India Level ত কৰা হয়। এইটো পলিচি আমাৰ অসমৰ ক্ষেত্ৰত অলপ change কৰিব লগীয়া আছে। ক'বলৈ গ'লে অসম নদ- নদী ইত্যাদিৰে পৰিপূৰ্ণ। কিছুমান ৰাস্তাত নদী আছে প্ৰায় ১২০ মিঃ বা ২০০ মিঃ। নদীৰ মাজেৰে এই PMGSY ৰ ৰাস্তা বিলাক লৈ যাবলগীয়া হয়। গতিকে ইয়াত কেৱল ৫০ মিটাৰলৈকে PMGSY ৰ এই bridge বিলাক যি নতুনকৈ ৰাস্তা হ'ব তাত cover কৰিছে। গতিকে এই ক্ষেত্ৰত যদি আমি কম পক্ষেও ১২০মিঃ লৈকে যদি bridge বিলাক cover কৰি দিব পাৰো, তেতিয়া আমি connectivity ৰ বাবে যিবিলাক ৰাস্তা বনাব বিচাৰিছোঁ তাত নিশ্চয় fruitful হ'ব। আনহাতে অসমৰ মাটিখিনি যিহেতু low land আৰু প্ৰায় বানপানীত ক্ষতিগ্ৰস্ত হৈ থাকে, বানপানী প্ৰৱল ভাৱে অহাৰ ফলত সেই ৰাস্তা বিলাক যেতিয়া বানপানীৰ কৱলত পৰে, তেতিয়া এই ৰাস্তাবিলাক ভাঙিছিঙি একেবাৰে কদৰ্য্য ৰূপ লয়। গতিকে ইয়াৰ পৰা আমি পৰিত্ৰাণ পাবলৈ হ'লে, সেই ৰাস্তা বিলাকৰ যেতিয়া engineer এ estimate বনাব তেতিয়া অলপ upgradation কৰি সেই PMGSY ৰ ৰাস্তা বনোৱা হয় তেতিয়া বাৰিষা কালত এই ৰাস্তা বিলাকে কদৰ্য্য ৰূপ ধাৰণ কৰিব নোৱাৰিব। তাৰ বাবে এই low land বিলাক high land কৰাৰ কাৰণে আৰু লগতে bridge বিলাক ১২০ মিঃ লৈকে লবৰ বাবে মই আজি মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ কৰিছোঁ যাতে এই পলিচিটো অলপ change কৰে। গোটেই অসমতেই আমি এই সমস্যাত ভুগি আছো। এই PMGSYৰাস্তা বিলাক ৫ বছৰৰ ভিতৰত যিটো maintenance কৰিব লগীয়া হয় আজি মোৰ বিধায়ক হোৱা ১২ বছৰ ধৰি দেখিছোঁ যে এই ৰাস্তা যিবিলাক বিভাগে কাম কৰিছে তেওঁলোকে maintenance নকৰে। ইয়াৰ আমাৰ যিসকল engineer আছে তেওঁলোকে ততাতৈয়াকৈ তত্বাৱধান লৈ Vigilance and Monitoring Committee ৰ District Chairman ক লৈ যিখন কমিটি আছে, PWD Engineer সকল আছে তেওঁলোকে নিজে কাম কৰিব নোৱাৰিলে কমিটিক, ডি চি ক জনাই দিয়ক। তেতিয়া ডি চি য়ে এখন কমিটি মিটিং পতাৰ লগে লগে concern যিবিলাক ঠিকাদাৰ তেওঁলোকক মাতি maintenance ৰ কামখিনি যাতে কৰিবলৈ কোৱা হয়। তাৰ বাবে মন্ত্ৰী মহোদয়ে যাতে ডি চি ডাঙৰীয়াৰ জৰিয়তে বিষয়া সকলক নিৰ্দেশ দিয়ে তেতিয়া গোটেই অসম উন্নতিৰ দিশত আগবাঢ়ি যাব পাৰিম এই কথাটো মই মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো। এইবাৰ যিটো PMGSY ৰ ৰাস্তা আহিছে যোৱা ২০১৩-১৪, ২০১৪-১৫ বৰ্ষত যিটো

আমি নতুনকৈ Networking surveyৰ কাৰণে CNCP ৰ যিটো survey কৰা হৈছিল গোটেই অসমত সেই surveyৰ ফলত আমি এইবাৰ PMGSY ৰ ৰাস্তা বিলাক পাবলৈ সক্ষম হৈছোঁ। ইয়াত ১০০০ প্লাচ, ৫০০ প্লাচ আৰু ২৫০ প্লাচ ও আছে। এই ৰাস্তা বিলাক আহিছে এতিয়া। কিন্তু কিছুমান ডিভিজনত যেনে BTC এলেকাত কোকৰাঝাৰত পুৰণি হিচাপে manpower টো আছেই কিন্তু চিৰাং, বাক্সা বা ওডালগুৰি ডিভিজনত আমি দেখিবলৈ পাইছোঁ যে তাত কোনো ধৰণৰ manpower নাই।

( Hon'ble Speaker on the chair)

গতিকে অধ্যক্ষ ডাঙৰীয়া PMGSY ৰ চিৰাং ডিভিজনত প্ৰায় ৩০০ কিঃ মিঃ আছে, বিজনী subdivision ত ১৫০ কিঃ মিঃ আছে। কিন্তু manpower নাই। অধ্যক্ষ মহোদয়, যদি manpower নাথাকে তেতিয়া এই যে PMGSY ৰ ৰাস্তাটো নতুনকৈ sanction পাইছোঁ সেইটো monitoring কেনেকৈ কৰিব। গতিকে এইটো কৰিবৰ বাবে নিশ্চয় আমাক manpower ৰ প্ৰয়োজন আছে। আমাৰ ইয়াত মন্ত্ৰী ডাঙৰীয়া, Comisioner Secretary বহি আছে। গতিকে চিৰাং ডিভিজন, বাক্সা ডিভিজন ত এতিয়া ইঞ্জিনিয়াৰ নাই। বাক্সাত এতিয়া PWD Engineer নোহোৱাকৈ মানে কোকৰাঝাৰত যিজন engineer আছে তেওঁৰেই বাক্সাও চাই আছে। গতিকে অধ্যক্ষ ডাঙৰীয়া, এজন engineer এ দুটা ডিভিজন কেনেকৈ চাব। গতিকে এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে বাক্সাত এজন ইঞ্জিনিয়াৰ দিব লাগে, manpower দিব লাগে। ওডালগুৰিটো দিব আৰু চিৰাং ডিভিজনটো manpower খুব shortage হৈছে। ইমান কিঃমিঃ ৰাস্তা যদি চাব লাগে, তত্বাৱধান কৰিব লাগে manpower নাথাকিলে ৰাস্তা সমূহৰ quality maintain হ'ব কাৰণ আমি quality maintain কৰিব বিচাৰিছো। গতিকে quality maintain কৰিবলৈ হ'লে আমাক manpower ৰ খুব দৰকাৰ হৈ পৰিছে। যদি এই manpower টো আমাক ততাতৈয়াকৈ দিয়ে তাৰ বাবে মই অনুৰোধ জনাইছো। অধ্যক্ষ ডাঙৰীয়া,PMGSYৰ যিটো ৰাস্তা নতুনকৈ চেংশ্যন হৈছে, এই চেংশ্যনৰ ভিতৰত মই দেখিছো আমাৰ চিৰাং ডিভিজনত চিদলী আৰু বড়ো বজাৰ ব্লকৰ সম্পুৰ্ণ কৈ আহিছে। কিন্তু মানিকপুৰৰ যিটো ব্লক আছে,যিটো ব্লক লেভেল ত PMGSYৰ ৰাস্তাটো চেংশ্যনটো কৰা হয়। কিন্তু মানিকপুৰ ব্লকত স্পেচিয়েলি মই কমিশ্যনাৰ চেক্ৰেটাৰী ডাঙৰীয়াক অনুৰোধ কৰিছে। নোট কৰি ৰাখক। মন্ত্ৰী ডাঙৰীয়া আছে। মানিকপুৰ ব্লকত যিবিলাক আমি PMGSY ৰ চি এম চি পি নামত থকা ৰাস্তাবিলাক দিছিলো, কিন্তু সেই মানিকপুৰ ব্লকৰ কেৱল ১০ শতাংশ চেংশ্যন আহিছে। বাকী ৯০ শতাংশ চেংশ্যন অহা নাই। কি কাৰণত নাহিলে, তাৰ কাৰণ মই ভাবি আছো। ফাষ্ট বেট্চ দিলে, চেকেণ্ড বেট্চ দিলে, থাৰ্ড বেট্চত যিহেতু আহিব বুলি মই ভাবি আছো। যদি নাহে, কি কাৰণত নাহিব। গতিকে এইটো অহাৰ ব্যৱস্থা কৰি দিলে নিশ্চয় মই আনন্দিত হ'ম। মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো এইখিনি কৰি দিলে ৰাইজৰ কাৰণে ভাল কাম হব। আকৌ এইমাত্ৰ এজন সদস্যই অনুৰোধ কৰিছিলে মই নিজেই সেইটো কম বুলি ভাবি আছিলো যদিও মই নিজেকম এতিয়া। আমাৰ অসমৰ মাননীয় প্ৰাক্তন প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ী, তেখেতৰ সপোন আছিল যে, অসমৰ গাওঁবিলাকত যিমান ৰাস্তা আছে, সেই ৰাস্তাবিলাক পকীকৰণ হওঁক। তেখেতৰ এটা সপোন । এই সপোনক যদি বাস্তৱ ৰূপায়ণ কৰিব লাগে, তেন্তে আমি বিচাৰিব লাগিব। এতিয়াও আমাৰ one thousaned ৰাস্তা বাকী পৰি আছে। যত C M C P নাম্বাৰ নাই। চাৰ্ভে ইনকমপ্লিট য'তC M C P নাম্বাৰ নাই। ২৫০ প্লাছ যিটো ৰাস্তা, সেইটো চি এম চি পি নাম্বাৰ অহাই নাই। গতিকে এইবোৰ ওৱান

থাওজেণ্টৰ ভিতৰত যিবিলাক বাকী ৰৈছে, 500+ যিবিলাক বাকী ৰৈছে। 250+ যিবিলাক ৰাস্তা এতিয়াও পৰি আছে। আপোনালোকে গাৱে-ভূঞে যাওঁক। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ সমষ্টিত আপুনি নিজে গাওঁত যদি ঘুৰিবলৈ যায়, দেখে যে আপোনাৰ গাওঁত 250+ ৰাস্তা এতিয়াও চাৰ্ভে হোৱা নাই। এইটো চাৰ্ভে ৰি-চাৰ্ভে কৰিবৰ কাৰমে আমাৰ ষ্টেট গভাৰ্ণমেণ্টে যদি চেণ্টেল গভৰ্ণমেণ্টলৈ লিখে তেন্তে, নিশ্চয় আমি ইয়াৰ পৰা উপকৃত হ'ম। কাৰণ আমি জানো যে ২০১৩-১৪ চনত যিটো চি এম চি পি চাৰ্ভে কৰা হৈছিল ৰি-চাৰ্ভে কৰা হৈছিল, সেইটো আমি যদি আৱাৰ ফালৰ পৰা কমপ্লেইন একো নিদিলোহেঁতেন যে আমি বৰ্তমান PMGSY ৰ নতুনকৈ পাইচো যদি চাৰ্ভে হৈছে আমি পাবলৈ সক্ষম নহ'লোহেঁতেন। গতিকে এইবেলিও যাতে আমাৰ চৰকাৰে মন্ত্ৰী ডাঙৰীয়াই চেণ্ট্ৰে ল গোভমেণ্টলৈ লিখি দিয়ে, যে আমাৰ 250+, 500+,1000+ ৰাস্তা বাকী আছে, গতিকে এইবোৰ ৰি-চাৰ্ভে কৰিবৰ কাৰণে চি এম চি পিৰ কো'ৰ নেটৱ্কিং নাম্বাৰ নাথাকিলে আমি পি এম জি এচ ৱা ৰাস্তা নাপাম। গতিকে এই পি এম জি ৱাই ৰাস্তা পাবৰ কাৰণে যাতে আমি কো-নেটৱ্কিং প্ৰজেক্ট নাম্বাৰটো আমি পাওঁ ৰি-চাৰ্ভে কৰাৰ পিছত চাৰ এটা ব্যৱস্থা লব লাগে, আৰু ল'ব বুলি আশা কৰিছো। তাৰ পিছত মই ইয়াত এজেণ্ডাত নাই যদিও দুটা কথা কব বিচাৰিছো। অধ্যক্ষ মহোদয়, আমাৰ সকলোৰে ভালৰ কাৰণে যোৱা ২০১৫ চনত চি এম স্পেচিয়েল পেকেজত কেইখনমান ব্ৰীজ লোৱা হৈছে। প্ৰায় ৪৪ খন ব্ৰীজ এতিয়াও চেংশ্যন দিব বাকী আছে। মই চি এম চাৰৰ লগত আৰু বিত্ত মন্ত্ৰী ডক্তৰ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ লগত আলোচনা কৰাৰ পাছত আমা্ৰ মন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰিছিলো। আমাৰ পি ডব্লিউ ডি মন্ত্ৰী তেখে তক কৈছিলো যে, এই ৪৪ খন ব্ৰীজ পৰি আছে সেই ব্ৰীজ কেইখন কিমান জৰুৰী। এই জৰুৰী ব্ৰীজকেইখন আপোনলোকে চেংশ্যন দিয়াৰ ব্যৱস্থা কৰক। তেতিয়া আমাৰ মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে, মেইনটেন্চে হেডত এইটো দিয়া হৈছে। এই হেডটোত আমি ব্ৰীজ লব নোৱাৰো। বেলেগ হেডত যদি পাওঁ , নাবাৰ্ড বা আৰ আই ডি এফ টুয়েণ্টি থাৰ্থত সেইটোত পাওঁ, তেন্তে আমি এইবাৰ চেংশ্যন দিব পাৰিম। এতিয়া যিহেতু নাবাৰ্ডৰ আৰ আই ডি এফ টুয়েণ্টি থাৰ্ডত যিহেতু বিত্ত মন্ত্ৰীয়ে চেংশ্যনটো দিছে, মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেইটো দিবৰ কাৰণে অনুৰোধ কৰিছে গতিকে মন্ত্ৰী ডাঙৰীয়াক মই অনুৰোধ কৰিছো যে বিজনীত এখন ৱান বাই ৱান বিজনীচুপাৰভাইচ কোৰ্টত, মই তেখেতক কান চোৱাই দিছো সেই ব্ৰীজখন কেৱল বিজনীয়েইনহয়। ৪৪ খন ব্ৰীজ আছে গোটেই অসমত। গতিকে এই ৪৪ খনডাঙৰ ডাঙৰ ব্ৰীজ যদি আমি নাব্ৰাডৰ জৰিয়তে, চেংশ্যনটো পাই যাওঁ। এতিয়া বাৰিষা সময় আহিব যদি বাৰিষাৰ আগে আগে আমি ব্ৰীজ পাবলৈ সক্ষম হওঁ, তেতিয়া ইয়াৰ দ্বাৰা গোটেই অসমৰ ৰাইজ নিশ্চয় উপকৃত হ'ব। গতিকে মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো। তাৰ পিছত অধ্যক্ষ ডাঙৰীয়া, পি এম জি এচ ৱাইৰ যিটো লেফ্ট আউট ব্ৰীজ বিলাক আছে, সেই লেফ্ট আউট ব্ৰীজবিলাক কেৱল পঞ্চাশ মিটাৰলৈকে চেংশ্যনটো দিয়া আছে। মই তেতিয়াই কৈছো, যে আমাৰ কিছুমান ব্ৰীজ আছে, নদী আছে, য'ত ১২০ মিটাৰলৈকে আছে। সেই পি এম জি এচ ৱাইৰ লেফ্ট আউটটো যদি এশ পৰা এ শ পঞ্চাশমিটাৰলৈকে ব্ৰীজবিলাক লব পাৰো, তেন্তে সেইটোত গোটেইটো কভাৰ হৈ যাব। এইটো কভাৰ কৰিবৰ কাৰণে যদি পলিচি চেঞ্জ কৰি আমি লও, তেন্তে আমি নিশ্চয় গোটেই অসমত যিমান নদী আছে, কানেকটিভিটি ব্ৰীজ নথকাৰ কাৰণে কৰবাত বাহৰ ব্ৰীজ দিব লগা হৈছে, ক'ৰবাত জইন দিব লগা হৈছে, সাঁকো দিব লগা হৈছে। ইয়াৰ পৰা আমি যাতে পৰিত্ৰাণ পাওঁ, এইটো পলিচি চেঞ্জ কৰিব বুলি আশা কৰি আছো আৰু চেঞ্জ কৰিবৰ কাৰণে অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। মন্ত্ৰী মহোদয়, বৰ্তমান এইটো cut motion ত

আহে যদিও মই মন্ত্রী মহোদয়ক এটা adviceৰ নিচিনা কব বিচাৰিছো যে আমাৰ ফ্লাই অভাৰ । নেচনেল হাইৱে ফ্লাই অভাৰ হৈ আছে যিটো আজি ছয়বছৰ ধৰি এই যিটো Railwayৰ ওপৰত নেচনেল হাইৱে ফ্লাই অভাৰ হৈ আছে এতিয়াও মন্থৰ গতিত হৈ আছে। আকৌ শ্ৰীৰাম পুৰৰ পৰা কচুগাওঁলৈকে এতিয়ালৈকে ইমান ৰাতি গাড়ী ঘোৰা বিলাক যাওঁতে এক্সিডেণ্ট হৈ যায়। গতিকে ইয়াক কৈ শেষ কৰিব নোৱাৰি। এই পাঠশালাট যিটো ৰেলৱে ফ্লাই অভাৰ আছে, নেচনেল হাইৱেৰ ওপৰত তাৰপিছত শ্ৰীৰামপুৰৰ পৰা কচুগাওঁলৈকে ইমান মন্থৰ গতিত চলি আছে। ইয়াক ভালকৈ চোৱা-চিতা কৰি যাতে অতি সোনকালে কৰি দিয়া হয়। মানে গাথা গুথা আছে ককালৰ বিষ হৈ যায়, গতিকে এইটো নিশ্চয় চাব বুলি আশা কৰিছো। শ্ৰীৰামপুৰ গেটখন , কচুগাওঁ এইটো অসমৰ কাৰণে কবলৈ হ'লে gate way হয় বুলি কব লাগিব। পশ্চিমৰ পৰা আহে এইটো gate way দি। এই গেটৰে যদি আমাৰ কদৰ্য্য ৰূপ ধাৰণ কৰে, অসমৰ যিটো মান মৰ্য্যদা, একেবাৰে লাঘব হৈ গৈছে। এইখিনি যিজন ঠিকাদাৰে পাইছে, অলপ তেখেতক ক'লে নিশ্চয় বেয়া নহয়। তাৰ পিছত মই অনুৰোধ কৰিব বিচাৰো যে যান-জট ইমান বেয়াকৈ হৈ আছে আৰু বৰপেটা শিমলাবাৰী, নলবাৰী, কোকৰাঝাৰ, কাচীগাওঁত। পাঠশালা টাউনৰ কথা কলোৱেই বঙাইগাওঁ, চাপাগুৰি, ৰাখালডুবি,গেৰুকাবাৰী বিজনী, লখৰা বশিষ্ট চাৰিআলি আৰু আহোমগাওঁ। ৰাস্তাটো হৈ আছে ইয়াত যদি ফ্লাই অভাৰ পাই যাওঁ, নিশ্চয় ইয়াৰ পৰা আমি অসমৰ ৰাইজ কবলৈ গলে বহুতখিনি উপকৃত হ'ব। বশিষ্ঠ লখৰা, আহোমগাওঁ ইমান যান-জট হৈ যায়। ইফালৰ পৰা আহিলে এঘণ্টা বা আধাঘণ্টা ৰৈ থাকিব লগা অৱস্থাত পৰে। গতিকে ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ যদি ব্যৱস্থা কৰিব পৰা যায়, ফ্লাই অভাৰৰ। তাৰপিছত পি এম জিএচ ৱাই ৰাস্তাকে আদি কৰি যিবিলাক ব্ৰীজ বনোৱা হৈছে ইঞ্জিনীয়েৰে এচষ্টিমেট বনাই দিয়ো ব্ৰীজৰ লগত যদি এপ্ৰেচটো নাথাকে, তেন্তে ব্ৰীজ বনোৱাৰ কি অৰ্থ থাকিল ? বিজনি শিয়ালমাৰী নেচনেল হাইৱেৰ পৰা বিজনি সোমোৱা যিটো ৰাস্তা তাত এখন আৰ চি চি ব্ৰীজ বনোৱা হৈছে। সেই ব্ৰীজ বনোৱাৰ পিছত আজি দুটা বছৰে মানুহ বিলাকে জীয়াতু ভুগি আছে। কাৰণ ইয়াত বাৰে বাৰে মেৰামতিৰ কাৰণে পইচা ধৰিবৰ কাৰণে লিখিছো। এষ্টিমেট বনাই দিছো, এনুৱেল প্লেনত লিখি দিছো। Assam Road Maintainance Fund ত লিখি দিছো । এটাফাণ্ডটো মই ফাণ্ড পাবলৈ সক্ষম নহলো। মই মন্ত্ৰী ডাঙৰীয়াক হয়তো কোৱা নাই, কমিশ্যনাৰ ডাঙৰীয়াক কৈছো বি টি চিত বহু বছৰ কাম কৰি আহিছে, আৰু তেখেতে নিজেই সেই ব্ৰীজখন চাই আহিছে। তাৰ পিছত আজিলৈকে ইয়াৰ এপ্ৰোচ নোহোৱাৰ ফলত বিজনি ৰাইজ ইমান জীয়াতু ভুগি আছে. গতিকে ইয়াৰ পৰা পৰিত্ৰাণ পাবৰ কাৰণে আজি মই কমিটমেণ্ট বিচাৰিছো। ইয়াত কমিশ্যনাৰ ডাঙৰীয়া আছে, আজি মন্ত্ৰী ডাঙৰীয়াৰ পৰা কমিটমেণ্ট বিচাৰিছো যে আপোনালোকে এই ব্ৰীজখনৰ যিটো এপ্ৰোচ, সেই এপ্ৰোচটো কৰিবৰ কাৰণে অতি সোনকালে এই বছৰৰ ভিতৰত। বাৰিষা হোৱাৰ আগে আগে কৰি দিলে খুৱ উপকৃত হ'ব। মই বিচাৰিছো এনেকৈ ব্ৰীজৰ এষ্টিমেট বনাওতে যদি এপ্ৰোচ নিদিয়ে, এই মাত্ৰ এজন সন্মানীয় বিধায়ক এজনে কৈছে যে এপ্ৰোচ নথকাৰ ফলত আমাৰ লেফ্ট আউট ব্ৰীজ বিলাক ফাঞ্চনলেচ হৈ আছো কেনেকৈ কোন ইঞ্জিনীয়েৰে ব্ৰীজ বনোৱাৰ পাছত এপ্ৰোচ দিয়াৰ কথা চিন্তা কৰিব নোৱাৰে। এনেকুৱা ইঞ্জিনীয়েৰক চাচপেনচন কৰি দিব লাগে। কি দৰকাৰ ব্ৰীজ বনাব, এপ্ৰোচ নিদিব ৰাস্তা নহ'ব, কানেকটিভিটি কেনেকৈ হ'ব ? এইটো আমাৰ চৰকাৰক দৃষ্টিগোচৰ কৰি দিছো । চৰকাৰে নিশ্চয় দায়িত্ব সহকাৰে পালন কৰিব। মই আশা ৰাখিছো। তাৰ পাছত অধ্যক্ষ মহোদয় আমি পি এম জি এচ ৱাইৰ ৰাস্তা বিলাকৰ Maintainance হেডত কাম কৰিম বা অন্যান্য ৰাস্তাবিলাকৰ মেইনটেইন্‌চৰ কাম কৰিম। এই মেইনটেইনেঞ্চৰ কামবিলাক কেৱল

গাত মাৰিবৰ কাৰণে আমি এই ৰাস্তাবোৰ কৰো. তেনেহ'লে ইয়াৰ দ্বাৰা কোনো ৰাইজ উপকৃত নহয়। গতিকে মেইনটেইননেঞ্চ হেডত Assam Road Maintainance Fund বা এনুৱেল প্লেন বা মেইনটেনঞ্চেৰ ৰাস্তাবিলাক যিবিলাক গাত হৈছে, সেইবিলাক আমি মেইনটেনেঞ্চ কৰিব লাগে। ইয়াত এচ টি বি চি কৰি কেৱল পোন্ধৰ লাখ টকা দি পেলাই এক কিলোমিটাৰ ৰাস্তা ইয়াত মেইনটেনঞ্চে হেডত কাম কৰিব পৰা নাযায়, BM and SDBC কৰি পেলাই যদি এই ৰাস্তা বিলাক মেৰা-মতি কৰা যায় তেতিয়া এইবোৰ দীৰ্ঘস্থায়ী হৈ যাব। এইটো কৰিবৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। কাৰণ এই বাৰ পলিচি আমাৰ সলনি কৰিব লগা হৈছে। আগৰ যিটো, পুৰণা পলিচি, সেই পলিচি লৈ থকাৰ ফলত , ৰাইজে আমাক সমালোচনা কৰিছে। যে এই ৰাস্তা বিলাক কেনেকৈ বনাইছে? যদি আমাৰ BM and SDBC কৰি যদি ৰাস্তা বিলাক মেইনটেনেঞ্চ কৰা হয়, তেনেহলে ৰাইজে আমাক প্ৰশংসা কৰিব আৰু আমাৰ চৰকাৰক সমালোচনা কৰিব নোৱাৰিব। সেই কাৰণে আমাৰ যিটো পলিচি, তাৰ বাবে মই কাকো দোষ দিব নোৱাৰোঁ, কাৰণ ইয়াত কংগ্ৰেছৰ দোষ নহয়, আমাৰ যি বিলাক বিষয়ববীয়া, ইঞ্জিনিয়াৰ আছে এই পলিচি এওঁলোকে বনায়। এই পলিচি যদি আমি নতুনকৈ সলনি কৰিব লগা হয়, নিশ্চয়কৈ সলনি কৰিব লাগিব। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছোঁ। অধ্যক্ষ মহোদয়, PMGSY ৰ কাৰণে নতুন নেটওৱৰ্ক কিং চাৰ্ভে 250+, 500+, 1000+,টো আকৌ ৰি-চাৰ্ভে কৰিব লাগিব। কাৰণ ৰি-চাৰ্ভে নকৰিলে, কিছুমান Bridge আছে, সেই Bridge বিলাকক আমি কৰিব নোৱাৰোঁ, কাৰণ, SPT Bridge convert, RCC লৈ convert কৰাৰ কাৰণে আমি এটা বা দুটা Bridge পাম। গতিকে ইয়াত আমি গোটেই কাম কৰিব নোৱাৰো। গতিকে যদি PMGSY ৰ 250+আছে, 500+ৰ ৰি-চাৰ্ভে কৰো তেন্তে যি বিলাক Bridge আছে, যেনে এতিয়া আমাৰ বিজনীত কৰিব লগীয়া ৪০ খন SPT Bridge আছে, সেই বোৰ আমি convert কৰিব নোৱাৰো। কাৰণ এই বাৰ আমাৰ ৪০ মি. দিছে। কি হ'ব? গতিকে নোৱাৰো। যদি PMGSY ত কভাৰ কৰি দিয়ে যে এইবাৰ Bridge খন আমি পাম। গোটেই অসমত অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ সমষ্টিটো তেনেকুৱা বহুত Bridge আছে। গতিকে ইয়াত যদি আমি PMGSY যদি ৰি চাৰ্ভে কৰোঁ নিশ্চয় আমি অহা বছৰ নাপাম। Next ১৮ ত নাপাওঁ ১৯ ত। যদি ২০১৮ ত নাপাওঁ তেন্তে ২০১৯ বা ২০২০ ত পাই যাম। আমি এতিয়া চাৰ্ভে কৰিলো, চেণ্টেল গভৰ্ণমেণ্টলৈ পঠাই দিলো। আমি ২০১৯ ত PMGSY ৰাস্তাটো পাই যাম। গতিকে ইয়াত ৰাস্তাও আহিব। আমাৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াই গোটেই ভাৰতবৰ্ষৰ ৰাজ্যত পকী ৰাস্তা দিবৰ বাবে যিটো ব্যৱস্থা কৰিছিল সেইটো নিশ্চয় সম্পূৰ্ণ হৈ যাব। এইখিনিকে কৈছো, আকৌ মই দীঘলীয়া ভাষণ দিব বিচৰা নাই আমাৰ আৰু এজন আছে। তেখেতেও কব। গতিকে এইখিনিকে কৈ নতুনকৈ এটা পলিচি adopt কৰিব বুলি আশা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ**-Thank you এতিয়া তপন গগৈ তাৰ পাছত নন্দিতা দাস ।

**শ্ৰীতপন কুমাৰ গগৈ , সোণাৰিঃ**- মাননীয় অধ্যক্ষ মহোদয়, আজি গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে, পথ আৰু দলংৰ ৰ ওপৰত যি পৰিপূৰক দাবী মঞ্জুৰী আনিছে তাক মই পূৰ্ণ সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষই যি প্ৰস্তাৱ আনিছে তাৰ বিৰোধীতা কৰি দুটামান কথা কব বিচাৰিছো। অসমত পথ আৰু দলংৰ ওপৰত আজি গড়কাপ্তানি বিভাগৰ তৰফৰ পৰা যি টকা ধাৰ্য্য কৰি পৰিপূৰক দাবী মঞ্জুৰী অনা হৈছে, আচলতে গড়কাপ্তানি বিভাগক যিমান পইচা লাগে , সেই খিনি পইচা আচলতে কমেই হৈছে। সেই কাৰণে ইয়াতকৈ বেছি পইচা দিব লাগে বুলি মই অনুভৱ কৰো, এই

কাৰণেই যে যোৱা বছৰ বিলাকত আমি দেখিবলৈ পাইছো যে যিবিলাক আমাৰ ৰাস্তা আৰু দলং আছে, দলং বিলাক বহুত জৰাজীর্ণ অৱস্থাত আছিল । যাৰ কাৰণে মুখ্যমন্ত্রী শ্রীযুত সর্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত থকা এই চৰকাৰখনে আমাৰ মন্ত্রী পৰিমল শুক্লবৈদ্য ডাঙৰীয়াৰ নেতৃত্বত গড়কাপ্তানি বিভাগে সমগ্র অসমৰ চুকে কোণে ৰাস্তা আৰু দলং নির্মাণ কৰিবৰ কাৰণে বিভিন্ন আঁচনি ইতিমধ্যে হাতত লৈছে । আৰু এই গোটেই খিনিৰ ক্ষেত্রত মই এটা কথা কব লাগিব যে ভাৰতীয় জনতা পার্টীয়ে যেতিয়া অটল বিহাৰী বাজপেয়ী ডাঙৰীয়া প্রধান মন্ত্রী হিচাবে থকা অৱস্থাত অসম তথা উত্তৰ পূর্বাঞ্চলৰ কাৰণে যিখিনি ব্যৱস্থা কৰি থৈ গৈছে সেই ব্যৱস্থাটো কিন্তু আগতে কোনো চৰকাৰে তেনে ধৰণে কৰিবলৈ সক্ষম হোৱা নাছিল। বিশেষকৈ ‘ প্রধান মন্ত্রীৰ গ্রাম চড়ক যোজনা’ যিখন আঁচনি এই আঁচনিখন অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াৰ দিনত সমগ্র গাৱঁৰ যি বিলাক জৰাজীর্ণ ৰাস্তা আছিল, ৰাস্তা বিলাক যাতে আমাৰ মূল ৰাস্তা বিলাকৰ লগত সংলগ্ন কৰিব পৰা যায় তাৰ কাৰণে এটা ব্যৱস্থা গ্রহণ কৰিছিল আৰু সেই ব্যৱস্থা অনুসৰিয়েই PMGSY ৰ এই ৰাস্তা বিলাক নির্মাণ কৰিবৰ কাৰণে ব্যৱস্থা গ্রহণ কৰা হ’ল। ইতিমধ্যে কোৱা হৈছে যে আমাৰ যিবিলাক নেচনেল হাইৱে , এতিয়া ফ’ৰ লেনৰ কাম চলি আছে। এই ফ’ৰ লেনৰ কাম বাজপেয়ীৰ দিনতেই আৰম্ভ হৈছিল। এতিয়া ভাৰতবর্ষই বিভিন্ন ৰাজ্যৰ লগত আমাৰ যিমানবিলাক ষ্টেট কেপিটেল আছে সেই সকলোবোৰ সংলগ্ন কৰিবৰ কাৰণে সিদ্ধান্ত গ্রহণ কৰা হৈছিল। তাৰ ফলশ্রুতিতে আমি দেখিবলৈ পাইছো যে সমগ্র ভাৰতবর্ষত এতিয়া নেচনেল হাইওৱে অর্থাৎ এই ফ’ৰ লেনৰ কাম চলি আছে। আৰু অসমতো আজি ফ’ৰ লেনৰ কাম চলি আছে। আমি ডাঙৰ ৰাস্তা পাবৰ কাৰণে সক্ষম হৈছো। আমাৰ গড়কাপ্তানি বিভাগে এইখিনি চোৱা-চিতা কৰি আছে। কেন্দ্রীয় চৰকাৰৰ পৰা ই্তিমধ্যে তাত পইচা আহিছে, আৰু দ্বিতীয়তে আপোনালোকে জানে যে আমি যেতিয়া চৰকাৰ হাতত লৈছিলোঁ, মাননীয় মুখ্যমন্ত্রী শ্রীযুত সর্বানন্দ সোনোৱাল ডাঙৰীয়াই যেতিয়া দায়িত্ব লৈছিল, গড়কাপ্তানি বিভাগৰ তেতিয়া বহু কোটি টকা ধাৰত পোত গৈ আছিল। গড়কাপ্তানি বিভাগে সেই সময়ত আগৰ চৰকাৰৰ দিনত বহু কোটি টকা ধাৰ লগাই থৈ গৈছিল। সেই ধাৰ মাৰি এতিয়া অসমৰ যিমান বিলাক দলং আছে, যিমান বিলাক ৰাস্তা আছে, এই ৰাস্তা আৰু দলং নিমার্ণ কৰিবৰ কাৰণে ব্যৱস্থা গ্রহন কৰিছে গতিকে PMGSY ৰ অধীনত আমাৰ ইয়াত এতিয়া ৭৯১৩ কি. মি. ইতিমধ্যে পথ মেৰামতিৰ কাৰণে ব্যৱস্থা গ্রহণ কৰা হৈছে। ৭৪৫ খন দলং নির্মান কৰাৰ কাৰণে ব্যৱস্থা গ্রহণ কৰা হৈছে। অর্থাৎ আমাৰ সমষ্টি বিলাকত এতিয়া দেখিবলৈ পাইছো যে PMGSY ৰ অধীনত এইবাৰ মোৰ তাত ৩৬ টা ৰাস্তা ১৪ খন দলং আমি নির্মান কৰিবৰ কাৰণে সক্ষম হৈছো। এই টো এটা আমাৰ সুদুৰ প্রসাৰী প্রভাৱ পৰিব এই কাৰণেই যে মন্ত্রী পৰিমল শুক্লবৈদ্যৰ নেতৃত্বত গড়কাপ্তানি বিভাগে, সমগ্র অসমৰ ১২৬ টা সমষ্টিত এতিয়া PMGSY ৰ যি আঁচনি এই আঁচনিৰ অধীনত আমাৰ ৰাস্তা বিলাক আৰু দলং বিলাক নির্মান কৰিবৰ কাৰণে ব্যৱস্থা গ্রহণ কৰি আছে। এইটো এটা খুব ভাল লক্ষণ। আমি আশা ৰাখিছো, যে আমাৰ চৰকাৰে এনে ধৰণে কাম কৰি গৈ থাকিলে আমাৰ যিখিনি সমস্যা আছে, সমস্যাখিনি আমি নাইকিয়া কৰিবৰ কাৰমে সক্ষম হব পাৰিম। সমস্যা বহুত আছে, থাকিব. কিন্তু আমি যোৱা ১৫ টা বছৰ দেখিলো, যোৱা ১৫ টা বছৰত যেনে ধৰণে আচলতে দলং আৰু ৰাস্তা বিলাকৰ কাম আৰম্ভ কৰিব লাগিছিল। সেই সময়ত সেইধৰণে স্বচ্ছভাৱে কাম বিলাক নকৰাৰ কাৰণেই ৰাস্তাবিলাক আচলতে যিমান দিন যাব লাগিছিল, সিমান দিন আমি যোৱা দেখিবলৈ নাপালো। সেই কাৰণে এতিয়া খুব স্বচ্ছভাৱে কাম বিলাক কৰা হৈছে। আমি আশা ৰাখিম যে এই স্বচ্ছভাৱে কৰা কাম বিলাকত সকলোৱে সহযোগিতা আগবঢ়াব লাগে। বিভিন্ন আঁচনিৰ অধীনত এই

কাম বিলাক চলি আছে। আজি World Bank ৰ প্ৰজেক্ট চলি আছে, আমাৰ চৰকাৰৰ দিনত আজি ইয়াত CRF আহিছে। আমাৰ চৰকাৰৰ দিনত CRF ৰ প্ৰায ৮০০ কোটি টকাৰ ইতিমধ্যে প্ৰজেক্টৰ কাম চলি আছে। বিভিন্ন অসমৰ ১২৬ টা সমষ্টিৰ বিভিন্ন ঠাইত এই বিলাক কাম চলি আছে। এতিয়া বান পানী হোৱাৰ পাচত SDRF ৰ জৰিয়তে আমাৰ ৰাস্তা বিলাক নিৰ্মান কৰিবৰ কাৰণে ইতিমধ্যে পইচা দিয়া হৈছে। আৰু RIDF ৰ জৰিয়তে ৰাস্তা বিলাক নিৰ্মান কৰিবৰ কাৰণে কাম চলি আছে। আৰু এটা অতি আনন্দৰ কথা আমাৰ এই কাৰণেই যে, কেন্দ্ৰীয় চৰকাৰে, নীতিন গাডকাৰী ডাঙৰীয়াই অসমলৈ আহি ৫২ টা ৰাস্তা নতুনকৈ ৰাষ্ট্ৰীয় ঘাই পথ হিচাবে ইতিমধ্যে ঘোষনা কৰিছে আৰু সেই ৫২ টা ৰাস্তা ৰাষ্ট্ৰীয় ঘাই পথ হিচাবে ঘোষণা হোৱাৰ পাছত অসমৰ আমাৰ যি বিলাক ৰাস্তা আছিল। সেই বিলাক ঘাইপথ হিচাপে নিৰ্মান হব. ডাঙৰ ৰাস্তা হব। এই খিনি ক্ষেত্ৰত আমি ভৱিষ্যৎ দিনত সুবিধা লাভ কৰিবৰ কাৰণে সক্ষম হম। আন্দোলন নকৰাকৈ ব্ৰহ্মপুত্ৰৰ ওপৰত ৫ খনকৈ দলং নিৰ্মান কৰিবৰ কাৰণে ইতিমধ্যে সীদ্ধান্ত গ্ৰহণ কৰিছে । এইখিনি আমাৰ চৰকাৰ অহাৰ পাছত কেন্দ্ৰীয় চৰকাৰে এই সীদ্ধান্ত খিনি কাৰ্য্যকৰী কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। আগতে আমি যিকোনো এখন দলং পাবৰ কাৰণে আন্দোলন কৰিবলগীয়া হয়। অসমৰ কাৰণে কিবা এটা পাবৰ কাৰণে আন্দোলন কৰিবলগীয়া হয়। কিন্তু কোনো ধৰণৰ আন্দোলন নকৰাকৈ কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰৰ ওপৰত ৫ খন দলং এতিয়া নিৰ্মান কৰিবৰ কাৰণে যি সিদ্ধান্ত গ্ৰহণ কৰিছে, সেই সিদ্ধান্ত খুউব আদৰনীয় সিদ্ধান্ত আৰু সেই কাৰণেই মই আশা ৰাখিছো যে আজি বিৰোধী পক্ষৰ ফালৰ পৰা কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি যি প্ৰস্তাৱ আনিছে, সেই প্ৰস্তাৱ আচলতে তেওঁলোকে ইয়াত আজি গড়কাপ্তানি বিভাগক ধন্যবাদ জনাব লাগিছিল, গড়কাপ্তানি বিভাগে ইমান সুন্দৰ ভাবে কাম বিলাক কৰি গৈছে, আৰু গড়কাপ্তানি বিভাগে চব কা চাথ চব কা বিকাশ যিটো আমাৰ চৰকাৰৰ মুলমন্ত্ৰ। এতিয়া সকলোকে সমান দিছে। আপোনালোকে জানে যে আমাৰ চৰকাৰ হোৱাৰ পাছত ২ কোটি টকা মেইন্টেনেঞ্চৰ কাৰণে দিছে, তাৰ পাছত আকৌ ৫ কোটি টকা দিছে। RIDF ত দিছে, তেনেধৰণে পইচা । কাৰণ সকলো সমষ্টিতে আমাৰ চৰকাৰী পক্ষক বাদ দিও বিৰোধী পক্ষয়ে আমাতকৈ বেছি টকা পাবৰ কাৰণে সক্ষম হৈছে। তেনেকুৱা ধৰণৰ উদাহৰণ কিন্তু আগৰ কংগ্ৰেছ চৰকাৰৰ দিনত নাছিল।

ইয়াত এতিয়া আৰ আই ডি এফৰ পৰা প্ৰতিটো সমষ্টিতে ৰাস্তা পাবলৈ সক্ষম হৈছে । কেৱল আমাৰ চৰকাৰৰ বিধায়কৰ সমষ্টিতে নহয়,বিৰোধী দলৰ বিধায়কৰ সমষ্টিটো আৰ আই ডি এফৰ জৰিয়তে ৰাস্তা নিৰ্মাণৰ কাৰণে ইতিমধ্যে পইচা দিয়া হৈছে। আজি গড়কাপ্তানী বিভাগৰ পৰিপূৰক দাবী মঞ্জুৰীৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ লোৱা হৈছে, মই তাৰ বিৰোধীতা কৰিছো আৰু বিভাগে যিখিনি বিচাৰিছে মই তাতকৈ বেছিকৈহে দিয়াৰ বাবে চৰকাৰক অনুৰোধ কৰিছোঁ । ইতিমধ্যে কৰা কামখিনিৰ পিচতো যিখিনি ৰাস্তা এতিয়াও জৰা-জীৰ্ণ হৈ আছে,বিভিন্ন ৰাস্তা-দলং আমি নিৰ্মাণ কৰি ৰাইজৰ সুবিধা হোৱাকৈ আগবঢ়াব পাৰো ।আমি আশা ৰাখিম গড়কাপ্তানী বিভাগে এই ক্ষেত্ৰত যেনেদৰে স্বচ্ছভাৱে,নিকাভাৱে কামবিলাক কৰি আহিছে তেনেদৰে কামবিলাক আগুৱাই নিব। আজি গড়কাপ্তানী বিভাগৰ ফালৰ পৰা ্যি দাবী মঞ্জুৰী উত্থাপন কৰিছে, সেই দাবী মঞ্জুৰীৰ প্ৰতি মই পূৰ্ণ সমৰ্থন জনাইছোঁ। বিৰোধী পক্ষই যিটো কৰ্তন প্ৰস্তাৱ উত্থাপন কৰিছে , মই তাৰ বিৰোধীতা কৰি দাবী মঞ্জুৰীৰ সকলোখিনি টকা গড়কাপ্তানী বিভাগক মোকলাই দিবলাগে বুলি মোৰ সমৰ্থন ব্যক্ত কৰিছো আৰু মোৰ বক্তব্যৰ সামৰণি মাৰিছোঁ ।

**শ্ৰীমতী নন্দিতা দাস, বকো** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি Supplementary De-

mand ৰ ওপৰত আমাৰ দলৰ ফালৰ পৰা যি কৰ্তন প্ৰস্তাৱ আনিছে, সেই কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মই দুআষাৰ ক'ব বিচাৰিছো। ইতিমধ্যে PMGSYৰ ৰাস্তাৰ ওপৰত বিভিন্ন বক্তাই বিভিন্ন কথা কৈছে। প্ৰায় বক্তাৰ মুখতে  সমস্যাখিনি প্ৰকাশ পাইছে। তথাপিও দুই-এটা কথা ক'ব লাগিব। PMGSYৰ ৰাষ্টাবোৰ যেতিয়া আমি দেখো  মোৰ সমষ্টিত মই যেতিয়া যাওঁ, আটাইতকৈ বেয়া, জৰা-জীৰ্ণ ৰাস্তাবোৰ দেখো আৰু বিভাগীয় বিষয়াৰ লগত কথা পাতি গম পাওঁ যে এইবিলাক PMGSYৰ ৰাস্তা । এই ৰাস্তাবোৰ ইমান বেয়া যে ইয়াত মানুহে খোজ কাঢ়িওঁ যাব নোৱাৰে, গাড়ী-মটৰ চলাচল কৰাটো দূৰৰে কথা। এই ৰাস্তাবোৰ বছৰ বছৰ ধৰি মেৰামতি কৰা হোৱা নাই। মোৰ আগৰ বক্তা সকলে কৈ গৈছে। যি সকল ঠিকাদাৰে এই ৰাস্তাৰ এলোটমেন্ট পায়, তেওঁলোকে যি মেনটেইনেঞ্চৰ টকা পায়, সেই টকাৰে ৫ বছৰৰ ভিতৰত মেনটেইনেঞ্চ কৰিব লাগে। কিন্তু ১০-১৫ বছৰলৈকে মেনটেইনেঞ্চ সেই মেনটেইনেঞ্চৰ কাম খিনি তেওঁলোকে নকৰে, গতিকে সেইটো বাদ পৰি যায়। সেইকাৰণে এই  ৰাষ্টাবিলাক আন ৰাষ্টাতকৈ  বেছি বেয়া। অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো  PMGSYৰ  ৰাস্তাবোৰত কেন্দ্ৰীয় চৰকাৰৰ যথেষ্ট পৰিমাণৰ ধন ধায্য কৰা হয়, আমাৰ ৰাজ্য চৰকাৰে এই ৰাস্তাবোৰ থিক-ঠাক কৈ ৰখাৰ বাবে গুৰুত্ব দিব লাগে। যিহেতু এটা বিভাগ আৰু Sub-division ৰ লেভেলত এজন চাবডিভিজন অফিচাৰ বা সেই ইঞ্জিনিয়াৰ সকলে চোৱা চিতা কৰে, তেওঁলোকৰ জৰিয়তেই হওঁক সম্পূৰ্ণ মেৰামতিৰ কাম সময় মতে হয়, সেইটোৰ ওপৰত মাননীয় মন্ত্ৰী মহোদয়ে দৃষ্টি ৰাখিবৰ কাৰণে অনুৰোধ জনালোঁ। মোৰ সমষ্টিৰ এটা ৰাস্তা আছে মালীবাৰী ডেকাচাং। সেই ৰাস্তাটো ইমানেই বেয়া যে সেই ৰাস্তাটো মই বিভিন্ন সময়ত বিভিন্ন আঁচনিত দি আছো। এতিয়া সেই ৰাস্তাটো SDRFৰ আঁচনিত গৈছে আৰু সেই ৰাস্তাটো মেৰামতি কৰিবলৈ এতিয়া ২ কোটি টকা লাগে। যিহেতু PMGSYৰ লগত আমাৰ ৰাজ্য চৰকাৰৰ বিভাগৰ  ভাল Co-ordination নাথাকে, যাৰ বাবে তেওঁলোকে এই ৰাস্তাটো  ঠিকাদাৰে পথাৰৰ মাজেৰে নিৰ্মাণ কৰি দিলে। এই ৰাস্তাটো যোৱা বানপানীৰ সময়ত টুকুৰা টুকুৰ হৈ গ'ল, এতিয়া সেইফালে মানুহ যাব নোৱাৰে, এনেকুৱা এটা অৱস্থা হৈছে। কামৰূপ (গ্ৰাম্য) জিলাত যদি আটাইতকৈ বেয়া ৰাস্তাৰ বাবে Demonstration দিব লাগে সেই ৰাস্তাটোকে দেখুওৱা হয়। সেই ৰাষ্টাটো  মই আৰম্ভণীৰ পৰাই CRF এ হওঁক, SDRF  এ হওঁক, এই আঁচনি সমুহত বাৰে বাৰে দি আছোঁ। কিন্তু এই ৰাস্তাটোৰ ক্ষেত্ৰত বিভাগীয় অনুমোদন জনোৱা নাই। শাসক পক্ষৰ বিধায়ক সকলে কৈ থাকে - "সব কা সাথ, সব কা বিকাশ"। আমিওঁ ভাবো "সব কা সাথ, সব কা বিকাশ" হব সেয়ে আমি কোনো সংকোচ নকৰাকৈয়ে আৰু সম্পূৰ্ণ বিশ্বাস ৰাখি বিধায়ক হোৱাৰ পিচতেই estimates বনাই বিভিন্ন বিভাগত নিজে গৈ দিছো। কিন্তু আজি দুবছৰেই হল সেই ৰাষ্টাটো accept নকৰিলে। অধ্যক্ষ মহোদয়, মই যেতিয়া বিষয়া সকলক সোধো - এই ৰাষ্টাটোৰ কাম কিয় নকৰে, তেতিয়া তেওঁলোকে সৰুকৈ কয়, বাইদেউ বেয়া নাপাব, আপুনি বুজিয়ে পায় কিয় এইটো অনুমোদন নকৰে। এই কথাখিনিৰ আমাৰ হাতত কোনো তথ্য নাই, সেইকাৰণে সেই তথ্য আমি সদনৰ মজিয়াত দিব পৰা নাই। এই যে কয়- "সব কা সাথ, সব কা বিকাশ" এইটো আচলতে আখৰে আখৰে আৰু অন্তৰেৰে মানা হোৱা নাই। এইটো এটা উদাহৰণ। মাননীয় অধ্যক্ষ মহোদয়, CRF ত ৮৪২ কোটি টকা এইবাৰ অনুমোদন জনোৱা হৈছে। CRF ৰ তিনিটা ৰাষ্টা বৰ গুৰুত্বপূৰ্ণ। সেইকেইটা ৰাস্তা Border area ত আছে। চৰকাৰেও বাৰেবাৰে কৈছে, আমি সীমামূৰীয়া অঞ্চলত গুৰুত্ব দিম। আজি আমাৰ Border ৰ সমস্যাৰ ওপৰত আলোচনা হৈছে। মোৰ সমষ্টিৰ ৪০ কিঃ

মিঃ ৰাস্তা মেঘালয়ৰ Border ৰ এলেকাত পৰে। অসমৰ সীমামূৰীয়া অঞ্চলৰ গাওঁ সমুহলৈ যোৱাৰ বাবে দুটাকৈ গুৰুত্বপূৰ্ণ ৰাস্তা আছে। এটা হৈছে বকো-হাঁহিম আৰু দ্বিতীয়টো হৈছে বকো-লাংপি। আমাৰ মাননীয় অধ্যক্ষ আৰু আমাৰ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই তালৈ যোৱা বুলি কৈছে। গতিকে সেই সীমামূৰীয়া অঞ্চলৰ বিষয়ে জানে যে- ২০১০ চনত সাংঘাটিক এটা Clash হৈছিল। মানুহৰ মৃত্যু পৰ্য্যন্ত হৈছিল। আজিৰ তাৰিখটো আমি সেই ৰাষ্টাৰে যাব লাগে কিন্তু এতিয়াওঁ তাৰ এটা সুব্যৱস্থা কৰা হোৱা নাই। গতিকে সেই অঞ্চল বিলাক develop কৰিব লাগে। অধ্যক্ষ মহোদয়, বকো-হাঁহিম আৰু বকো-লাংপি এই ৰাষ্টা দুটাৰ কাৰণে মই নিজে Border বিভাগত গৈছোঁ, Commissioner level টো গৈছো, সকলো level লৈকে মই estimates বনাই লৈ গৈছো। মই সকলো দিশত সাজু হৈ গৈছোঁ, যাতে তেওঁলোকে (বিভাগে) অনুমোদন দিব বিচাৰিলে লগে লগে দিব পাৰে। মই বকো-লাঙপি আৰু বকো-হাঁহিমৰ ৰাস্তা কেইটা দিলো। RCC ত মই খবৰ লৈ আছো, মই দিয়া ৰাস্তা কেইটা সোমাল নে নাই! এইকেইটা Border related ৰাষ্টা, বৰ গুৰুত্বপূৰ্ণ। কিন্তু অতি দুৰ্ভাগ্যজনক যে ৮৪২ কোটি টকা অনুমোদন পোৱাৰ পিচতো এই ৰাস্তা কেইটা দিয়া নহল।অধ্যক্ষ মহোদয়, এয়ে "সব কা সাথ, সব কা বিকাশ" ৰ নমুনা নেকি ? মোৰ আগৰ বক্তা কেইজন মানে কৈছে, AIUDF ৰ ফালৰ পৰাওঁ কৈছে দলঙৰ ক্ষেত্ৰত। দলঙৰ ক্ষেত্ৰত যি২০০ খন দলং অনুমোদন হোৱা বুলি কৈছে, আমি ভাল পাইছোঁ। যোৱা Budget Session ত কোৱা হৈছিল যে আমি ১০০০ খন কাঠৰ দলং RCC কৰিম। আমি ভাল পাইছো। অধ্যক্ষ মহোদয়, আপুনি জানে যে আমাৰ গাওঁ অঞ্চলত যথেষ্ট খিনি কাঠৰ দলং জৰা-জীৰ্ণ অৱস্থাত আছে, যাৰ কাৰণে যাতায়তৰ অৱস্থা অতি শোচনীয়। ৰাইজে লগ লাগি কিবাকৈ মেৰামতি কৰি চলি আছে আৰু সেই দলং বিলাক RCC লৈ convert কৰিব বুলি কোৱাত আমি বৰ ভাল পালো আৰু বিভাগৰ লগত যোগাযোগ কৰি দলং বিলাক কেতিয়া হ'ব জানিব বিচাৰিলো। তেতিয়া বিভাগৰ পৰা খবৰ আহিল যে এইবাৰ ২০০ খন দলং হে অসমত দিয়া হব। আমি আশা কৰি আছিলো অসমত ১০০০ খন নতুন RCC দলং হব. কিন্তু ২০০ খনহে হব। আমি আশা কৰি আছো ডেৰ হাজাৰ দলং কিন্তু আমি পালোঁ দুশ খনহে। মই ভাৱিলো মোৰ সমষ্টিত দুখন দলং দি দিও। দুশ খনত ক'ৰবাত হয়তো emergencyত পৰিব পাৰে। অধ্যক্ষ মহোদয়, মই সেইকাৰণে priority কৰি Boarder area কৰিলোঁ। এখন দলং যিখন Boarder area ত আছিল আমং আৰু শিলডুবি দলং, মেঘালয়ৰ লগত সংলগ্ন, সেইফালে আমাৰ অসমৰ মাটিত যাবলৈ হ'লে মেঘালয়ৰ মাটিৰে যাব লাগে। অলপ মেঘালয়ত টাৰ্ণ ল'ব লাগে। মেঘালয়ৰ যিখিনি মানুহ আছে, তেওঁলোকৰ তাত এখন কাঠৰ দলং আছে, সেই দলঙৰে সেইফালে আমাক যাব নিদিয়ে। সেইফালে গ'লে বাধা দিয়ে। সেইবাবে priority হিচাপে সেইখন দলং দিলো। তাৰ পিছত এখন দলং আছিল, একেবাৰে ভঙা-ছিঙা দলং। বানপানী হ'লে যথেষ্ট পানী যথেষ্ট ওপৰলৈ আহে। দলঙৰ ওপৰেদি ল'ৰা-ছোৱালী স্কুললৈ যাব নোৱাৰে। এই দুখন দলং মই বৰ আশা কৰি দিলো। এই দুখনৰ ভিতৰত এখন priorityত যাব আৰু এখন হয়তো মোৰ কোটাত যাব। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, মই পাছত গম পালো যে আমি দুখন দলঙৰ এখনহে পাবলৈ সক্ষম হ'লো। কাৰণ মই বিৰোধী দলৰ বিধায়িকা।

**মাননীয় অধ্যক্ষ ঃ** এখন দলং দিছে নেকি ?

**শ্ৰীমতী নন্দিতা দাস, বকো ঃ** হয় এখন দিছে। অধ্যক্ষ মহোদয়, এখন হৈছে only one.

**মাননীয় অধ্যক্ষ ঃ** এশ ছাব্বিছ খনৰ প্ৰায় দুশখন লাগিব। একেবাৰে নিদিয়া হ'লে বেলেগ কথা।

**শ্ৰীমতী নন্দিতা দাস, বকো ঃ** হয়, অধ্যক্ষ মহোদয়, মই অংকটো বুজি পালো। কাৰণ মই আমাৰ

কমিশ্যনাৰ ছাৰকো ক'লো আৰু তেওঁ ক'লে যে মই আপোনাক additional সেই স্কুলৰ দলংখন দিম কাৰণ সেইখন ল'ৰা-ছোৱালী অহা-যোৱা কৰা দলং। আপোনাৰ কোটাত আপুনি এখন পাব। সেইবাবে মই আশা কৰিছিলো যে মই দুখন পাম। মই লিষ্ট খন কমিশ্যনাৰ অফিচত গৈ দেখিলো যে কম্পিউটাৰত দুখন দলং আছে। পিছদিনাখন মোক মাতি নিলে আৰু ক'লে যে আপুনি এখন গুচাই দিব লাগিব কাৰণ ইয়াত আপোনাক দুখন দিয়া নহ'ব। অধ্যক্ষ মহোদয়, বৰ দুখেৰে কৈ আছোঁ আৰু নিশ্চয় এই কথাবিলাক মন্ত্ৰী মহোদয়ে লক্ষ্য ৰাখিব। মোৰ সমষ্টি বুলি নহয়,যিহেতু বাজেটত Commitment কৰিছিল এহেজাৰখন দলং । আমি পৰিৱৰ্ত্তনৰ আশা কৰিছো। পৰিৱৰ্ত্তন মানে সাংঘাতিক পৰিৱৰ্ত্তন হ'ব লাগিব। য'ত আমি বিৰোধীয়েও যাতে স্বীকাৰ কৰিবলৈ বাধ্য হওঁ যে এহেজাৰখন দলংৰ কথা কৈছিলো, তাতকৈ বেছিহে দলং বনাই দিলে। আমি তেনেকুৱাহে আশা কৰোঁ। তেতিয়াহে কম অধ্যক্ষ মহোদয়, সঁচাকৈয়ে পৰিৱৰ্ত্তন হৈছে। কিন্তু তেনেকুৱা পৰিৱৰ্ত্তন দেখা নাপালো, অধ্যক্ষ মহোদয়। যিহেতু আমাৰ ৰাস্তা-ঘাটৰ নিৰ্মাণ বিভিন্ন বিভাগৰ জৰিয়তে হয়, বোৰ্ডাৰ ৰোডত হয়, SDRFত হয়, SCSP ত হয় আৰু এইবিলাক যিহেতু আমাৰ সমষ্টিতে পোৱা যায়। SCSP ৰ ক্ষেত্ৰত বহুত কম এলোটমেণ্ট হৈ আছে। এক কোটি ডেৰ কোটি হৈছে, বেছি হ'ব লাগে। আমি reserve সমষ্টিৰ আৰু reserve সমষ্টিত আগতে পাঁচকোটিকৈ পোৱা শুনিছিলো। মই এম এল এ সকলক সুধিছিলোঁ যে আপোনালোকে আগৰ চৰকাৰৰ দিনত কিমানকৈ পাইছিল? তেওঁলোকে কৈছিল যে পাচঁ- ছয় কোটিকৈ পাইছিলোঁ। এতিয়া অলপ কম পাই আছো।

**মাননীয় অধ্যক্ষ ঃ** আমি মূল বিষয়লৈ আহো।

**শ্ৰীমতী নন্দিতা দাস, বকো ঃ** হয় ছাৰ, PMGSY ৰ চাৰ্ভেৰ ক্ষেত্ৰত বহুত কেইজন বক্তাই কৈ গৈছে আমাৰ এতিয়া জনসংখ্যা যিটো হাৰত বৃদ্ধি হৈছে, আমাৰ গ্ৰামাঞ্চলবিলাকত যিবিলাক ৰাস্তা PWD ত নপৰে, তেনেকুৱা বহুতবোৰ ৰাস্তা বনাবৰ কাৰণে ৰাইজে আমাক অনুৰোধ কৰে। সেই ৰাস্তাবিলাকৰ যিবিলাক চাৰ্ভে হৈ গ'ল, 1000+ habitation, 500+ habitation, 250+ habitation ত সেই অঞ্চলৰ মানুহবোৰে এতিয়া ৰাস্তা পোৱা নাই। সেইবোৰ চাৰ্ভেত নোসোমালে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ যে চাৰ্ভে বহুত দিন আগতে হৈছে, habitation বাঢ়ি গৈছে, আৰু MGNEREGAৰ জৰিয়তে বহুতো ৰাস্তা ৰাইজে নিজে বনাই লৈছে। গাঁৱৰ ভিতৰৰ ৰাস্তাবোৰ মানুহবোৰে ইতিমধ্যে নিজে বনাই লৈছে। MGNEREGAৰ জৰিয়তে যিহেতু ৰাস্তাবিলাক হৈছে, গাওঁবিলাকত কৰি আছে, সেয়েহে আমাৰ চাৰ্ভেটো যদি আৰু হয়, নিশ্চয় চাগৈ আমাৰ ৰাস্তা-ঘাটৰ যিবিলাক সমস্যা সেইবিলাক সমাধান হ'ব। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ গাওঁবোৰত কিছুমান rural connectivity ৰ কাৰণে কাঠৰ দলংৰ বিৰাট এটা সমস্যা হয়। যোৱাবাৰ আমাৰ SDRF ত আমাৰ DDMAৰ যিখন মিটিং হৈ গ'ল, ডি চি লেভেলত, মোৰ সমষ্টিৰ ফালৰ পৰা মই ২৫ খন কাঠৰ দলং মই দিলো যিহেতু বানপানীত ভাঙি-ছিঙি গৈছে। কিন্তু দেখা পালোঁ যে PWD য়ে যি কেইখন দলং কৰিলে সেই কেইখন তেওঁলোকে ল'লে, কিন্তু বাকীখিনি দলং তেওঁলোকে নললে। SDRF ত এতিয়াও পৰি আছে। সেই দলং বিলাক নিৰ্মাণ কৰাৰ বাবে যেন কোনো বিভাগে দায়িত্ব নলয়। পিছত DRDA ৰ লগত কথা পাতিলো, DRDA ই ক'লে যে আমি কৰিম কিন্তু DRDA ৰ এটা প্ৰ'ব্লেম আছে যে তেওঁলোকৰ যিটো লেবাৰ আৰু মেটেৰিয়েল বাজেট থাকে, সেইটোত দলংবোৰ নহয়। গতিকে অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে আমাৰ গাওঁবিলাকত বহুত ডাঙৰ ডাঙৰ পকী দলং মানুহে সোনকালে নিবিচাৰে কিন্তু কাঠৰ দলং মানুহে বিচাৰে। যিবোৰ দলং এতিয়াও SDRF ত এতিয়াও পৰি

আছে। SDRF ৰ বহুত আঁচনি আমি পাচ কৰি দিওঁ DC Level ত পৰি আছে। কিন্তু কোনেও আঁচনিত নেসোমায়। সেইকাৰণে এই দলংৰ ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে যদি গুৰুত্ব দিয়ে যে কোনবিলাক কাঠৰ দলং যিবিলাক PWD ত নাই কিন্তু সেইবোৰ দৰকাৰ connectivity ৰ কাৰণে। সেইখিনি কাঠৰ দলং হ'লে মই ভাৱো খুব এটা ডাঙৰ সমস্যা সমাধান হ'ব। মাননীয় অধ্যক্ষ মহোদয়, ৰাস্তা-ঘাট নিৰ্মাণৰ ক্ষেত্ৰত PMGSY ৰ ক্ষেত্ৰত দেখা যায় যে ঠিকাদাৰ সকলে মই-মতালি কৰে। তেওঁলোকে ভাৱে যে এইটো কেন্দ্ৰীয় পুঁজি, নিজৰ ইচ্ছা মতে কাম কৰে। আনকি বিধায়ক সকলকো নজনায়। আমি গমেই নাপাওঁ তেওঁলোকে কাম কৰি আছে বুলি । কামৰ Quality ও খুব low হয়। এই ক্ষেত্ৰত মই ভাৱো যে PWD ত যিমান কাম নকৰে কিয় PMGSY এ বেচি কাম কৰিব। কাৰণ PMGSY ত আমাৰ গোটেই এলেকাবিলাক সামৰি লোৱা হৈছে। যিহেতু PWD ত আমি যিখিনি টকা পাওঁ তাতকৈ বহু বেছি টকা আমি PMGSY ৰ জৰিয়তে পাওঁ। PMGSY ৰ জৰিয়তে আমাৰ গাওঁৰ যিবিলাক Rural Roads বনাব লাগিব সেই ৰাস্তাবিলাক যদি ভালকৈ বনোৱা হয়, তেতিয়া হ'লে আমাৰ PWD আৰু ৰাজ্য চৰকাৰৰ বহুত বোজা কমি যাব। সেই কাৰণে PMGSY ৰ ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে বেলেগকৈ অলপ আঁচনি গ্ৰহণ কৰিব লাগে আৰু PMGSY ৰ কামবোৰৰ যাতে Quality maintain হয় তাৰ বাবে অনুৰোধ কৰিলোঁ। PMGSY ৰ এটা অসুবিধা আছে যে Flood Affected Area , ৰ ক্ষেত্ৰত, যেনেকৈ মোৰ সমষ্টিটো Flood Affected Area হয়। PMGSY ৰ Estimate বিলাকত মাটিৰ কাম নাথাকে আৰু মাটিৰ কাম নথকাৰ কাৰণে ঠিকাদাৰসকলে নিবিদা নিদিয়ে। আমি কওঁ যে ৰাস্তাবোৰ বানপানীত ভাঙি গৈছে। আপোনালোকে ভালকৈ মাটি দি অলপ ওখ কৰি বনাব। কিন্তু তেওঁলোকে সেইটো মানিব নোৱাৰে কাৰণ Technically allow নকৰে। সেইকাৰণে এইটো Flood Affected Area কাৰণে এটা বিষয় হৈ আছে। PMGSY ৰ ৰাস্তাবোৰ ভালে নথকাৰ সেইটোও এটা প্ৰধান কাৰণ। যিখিনি মাটিৰ আমাৰ প্ৰয়োজন হয়, আমাৰ ৰাস্তাবোৰ ওখ কৰিব কাৰণে সেইখিনি আমি কৰিব নোৱাৰো। সেইখিনি Estimate এ alllow নকৰে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰে। আমাৰ যিহেতু বানপীড়িত এলেকা সেই এলেকা বিলাকৰ কাৰণে বেলেগ এটা আঁচনি ল'লে নিশ্চয় এটা long lasting ৰাস্তা হ'ব আৰু বহুদিনলৈ থাকিব। আৰু এটা কথা কওঁ যে PMGSY ৰ ক্ষেত্ৰত বহুখিনি left out bridge থাকি গ'ল, যিবিলাক এশ মিটাৰ আছিল সেইবোৰ নিৰ্মাণ কৰা নহ'ল। মোৰ সমষ্টিতো ছয় খন এনেকুৱা PMGSY ৰ left out bridge আছে। সেই ব্ৰীজবোৰ এতিয়াও অনুমতি পোৱা নাই। আমি যদি PWD ৰ জৰিয়তে কৰিব যাওঁ এলাউ নকৰে কাৰণ সেইটো PMGSY ত ধৰা আছে। সেই বাবে এইটো বহুত দীঘলীয়া সমস্যা হৈ আছে। এশ মিটাৰ ব্ৰীজবোৰ যদি আমাৰ PMGSY ত হয় খুব ভাল কথা। এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে গুৰুত্ব দিব লাগে যে left out bridge বোৰ আমাৰ বহুত পুৰণি সমস্যা। কেইবাজনো বিধায়কে কৈছে। মোৰো সেইটো সমস্যা যদি PMGSY ৰ জৰিয়তে হয়, সোনকালে কৰাৰ ব্যৱস্থা কৰিব লাগে নাইবা PWD ৰ জৰিয়তে কৰাৰ ব্যৱস্থা কৰিলে নিশ্চয় ভাল হ'ব। মই এইখিনি কথা কৈ মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো আৰু কৰ্ত্তন প্ৰস্তাৱৰ সপক্ষে বক্তৃতা দাঙি ধৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, মই সন্মানীয় সদস্য সকলক আগতেও কৈছিলো আৰু মাজতে এনেকুৱা এটা কথা ওলাইছিল Actually Supplementary Demand ত 59 টা বিভাগৰ অতিৰিক্ত পুঁজিৰ বাবে আবণ্টন বিচাৰি আমাৰ ইয়ালৈ আহিছে। আমি কেতিয়াবা ইচ্ছা কৰিলে কেইবাটাও

বিষয় ল'ব পাৰো। কিন্তু আমাৰ কথা হৈছে যে সাধাৰণতে আমি এইটো হৈ আহিছে বুলি কওঁ। কিন্তু মই ভাৱো যে আমি Rule মতে গ'লে ভাল হয়। সেই কাৰণে মই সকলোকে কৈছো যে বিশেষকৈ PMGSY ৰ পইচাৰে আমি ডাঙৰ ডাঙৰ ৰাস্তাবিলাক কৰি লাগে। এতিয়া বেলেগ বেলেগৰ পৰা পইচা আহিছে যদিও আগতে PMGSY ৰ ওচৰত অতিৰিক্ত পুঁজি বিচাৰিছে। মই ভাৰিছো যে তাত অলপ গুৰুত্ব দি কথাখিনি ক'লে মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব। বাকীখিনি প্ৰশ্নৰ উত্তৰ দিবৰ বাবে তেঁও বাধ্য নহয়। সেইকাৰণে মই পৰৱৰ্ত্তী সকলোকে কৈছো যে পাৰিলে চাব। দুই এটা কথা দৰকাৰী থাকিলে উল্লেখ কৰাত মোৰ আপত্তি নাই। PMGSY ৰ ওপৰত ভালকৈ আলোচনা হ'ব লাগে কাৰণ PMGSY ৰ আৰু অহা বছৰ থাকিব নে নাই মই নাজানো। কাৰণ কিবা এটা কথা শুনি আছো আৰু চাৰ্ভেবোৰ থাকি যোৱাৰ কাৰণেও বহুত ৰাস্তা থাকি গৈছে। কথা বিলাক হাইলাইট হ'লে মই ভাৰো মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ হ'ব আৰু আমি বিভাগৰ পৰা কিছু কথা হয়তো আশা কৰিব পাৰো। সেই কাৰণে মই আপোনালোকক বিষয়টো আমাৰ ৰুলবোৰ চাই ক'বলৈ কওঁ। ইয়াৰ পিছত মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াক ক'বলৈ কৈছো আৰু তাৰ পিছত মাননীয় সদস্য নিজানুৰ ৰহমানে ক'ব।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাঃ** মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যি পৰিপূৰক দাবী মঞ্জুৰী আনিছে তাত মই পূৰ্ণ সমৰ্থন জনাইছো আৰু বিৰোধীয়ে অনা প্ৰস্তাৱৰ মই বিৰোধিতা কৰি দুটামান কথা আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আজি যিখিনি টকা মন্ত্ৰী মহোদয়ে বিচাৰিছে মই ভাৱো এই টকাখিনি তেনেই নগন্য। ইয়াতকৈ প্ৰকৃতাৰ্থত আৰু বেছিকৈ টকা বিচাৰিহে তেওঁ এই পৰিপূৰক দাবী মঞ্জুৰীটো আনিব লাগিছিল । বিশেষভাৱে আজি আমি লক্ষ্য কৰিছো যে আমাৰ গ্ৰাম্যাঞ্চলৰ যিবিলাক ৰাস্তা ঘাট বা দলং সেইবিলাকৰ অৱস্থা তেনেই শোচনীয়, অৱেশ্যে ক্ৰমাগতভাবে আমাৰ গ্ৰাম্যঞ্চলৰ ৰাস্তাঘাটৰ কিছু উন্নতি নোহোৱা নহয় বা দলঙৰো কিছু উন্নতি নোহোৱা নহয় । কিন্তু সেইখিনিয়েই আমাৰ কাৰনে যথেষ্ট নহয়। সেই সময়ৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী শ্ৰীঅটল বিহাৰী বাজপেয়ী ডাঙৰীয়াই বিশেষভাবে গ্ৰাম্যঞ্চলৰ ৰাস্তা-ঘাটৰ উন্নয়নৰ ক্ষেত্ৰত তেওঁ এটা বলিষ্ঠ পদক্ষেপ লোৱাৰ কাৰনে, তেখেতে এটা যুগান্তকাৰী সিদ্ধান্ত লোৱাৰ কাৰনে আজি অসম তথা ভাৰতবৰ্ষৰ গ্ৰাম্যাঞ্চলৰ ৰাস্তা ঘাটৰ যথেষ্ট উন্নতি হোৱা পৰিলক্ষিত হৈছে। কিন্তু মই বিশেষভাবে দুটামান কথা মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ইতিমধ্যে কেইবাজনো মাননীয় বিধায়কে কৈছে যে আমাৰ বিশেষকৈ গ্ৰাম্যঞ্চলত ইতিমধ্যে আমাৰ যিখিনি চাৰ্ভে হ'ল আৰু সেই চাৰ্ভে অনুযায়ী আৰু কেন্দ্ৰীয় চৰকাৰৰ গাইড লাইন অনুযায়ী এতিয়া আমাৰ অসমতো যিমান পুপুলেচনৰ ওপৰত ভিত্তি কৰি এতিয়া আমাৰ ৰাস্তা ঘাটবিলাক নিৰ্মাণৰ ক্ষেত্ৰত বা পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত ব্যৱস্থা লোৱা হৈছে। কিন্তু কথাটো হৈছে চাৰ এইবাৰ আমি বিশেষভাবে লক্ষ্য কৰিছো যে আমাৰ এইবাৰ যিবোৰ পি এম জি এচ ৱাইৰ ৰাস্তা নিৰ্মাণ কৰি থকা হৈছে বা নিৰ্মাণ কৰিবলৈ লোৱা হৈছে, সেই ৰাস্তাবিলাকৰ ক্ষেত্ৰত টেণ্ডাৰ কল কৰিও এতিয়ালৈকে কিন্তু কিছুমান ৰাস্তাত ঠিকাদাৰে টেণ্ডাৰ পেলোৱা পৰিলক্ষিত হোৱা নাই। ক'ৰবাত হয়তো একোখনকৈ টেণ্ডাৰ পৰিছে। এখনকৈ টেণ্ডাৰ পৰাৰ কাৰণে বিভাগীয় নীতি নিয়মত নপৰাৰ কাৰনে তাৰো ৱৰ্ক অৰ্ডাৰ দিব পৰা নাই। ইয়াৰ মূল কাৰণটো হৈছে মাননীয় সভাপতি ডাঙৰীয়া, আমাৰ জি এচ টি হোৱাৰ পিচত এইটো সমস্যা দেখা দিছে আৰু তাৰ লগে লগে আমাৰ আগতে ফৰেষ্ট ডিপাৰ্টমেন্টৰ ওচৰত শিলৰ কুৱেৰী বিলাক আছিল। কিন্তু বিভিন্ন কাৰণত আমাৰ কুৱেৰীবিলাক বন্ধ হোৱাৰ পিচত আমি এতিয়া মেঘালয়ৰ ওপৰতে শিলৰ বাবে নিৰ্ভৰশীল।

কিন্তু মেঘালয়ৰ পৰা যিটো শিল আহিছিল, তাৰ কুৱেৰী বিলাকো মেঘালয় ৰাজ্যই বন্ধ কৰিলে ফলত শিলৰ নাটনি হৈছে। নিৰ্দিষ্টভাৱে হয়তো কিছু শিলৰ কুৱেৰী আমাৰ ফৰেষ্ট ডিপাৰ্টমেন্টৰ পৰা যদিও আবন্টণ দিয়া হৈছে। কিন্তু দুৰত্বটো বেছি হৈছে। গতিকে এতিয়া শিলৰ দাম যথেষ্ট বাঢ়িছে। জি এচ টি ৰ বাবেও এতিয়া শিলৰ দাম যথেষ্ট বাঢ়িল। তাৰ লগে লগে কমিউনিকেচনৰ বাবে আজি গাড়ীৰ বাবদ যিটো টকা দিব লাগে কঢ়িয়াই আনিবৰ বাবে সেই টকাৰ পৰিমান অধিক বৃদ্ধি পাইছে। আমি জানো যে জি এচ টি হোৱাৰ পিচত আমাৰ যিটো একচিচটিং যিটো চিডুল ৰেট আছে, সেই ৰেটমতে কোনো ঠিকাদাৰে পি এম জি এচ ৱাইত কাম কৰিববৈলে নাহে। গতিকে এতিয়া আমাৰ যিটো একচিচটিং শ্বিডুল ৰেট আছে । সেইটোৰ কিন্তু পৰিৱৰ্ত্তন কৰিব লাগিব আৰু যদি পৰিৱৰ্তন কৰা নহয়, ৰি চিডুল কৰা নহয় তেনেহ'লে আগৰ শ্বিডুল ৰেটত কিন্তু ঠিকাদাৰে কাম কৰিবৰ কাৰনে আগবাঢ়ি নাহিব। গতিকে মই বিশেষভাৱে সন্মানীয় সভাপতি মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে এই কামবিলাক যাতে আমি দ্ৰুত গতিৰে সম্পূৰ্ণ কৰিব পাৰোঁ। আমাৰ মিত্ৰ জোঁটৰ চৰকাৰ হোৱাৰ পিচত এতিয়া পি এম জি এচ ৱাইত যিমানপুঁজি আহিছে, যদি আমি সেইখিনি কাম কৰিব পাৰিলোহেঁতেন তেতিয়া ৰাইজে কিন্তু পৰিৱৰ্তনৰ প্ৰতিচ্ছবি দেখা পালেহেঁতেন। গতিকে পি এম জি এচ ৱাইৰ ৰাস্তা নিৰ্মাণৰ ক্ষেত্ৰত আমাৰ কাৰণে অলপ সমস্যা হৈছে । গতিকে এই কাৰনসমূহ উদ্‌ঘাটন কৰি যাতে আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে এটা কি ধৰণৰ এটা চিডুল ৰেট কৰিব পাৰি, যিটো চিডুল ৰেটত আমাৰ ঠিকাদাৰসকল কাম কৰিববৈলে আগবাঢ়ি আহিব পাৰে । তেনেধৰণৰ যদি এটা প্ৰচেষ্টা নলয় তেনেহলে মই ভাৱো যে আমাৰ পি এম জি এচ ৱাইৰ ৰাস্তাবিলাক আমি দ্ৰুত গতিৰে কামখিনি আগবঢ়াই নিব নোৱাৰিম। এইটো ক্ষেত্ৰত মই বিশেষভাৱে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোদ জনাইছো। মোৰ সমষ্টিৰ আৰু এটা সমস্যা হৈছে সভাপতি মহোদয় যে, আমাৰ যিবিলাক আন্তৰাজ্যিক সীমান্তৱৰ্ত্তী এলেকা আছে, সেই এলেকাবিলাকত বিশেষভাৱে পি এম জি এচ ৱাইৰ জৰিয়তে যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি হৈছে। মোৰ সমষ্টিটোৰ চান্দডুবিৰ ওচৰত মেঘালয় সীমান্তত গাড়ীলীক আৰু বাকলাফালাৰ ফালে মোৰ সমষ্টিৰ অন্তৰ্গত পি এম জি এচ ৱাইৰ তিনি -চাৰিটা ৰাস্তা অনুমোদন হৈছে। টেণ্ডাৰো হৈছে ৱৰ্ক অৰ্ডাৰো হৈছে। কিন্তু ৰাস্তাটো যেতিয়া নিৰ্মাণ কৰিববৈলে লোৱা হৈছে- ৰাস্তাটো অলপমান এৰিয়া মেঘালয়ৰ মাটিৰ ওপৰেদি লৈ যাব লাগে। এতিয়া মেঘালয়ৰ মাটিদি যেতিয়া আমি ৰাস্তাটো কৰিববৈলে যাও তাতে কিছুমান অসুবিধা আহি পৰিল কাৰণ আমাৰ মেঘালয় সীমান্তৱৰ্ত্তী এলেকাত মেঘালয়ৰ স্থানীয় আঞ্চলিক ৰজা থাকে। আৰু সেই ৰজাই আমাৰ PMGSY হওক বা বিভিন্ন যি উন্নয়নমূলক স্কীম আমি লওঁ তেওঁলোকৰ মাটিৰ ওপৰেদি ৰাস্তাটো কৰিব নিদিয়ে। যাৰ কাৰণে আমাৰ সীমান্তৱৰ্ত্তী ৰাস্তাবিলাক আধৰুৱা অৱস্থাত ৰাখিবলগীয়া হয়। কিন্তু সভাপতি ডাঙৰীয়া, মই এই ক্ষেত্ৰত ইতিমধ্যে আমাৰ মেঘালয়ৰ গড়কাপ্তানি মন্ত্ৰীক লগ কৰিছো। মই এখন চিঠি দিছো নো অবজেকচন লেটাৰ দিবৰ কাৰণে। মোৰ সমষ্টিৰ সেই ৰাস্তাটো তাত বনোৱাৰ কাৰনে ইতিমধ্যে মই সেই অঞ্চলৰ ৰজাৰ লগতো কথা পাতিছো। এতিয়া মই তাত সেই ৰাস্তাটো কৰিববৈলে সক্ষম হৈছো। এই ক্ষেত্ৰত মই এটা অনুৰোধ কৰিব বিচাৰিছো যে, মাননীয় মন্ত্ৰী মহোদয়ে আমাৰ মেঘালয় চৰকাৰৰ লগত আলোচনা কৰি আমাৰ সীমান্তৱৰ্ত্তী এলেকাত যিবিলাক পি এম জি এচ ৱাই ৰাস্তা হ'ব সেইবিলাকৰ ক্ষেত্ৰত যাতে মেঘালয় চৰকাৰে কোনোধৰণৰ এই ক্ষেত্ৰত অৱজেক্চন নিদিয়ে সেইটো নিশ্চিত কৰিব লাগে। কাৰন এইটো পি এম জি এচ ৱাই ৰাস্তা। এইটো কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ এটা স্কীম, গতিকে সেই স্কীমটোত বা ৰাস্তাটোত নিশ্চয় মেঘালয়ৰ মানুহো অহা যোৱা

কৰিব । লগতে অসমৰ মানুহো সেই ৰাস্তাইদি অহা যোৱা কৰিব। গতিকে তেনেক্ষেত্ৰত মই ভাবো যে আমাৰ মন্ত্ৰী মহোদয়ে, মেঘালয় চৰকাৰৰ লগত আলোচনা কৰি আমাৰ অসমৰ আন্ত ৰাজ্যিক সীমান্তৰ যিবিলাক পি এম জি চে ৱাই ৰাস্তা আছে সেইক্ষেত্ৰত যাতে জেনেৰেলী যাতে তেওঁলোকে এটা নো অৱজেকচন চাৰ্টিফিকেট দিবলৈ বাধ্য থাকে, সেইক্ষেত্ৰত তেওঁলোকৰ যাতে কোনো অবজেকচন নাথাকে , তেওলোকৰ লগত তেনেধৰনে আলোচনা কৰি যাতে এটা সিদ্ধান্ত লোৱা হয়। তেতিয়া সীমান্তত আমাৰ পি এম জি এচ ৱাইৰ ৰাস্তাৰ কামবিলাক দ্ৰুত গতিৰে আগবাঢ়িব আৰু তেতিয়া আমি নিশ্চয় সীমান্তৱৰ্ত্তী এলেকাতো এই সুবিধাখিনি সীমামূৰীয়া ৰাইজক দিব পাৰিম। আমাৰ মাননীয়া বন মন্ত্ৰী ডাঙৰীয়ানীও আছে মই মাননীয়া মন্ত্ৰী মহোদয়ক এটা কথা ক'ব বিচাৰিছো যে, মোৰ সমষ্টিৰ আমাৰ ৰাণীৰ পৰা জালুকপাম, জালুকপামৰ পৰা লখৰা - এই ৰাস্তাটোৰ অৱস্থা একেবাৰে শোচনীয়। মই মাননীয় মন্ত্ৰী ডাঙৰীয়ানীক দোষ দিব নিবিচাৰো কাৰণ সেইটোত চেণ্ট্ৰেল গৰ্ভমেন্টৰ ফৰেষ্টৰ গাইড লাইন আছে।

মাননীয় সভাপতি(শ্ৰী আব্দুল খালেক) আলোচনাটো পি ডব্লিউ ডি বিভাগৰ। গতিকে....

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাঃ** সভাপতি মহোদয়, মই পি ডব্লিউ ডি বিভাগৰ পি এম জি এচ ৱাইৰ কথাই কৈ আছো। পি এম জি এচ ৱাই ৰাস্তাৰ কামৰ ক্ষেত্ৰত মোৰ সমষ্টিত কি অসুবিধা হৈছে মই সেইটোহে কৈ আছো। এতিয়া এই যিটো ৰাস্তা, এই ৰাস্তাটো নিৰ্মাণৰ বাবে আধাৰশিলা স্থাপন কৰা হৈছে। সেইটো ক্ষেত্ৰত চেণ্ট্ৰেল গৰ্ভমেন্টৰ এনভাইৰনমেন্ট মিনিষ্ট্ৰিৰ পৰা এটা চাৰ্কোলাৰ আছে । সেই চাৰ্কোলাৰত ফৰেষ্টৰ মাটিৰ ওপৰেদি যদি তেনেকুৱা ৰাস্তা কৰিব লগা হয় তেতিয়া হ'লে সেইটো ব্লেক টপিঙ কৰিব নোৱাৰে কিন্তু কোল মিস্ক দি ৰাস্তাটো কৰাৰ এটা নিৰ্দেশনা আছে। এটা চাৰ্কোলাৰ আছে, ফৰেষ্টৰ মাজেৰেও যদি তেনেকুৱা ৰাস্তা আছে। তেতিয়া হলে সেইটো ব্লেক টপিকিং কৰিব নোৱাৰে। cold mix দি তেনেকৈ ৰাস্তা কৰাৰ এটা নিৰ্দেশনা আছে। মই ইতিমধ্যে আমাৰ বন বিভাগৰ বিষয়াক দিছো আৰু এইটো কেন্দ্ৰীয় চৰকাৰে কোনো objection দিয়া নাই। কেন্দ্ৰীয় চৰকাৰৰ তেনেকুৱা ধৰণৰ direction আছে। সেই direction অনুযায়ী মই আপোনাৰ জৰিয়তে বন বিভাগৰ মন্ত্ৰী ডাঙৰীয়ানিকো অনুৰোধ কৰিব বিচাৰিছো যে যিহেতু কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ ক্ষেত্ৰত কোনো ধৰণৰ অসুবিধা নোহোৱাকৈ (কাৰণ সেইটোৰ ক্ষেত্ৰত নিৰ্দেশনা আছে) সেই ৰাস্তা বিলাক কৰাৰ ক্ষেত্ৰত আমাৰ পাহাৰ অঞ্চলৰ ৰাইজে যাতে উন্নত ৰাস্তাৰে আহিব পৰা এটা অৱস্থা কৰিব পৰা যায় তাৰ বাবে বিশেষ ভাৱে পদক্ষেপ লোৱাৰ কাৰণে মই অনুৰোধ জনাইছো। গতিকে PMGSY ৰ ক্ষেত্ৰত আমি যিখিনি অসুবিধা পাইছো মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক এই কথাখিনি অৱগত কৰিছো আৰু maintenance ৰ ক্ষেত্ৰত এটা নিয়ম আছে যে এটা ৰাস্তা নিৰ্মাণ কৰাৰ পাচ বছৰ সম্পূৰ্ণ হোৱাৰ পিছত শতকৰা এটা ভাগ টকা সেই ৰাস্তাটোৰ পৰা বিভাগে জমা কৰি ৰাখে। ৫ বছৰ পূৰ্ণ হোৱাৰ পিছত সেই ৰাস্তাতো মেৰামতি কৰাৰ এটা নিয়ম আছে। সেইমতে অৱশ্যে আমাৰ যিখিনি পাচ বছৰ পূৰ্ণ হৈছে, সেইখিনি ইতিমধ্যে মেৰামতি চলিছে। কিন্তু তাৰ আগৰ যিবিলাক ৰাস্তা সেইবিলাকৰ মেৰামতিৰ কোনো পদক্ষেপ এতিয়াও লোৱা হোৱা নাই। সেই ৰাস্তাবিলাকো এতিয়া দেখা গৈছে যে বিধ্বস্ত অৱস্থাত আহিছে। গতিকে মই ভাৱো যে আমাৰ মাননীয় মহোদয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি নতুবা আমাৰ ৰাজ্যিক পুঁজি আছে গড়কাপ্তানি বিভাগৰ, তাতে পুঁজি ধাৰ্য কৰি আমাৰ পুৰনা যিবিলাক PMGSY ৰাস্তা বিধ্বস্ত হৈছে, সেই ৰাস্তাবিলাক যদি পুনৰ মেৰামতি কৰা নহয় তেনেহলে আমাৰ সেই অঞ্চলত যে পকী ৰাস্তা আছে বুলি কোৱাৰ কোনো ধৰণৰ সুযোগ নাথাকিব। গতিকে মই আশা ৰাখিছো এই ক্ষেত্ৰতো

মাননীয় গড়কপ্তানি বিভাগৰ মন্ত্ৰীয়ে দৃষ্টি নিক্ষেপ কৰিব আৰু মিত্ৰজোটৰ চৰকাৰ অহাৰ পিছত দেখিছো যে PMGSY তে নহয়, বিভিন্ন scheme ৰ জৰিয়তে, বিভিন্ন পুঁজিৰ জৰিয়তে আজি ৰাস্তা ঘাটৰ কাম যথেষ্ট পৰিমানে কৰিববলৈ নিশ্চয় সক্ষম হৈছে। অৱশ্যে আমাৰ যোৱা বছৰ যথেষ্টখিনি পুঁজি আহিছিল, কিন্তু এই বাৰ অকনমান বৰ্তমান বিত্তীয় বৰ্ষত অলপ স্থবিৰ হৈছে। গতিকে কিয় স্থবিৰ হৈছে, মই নাজানো, আমি বিশেষভাৱে দেখিছো এইবাৰ যিধৰণে টকাৰ আবন্টন পাব লাগিছিল বা আমাৰ বিধায়ক সকলে বিভিন্ন ৰাস্তা -ঘাটৰ টকা আমি পাব লাগিছিল, নিশ্চয় **৩১** মাৰ্চৰ ভিতৰত গোটেই পুঁজি মুকলি কৰিব। তেতিয়া হয়তো আমি কাম কৰিবৰ কাৰণে সক্ষম হম। পুঁজি নোপোৱাৰ কাৰণে হয়তো কিছু অসুবিধাৰ সৃষ্টি হব পাৰে বুলি মই ভাবিছো। গতিকে মই বিশেষভাৱে এই ক্ষেত্ৰতো আমাৰ বৰ্তমানৰ বিত্তীয় বৰ্ষৰ যিটো টকা, সেই টকাখিনিও যাতে মুকলি কৰাৰ ক্ষেত্ৰত আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে বিশেষ ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে মই বিশেষভাৱে অনুৰোধ জনাইছো আৰু লগে লগে আজি অসমত যি বিলাক দলং আছে। এই দলঙৰ অৱস্থা বিলাক পৰ্য্যায়ক্ৰমে এক বা ডেৰ বছৰৰ ভিতৰত সমগ্ৰ অসমৰ আগৰ চৰকাৰে নকৰা কাম কৰি দিব সেইটো মই নকওঁ। কিন্তু মোৰ প্ৰশ্নটো হৈছে যে আমি ডেৰ বছৰত গড়কপ্তানি বিভাগৰ ৰাস্তায়ে হওঁক, দলঙে হওঁক যিধৰণে কাম কৰাৰ ব্যৱস্থা লৈছে, পৰিকল্পনা লৈছে। সেইপৰিকল্পনা বিলাক যাতে স্থবিৰ নহয়। এই পৰিকল্পনা যাতে আমাৰ বিগত দিনত যিধৰণে কাম কৰি অহা হৈছে তেনেধৰণে কাম বিলাক অব্যাহত থাকে তাৰবাবে মন্ত্ৰী মহোদয়ে নিশ্চয় বিশেষভাৱে দৃষ্টি ৰাখিব লাগিব। আমি দেখিছো যে RIDF ৰ পৰা দলঙৰ বাবদ পুঁজিৰ আবন্টন দিয়া হৈছিল। আজি এগৰাকী বিধায়িকাই কোৱাৰ দৰে, মই মোৰ সমষ্টিৰ বাবে দুখন দলং দিছিলো তাৰে এখন কাটিছে। মই দেখিছো মোৰ দলঙখন খুব দীঘল নহয়, যদি দীঘল হলেহেতেন এখন দিলেও মোৰ কবলগীয়া নাছিল। মোৰ দলঙখন এনেকুৱা এটা অৱস্থাত আছে যত জালুকবাৰীৰ ইউনিভাচিটিৰ ওচৰত লংকেশ্বৰৰ খানাজান নদী বৈ গৈছে। আমি যোৱা বছৰ RIDF ৰ দুই কোটি টকা দিছো, তাৰ connected National Highway । মই সেইটো বহু বাৰ কলো, যদি সেই দলঙখন পকী নকৰে, এতিয়া সেই দলঙখনৰ ওপৰৰে গ'লে লৰি থাকে । মই সভাপতি ডাঙৰীয়াৰ জৰিয়তে মন্ত্ৰী মহোদয়ক কব বিচাৰিছো যে ইয়াৰ পিছত বাৰিষা আহিলে সেই দলঙখনত যে অঘটন ঘটিব, সেইটো নিশ্চিত আজিৰ তাৰিখ আপোনালোকে লিখি ৰাখক। সেই অঘটন যদি হব লগীয়া হয়, তেনেহলে কি অৱস্থা হব সেই কথাটো মই বিশেষ ভাৱে মাননীয় মন্ত্ৰী মহোদয়ক উপলব্ধি কৰিবৰ কাৰণে অনুৰোধ জনাইছো যাতে সেই দলঙখনৰ এটা ব্যৱস্থা লয়। মই নিজে পশ্চিম গুৱাহাটীৰ বিধায়ক হিচাপে অসম বিধান সভাত কথাখিনি উত্থাপন কৰিছো । মই আমাৰ মিত্ৰজোটৰ চৰকাৰৰ অংশীদাৰ। গতিকে যাতে তেনেধৰণৰ ঘটনাৰ আইন অৱস্থাৰ অৱনতি নঘটে তাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। বিশেষ আৰু মই কবলৈ নাযাওঁ, বিশেষভাৱে PMGSY ৰ বিষয়ে, আমাৰ অসমখন বানপীড়িত ৰাজ্য । আজি কেন্দ্ৰীয় চৰকাৰে গোটেই ভাৰতবৰ্ষৰ বাবে PMGSY ৰ guideline । সেই guideline টো অসমৰ কাৰণে ব্যতিক্ৰম হোৱা ভাল। এই কাৰণে ব্যতিক্ৰম হোৱা ভাল, আমি যদি চাবলৈ যাওঁ ভাৰতবৰ্ষৰ অসমৰ বাহিৰে অন্য ৰাজ্যৰ যিটো ভৌগলিক পৰিবেশ বা পৰিস্থিতি। সেই ভৌগলিক পৰিবেশটো আমাৰ অসমৰ একে নহয়। গতিকে যিহেতু একে নহয়, ছয় মাহ আমি পানীৰ তলত থাকিব লাগে, সেই guideline মতে আমাৰ অসমত যদি কৰা যায় তেতিয়া হলে কিন্তু আমি সুফল পাবলৈ সক্ষম নহওঁ। যদি আমি সুফল পাব লাগে, তেতিয়া হলে যিটো কেন্দ্ৰীয় চৰকাৰৰ guideline টো কিছু এটা পৰিৱৰ্তন কৰিব লাগিব। মই আপোনাৰ জৰিয়তে মাননীয় গড়কাপ্তানি বিভাগক অনুৰোধ

জনাইছো যে এই guideline টোৰ ক্ষেত্ৰত অসমৰ বা উত্তৰ - পূৰ্ব্বাঞ্চলৰ কাৰণে কিবা সুকীয়া guideline লৈ, আমি যাতে ৰাস্তা-ঘাট বিলাক নিৰ্মাণৰ ক্ষেত্ৰত ব্যৱস্থা লব পাৰো তাৰ কাৰণে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি এটা সুস্থিৰ সিদ্ধান্ত লোৱাৰ কাৰণে অনুৰোধ জনাই মই মোৰ যি পৰিপুৰক দাবী মঞ্জুৰীৰ যিটো প্ৰস্তাৱ, এই প্ৰস্তাৱত পূৰ্ণ সমৰ্থন জনাই আৰু বিৰোধী দলেও নিশ্চয় এইটো আলোচনা কৰাৰ উদ্দেশ্যেৰে নিশ্চয় আনিছে, তেওঁলোকেও তেওঁলোকৰ বক্তব্য নিশ্চয় ৰাখিব আৰু এই কৰ্তন প্ৰস্তাৱটো তেওঁলোকে এশ টকা হ্ৰাস কৰি নিলিখি, এশ টকা আৰু বেছিকৈ দি লিখিলেহে মানে ভাল হ'লহেতেন। এইখিনি কথা কৈ আপুনি এই সুযোগটো দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় সভাপতিঃ** ধন্যবাদ। এতিয়া বক্তব্য ৰাখিব মাননীয় সদস্য শ্ৰী নিজানুৰ ৰহমান।

**শ্ৰী নিজানুৰ ৰহমান, গৌৰীপুৰ ঃ** মাননীয় সভাপতি মহোদয়, আমাৰ দলে অনা পৰিপূৰক দাবী মঞ্জুৰীৰ ওপৰত মই সমৰ্থন কৰি PMGSY ৰ ৰাস্তাৰ ওপৰত কব ওলাইছো। মোৰ সমষ্টিত PMGSY ৰ যিখন list আছিলে, তাত ৩৫ টা ৰাস্তা আছিলে। কিন্তু দেখা গ'ল যেতিয়া survey হ'ল, আমি নতুনকৈ বিধায়ক হোৱাৰ পিছত survey হোৱাৰ সময়ত, যাক survey কৰাৰ কাৰণে consultancy ৰ contract দিছিলে । তেওঁলোকে সমষ্টিত গৈ তাৰ পৰা ১০, ১১ টা ৰাস্তা বাধা দিলে যে image not support, তেনেকুৱা কিছুমান technical কথা আৰু এইটো feasible নহয়। তেনেকুৱা ২০, ২১ টা ৰাস্তা PMGSY ত আছে। কিন্তু দুৰ্ভাগ্যৰ বিষয় এই ৰাস্তাখিনি tender ৰ সময়ত এতিয়ালৈকে priority পোৱা নাই আৰু দুটামান ৰাস্তা আছিলে মোৰ সমষ্টিত বৰাইবাৰী - ঘেগ্ৰালগাওঁ road এইটো manually survey কৰি জমা দিয়া হৈছে আৰু বৰাইবাৰী - কণ্ঠাপাৰা road এইটোও manually survey কৰি দিয়া হৈছে। কিন্তু এই দুয়োটা ৰাস্তা tender ত গ'ল। কিন্তু আকৌ এই re-tender ৰ কাৰণে call কৰিছে। কিন্তু এই PMGSY ৰ ৰাস্তাৰ যিটো বিসংগতি, ইমান কেইটা ৰাস্তা থকাৰ পিছতো মাত্ৰ দুটা ৰাস্তাহে priority পাইছে। গতিকে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যাতে আগন্তুক দিনত আমাৰ যিখিনি ৰাস্তা PMGSY ত already থাকি গ'ল, সেইখিনিক priority দিব লাগে। যিহেতু আমি শুনিছো এইটো বছৰতে PMGSY ৰ ৰাস্তা হোৱাৰ পিছত নতুনকৈ PMGSY ৰ ৰাস্তা নহব। গতিকে যাতে আগন্তুক যিখন tender call কৰিব তাতে যাতে আমাৰ এইখিনি ৰাস্তা সোমাই যায়। তাৰ কাৰণে মই অনুৰোধ কৰিম লগতে মোৰ সমষ্টিত দুখন জিলাত বিভাক্ত, এটা অংশ পৰ্বযোৰা sub-division, কোকৰাঝাৰ জিলাৰ লগত সংলগ্ন , এই অঞ্চলটো দুৰ্গম হোৱাৰ হেতুকে ইয়াৰ ৰাস্তা-ঘাট বিলাক বহুত পিছ পৰা আৰু বহুতো কাঠৰ দলং আছে, এই বিলাক মেৰামতিৰ অভাৱত ৰাইজে বহুত দুৰ্ভোগ ভূগি আছে। এইখিনি অঞ্চলতো PMGSY ৰ ৰাস্তা আছে, এই অঞ্চলবিলাক যিহেতু পাহাৰীয়া অঞ্চল তাত কোনো মাটিৰ সমস্যা নাই, তাত কিয় not feasible বুলি কলে technically মই বুজিব পৰা নাই । এই কাৰণে মই specially মন্ত্ৰী মহোদয় দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যাতে মোৰ সমষ্টিৰ পৰ্বযোৰা sub-division ৰ ভিতৰত যিখিনি PMGSY ৰ ৰাস্তা আছে এইখিনি গুৰুত্বসহকাৰে যাতে লয় সভাপতি মহোদয় মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছে যে, মোৰ সমষ্টি পৰ্বতঝোৰা চাবডিভিজনৰ যিখিনি পি.এম.জি.এছ. ৱাইৰ ৰাস্তা আছে, সেইখিনি যাতে বিভাগে গুৰুত্ব সহকাৰে লয়। লগতে যিখিনি পথ এই আঁচনিৰ বাহিৰত আছে সেইখিনিৰ ক্ষেত্ৰতটো নতুনকৈ যাতে চাৰ্ভেৰ ব্যৱস্থা কৰে । সেইখিনি কৰিলে আমি ভাল পাম। পি.এম.জি.এছ. ৱাইৰ আগতে কৰা ৰাস্তাসমূহৰ মেৰামতিৰ

বাবে ধন থকাৰ পিছতো পথসমূহ ঠিকাদাৰসকলে মেৰামতি নকৰে। পথ সমূহৰ মেৰামতিৰ বাবে নিয়ম অনুসৰি পাঁচ বছৰৰ এগ্ৰিমেন্ট থাকে যদিও তেওঁলোকে মেৰামতি নকৰে। যিসকল ঠিকাদাৰে মেৰামতি নকৰে, তেওঁলোকে ধন মোকালাই যাতে নিব নোৱাৰে তাৰ প্ৰতি বিভাগটোৱে যাতে গুৰুত্ব দিয়ে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম যে, পি.এম.জি.এছ. ৱাইৰ আগতে যিসমূহ পথৰ কাম কৰা হৈছে সেই পথ সমূহৰ বাকী থকা অংশসমূহৰ কাম কৰাৰ ব্যৱস্থা আছে নেকি? লগতে যোগাযোগ ব্যৱস্থাটো আৰু অধীক সূচল কৰাৰ স্বাৰ্থত পি.এম.জি.এছ. ৱাইৰ পথ সমূহৰ বাকীথকা অংশৰ কাম কৰি মূল পথ সমূহৰ লগত সংলগ্ন কৰাৰ বিষয়টো চৰকাৰে বিবেচনা কৰিব লাগে। চৰকাৰে 'সবকা চাথ, সবকা বিকাশ'ৰ কথা কৈছিল, কিন্তু এনুৱেল প্লানৰ সকলো সমষ্টিতে টকা পাইছে আমি বৰ্তমানলৈকে পোৱা নাই।

**শ্ৰীআব্দুল খালেক (সভাপতি) ঃ** মই মাননীয় সদস্য গৰাকীক অনুৰোধ জনাম যে যিটো দাবীমঞ্জুৰীৰ ওপৰত আলোচনা হৈ আছে, সেইকেইটা দাবী মঞ্জুৰীৰ ওপৰত বক্তব্য ৰাখক। এতিয়া যিহেতু প্ৰাধনমন্ত্ৰী গ্ৰাম্য পথ পকীকৰণৰ ওপৰত আলোচনা হৈ আছে, গতিকে আপুনি প্ৰধানমন্ত্ৰী গ্ৰাম্য পথ পকীকৰণৰ ওপৰত বক্তব্য ৰাখক।

**শ্ৰীনিজানুৰ ৰহমান (গৌৰীপুৰ) ঃ** সভাপতি মহোদয়, নতুনকৈ বিধায়ক হিচাবে আমাৰ সমস্যাৰ কথাবোৰ ক'বলৈ চেষ্টা কৰিছো। যিহেতু মোৰ সমষ্টিটোত বানপানীৰ সমস্যা আছে গতিকে তাত ৰাস্তা-ঘাটৰ অৱস্থাটো বৰ বেয়া, তাৰ প্ৰতি গুৰুত্ব দিয়াৰ লগতে পি.এম.জি.এছ. ৱাইৰ মেৰামতিৰ যিখিনি টকা আছে সেইখিনিৰে ঠিকাদাৰসকলৰ দ্বাৰা ভগ্ন পথসমূহ মেৰামতিৰ যাতে ব্যৱস্থা কৰে তাৰ বাবেও মই মন্ত্ৰী মহোদয় অনুৰোধ জনাইছো। যিসকল ঠিকাদাৰে মেৰামতি নকৰে তেওঁলোকক ধন মোকলাই নিদিবলৈও মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক আহ্বান জনালো। আজি আমাৰ ইয়াত বিষয়াৰ বিথিকাত গড়কাপ্তানী বিভাগৰ বিষয়াসকল আছে, তেখেতসকলকো মই কওঁ যি ঠিকাদাৰে কাম নকৰে, তেওঁলোকক ধন মোকলাই দিব নালাগে। সভাপতি মহোদয়, অন্য সমষ্টিৰ কথা নাজানো মোৰ সমষ্টিৰ কথা কৈছো, বৰ্তমানলৈ পি.এম.জি.এছ. ৱাই আঁচনিৰ কোনো পথৰ কাম হোৱা নাই । গতিকে ঠিকাদাৰক টকা মোকলাই দিব নালাগে, যেতিয়ালৈকে মেৰামতিৰ কাম সমূহ সম্পূৰ্ণ নহয়। মোৰ ওচৰৰ শ্ৰীঅনন্ত মল্লৰ সমষ্টিৰ কুচবাৰী-অভয়াপুৰী দক্ষিণ পথটি যোৱা বানপানীত ক্ষতিগ্ৰস্ত হৈছে এই বিষয়টোও মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। এটা গুৰুত্বপূৰ্ণ বিষয় আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে, যি ঠিকাদাৰে 18 – 19 percent belowত tender দিয়ে, সেই সকলক ঠিকাদাৰক কাম দিব নালাগে। কাৰণ below নিবিদা দি কামটো আবন্টন লৈ কামটো পেলাই থয়, কেতিয়াবা কেতিয়াবা দুই তিনিবছৰ কাম পেলাই থয়। মোৰ সমষ্টিৰ আৰ.আই.ডি.এফৰ এটা আঁচনিৰ কাম তিনি বছৰলৈকে কাম সম্পূৰ্ণ কৰা নাই। এইটো ইতিমধ্যে বিধান সভাত প্ৰশ্নও কৰিছো। ফকৰুদ্দিন আলি আহমেদ নামৰ পথটিৰ কামো বিগত তিনি বছৰে ঠিকাদাৰে সম্পূৰ্ণ কৰা নাই। গতিকে এই ধৰণৰ ঠিকাদাৰ সমূহক কাম দিয়াটো বন্ধ কৰিব লাগে। টকা পাইচাৰ অভাৱত তেওঁলোকে কাম কৰিব নোৱাৰে, কামটো লৈ পেলাই থয় যাৰ ফলত ৰাইজে কষ্ট ভোগ কৰিবলগীয়া হয়। আমি দেখিবলৈ পাইছো যে কাম সম্পূৰ্ণ নকৰাকৈ ঠিকাদাৰে বিলটো উঠায় লয়। গতিকে কাম সম্পূৰ্ণ নকৰালৈকে বিল দিয়া বন্ধ কৰিব লাগে। মই অনুৰোধ জনাইছো এই বিষয়বোৰৰ ওপৰত যাতে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰে। এইখিনি কৈ কৰ্তন প্ৰস্তাৱত অংশগ্ৰহণ সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণী মাৰিলো।

**শ্ৰীআব্দুল খালেক (সভাপতি)** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীমহেশ্বৰ বড়ো।

**শ্ৰীমহেশ্বৰ বড়ো (কলাইগাওঁ)** ঃ মাননীয় সভাপতি মহোদয়, আজি সদনত মই গড়কাপ্তানী বিভাগৰ দাবী মঞ্জুৰীৰ ওপৰত বিৰোধীয়ে অনা কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি বক্তব্য আগবঢ়াব ওলাইছো। পি.এম.জি.এছ্. ৱাই আঁচনিৰ প্ৰথম পৰ্য্যায়ৰ কাম বৰ্তমান অসমত চলি আছে। এই বিষয়ত সদনত ইতিমধ্যে বিভিন্নজন মাননীয় সদস্যই বক্তব্য আগবঢ়াইছে। বিগত দিনবিলাত কি ধৰণে চাৰ্জে কৰিছিল, সেই বিষয়ে আমাৰ সতীৰ্থ বিধায়ক শ্ৰীকমল সিং নাজাৰী ডাঙৰীয়াই বিশদ ভাৱে কৈছে। বৰ্তমানেও বহু পথ এই আঁচনিৰ অন্তৰ্ভূক্ত কৰিবলৈ বৈ গ'ল। আমাৰ বি.টি.চি সৃষ্টি হোৱাৰ পিছত নতুনকৈ কেইখনমান জিলা গঠন কৰা হ'ল আৰু এই জিলাসমূহৰ কাম পুৰণি জিলাসমূহৰ জৰিয়তে চলাই থকাৰ ফলত নতুন জিলাসমূহৰ উন্নয়নৰ কামৰ ক্ষেত্ৰত হেমাহি কৰি থকা হৈছে। সেই কাৰণে বহু প্ৰয়োজনীয় ৰাস্তা এই আঁচনিৰ অধীনত ল'ব লাগিছিল যদিও থাকি গৈছে। দৰং, ওদালগুৰি, বাক্চা, নলবাৰী, বৰপেটা, চিৰাং আৰু বঙাইগাওঁ জিলাত বহুত ৰাস্তা এই আঁচনিৰ পৰা বাদ পৰি গৈছে। ইয়াৰ উপৰি যিখিনি পথৰ কাম কৰা হৈছে সেই পথসমূহৰ লগত সংলগ্ন বহু দলং এই আঁচনিত অন্তৰ্ভূক্ত নহ'ল। দুয়োপাৰৰ ৰাস্তা পকীকৰণ হ'ল কিন্তু দলং নহ'ল, যাৰ বাবে ৰাস্তা বনোৱাটো কোনো কামত নাহিল। সেয়েহে এই থাকিযোৱা দলঙসমূহ নিৰ্মাণৰ বাবে আমাৰ বিভাগৰ পৰা প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে। মই আশা ৰাখিছো যে, ৰাইজৰ যাতায়তৰ সুবিধাৰ বাবে এই দলং সমূহৰ নিৰ্মাণৰ প্ৰস্তাৱটো গ্ৰহণ কৰি সোনাকালে ব্যৱস্থা গ্ৰহণ কৰিব। বি.টি.এ.ডি গঠন হোৱাৰ পিছত চুক্তি অনুসৰি বিভিন্ন বিভাগক যিহেতু হস্তান্তৰ কৰা হৈছে, সেয়েহে বি.টি.এ.ডি.ত গড়কাপ্তানী বিভাগৰ যথেষ্ট কাৰ্য্যালয় স্থাপনৰ প্ৰয়োজন আছে। বি.টি.চি চৰকাৰৰ তৰফৰ পৰা অসম চৰকাৰলৈ বিভিন্ন বিষয়ত প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছিল আৰু সেই প্ৰস্তাৱসমূহৰ ভিতৰত পি.এম.জি.এছ্. ৱাই আঁচনি সম্পৰ্কতো প্ৰস্তাৱ আছিল। এই আঁচনিটো ৰূপায়ণৰ ক্ষেত্ৰত বৰ্তমান প্ৰস্তাৱটো কাৰ্য কৰিকৰণ যথেষ্ট প্ৰয়োজন আহি পৰিছে। BTC Department has sent proposal for the "Creation of post of Superintending Engineer, PWD, R&B of Udalguri and Baksa district at Udalguri." আৰু "Reorganisation of Office of the Executive Engineer, PWD (Electrical)." এই বিভাগটো non-BTC district দ্বাৰা cover কৰা হৈছে। Covering three districts of BTC i.e.Chirang, Baksa, Udalguri by excluding Dhubri, Bongaigaon and Goalpara. These proposals are made to reorganise the offices and improve work. But the State Government has not yet approved. Proposal for creation of posts of Assistance Executive Engineer (Electrical) alongwith subordinate staff at Udalguri under Executive Engineer, PWD (Electrical), Kokrajhar district. The Proposal for creation of post of PWD (Mechanical) Division at Kokrajhar covering four districts of BTC and upgradations of office of Assistant Executive Engineer, PWD (Mechanical), Serfanguri. সভাপতি মহোদয়, মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী আৰু বিষয়াসকলক অনুৰোধ কৰিব বিচাৰিছো। বিশেষ ভাৱে মই চৰকাৰখনক ধন্যবাদ জনাইছে যে ওদালগুৰি জিলা PWD (Building) Division নাছিল, বৰ্তমান PWD(Road)ৰ লগত সংলগ্ন কৰি PWD (Roads and Building)

Division করি দিয়া হৈছে। বিশ্ববেঙ্কৰ তৰফৰ পৰা আমাৰ ওদালগুৰি জিলাত বিগত দুমাহে যথেষ্ট ৰাস্তাৰ চাৰ্ভে কৰি থকা হৈছে। সভাপতি মহোদয়, ধন্যবাদ জনাইছো চৰকাৰখনক বিশেষভাৱে আমাৰ ওদালগুৰি জিলাত Building Division নাছিল, বৰ্তমান Roads ৰ লগত মিলাই R&D মানে Roads & Division তাৰ কাৰণে মই বৰ্তমান চৰকাৰৰ বিভাগীয় মন্ত্ৰীকে আদিকে ধৰি চৰকাৰক ধন্যবাদ জনাইছো আৰু বৰ্তমান Survey ৰ কথাটো কওঁ বিশ্ব বেংকৰ পৰা গৈ ওদালগুৰি জিলাত যথেষ্টখিনি ৰাষ্টা Survey করি আছে। প্ৰায় ২মাহ ধৰি চলি আছে, গতিকে পিছৰ দিন বিলাকত যিবোৰ Include হোৱা নাছিল, এইবোৰ ৰাস্তা Include কৰায় অন্য শিতানত হয়তো আমি যথেষ্টখিনি ৰাস্তা বিলাক পকী কৰণ কৰিব পাৰিব। তাৰ কাৰণে মই চৰকাৰক ধন্যবাদ জনাইছো, দুষাৰ কথা মই উল্লেখ কৰিব বিচাৰিছো, বিশেষভাৱে মোৰ সমষ্টিত চুই যোৱা আমাৰ যিটো ভাৰতৰ মন্ত্ৰী নীতিন গাডকাৰী ডাঙৰীয়াই আহি ব্ৰহ্মপুত্ৰ ব্ৰীজখন উদ্ধোধন কৰা সময়ত বহুটো State Highway Declare দিয়া হৈছিল, ঠিক তেনেকুৰা আমাৰ বাইহাটা চাৰিআলিৰ পৰা via গোৰেশ্বৰ খৈৰাবাৰী টংলা ওদালগুৰি হৈ ৰৌতালৈ গৈ পোৱা সেই ৰাস্তা ও ঘোষণাত আছিল আৰু মংগলদৈ ভূটিয়া চাংসেই ৰাষ্টা ও ঘোষণা কৰা হৈছিল। এতিয়া কি পৰ্য্যায়ত হৈ আছে, আমি গম নেপাও, গতিকে এই বিলাক যদি সচাঁকৈ বাস্তৱ ৰূপ পায়, সেই অঞ্চলত বাস কৰি থকা ৰাইজৰ যথেষ্টখিনি সুবিধা হব। সেইটো নিশ্চয় খৰতকীয়া কৰিব, ঘোষনাতে যাতে সীমাবদ্ধ নাথাকি বাস্তৱত আমি দেখিবলৈ পাওঁ সেইটো আশা ৰাখিছো। মংলদৈ -ভূটিয়া চাং ৰোডত তেতিয়া বৰ্তমান Maintenance ৰ কাম চলি আছে, প্ৰায় ৫ বছৰ আগত বহু কোটি টকাৰে জৰাজীৰ্ণ ৰাস্তাখনি নিৰ্মাণ কৰা হৈছিল, এতিয়া জহি-খহি গৈছে বিভাগে সেইটো অন্তৰ্ভূক্ত কৰি Maintenance কৰাই আছে, কিন্তু তাতে হয়তো ঠায়ে ঠায়ে নিম্ন খাপৰ কাম বিলাক হৈছে। যাৰ ফলত আমাৰ আছুকে ধৰি অসম জাতিয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে আন্দোলনৰ পন্থা গ্ৰহণ কৰিছে, ৰাস্তা মেৰামতি কৰাত আন্দোলন Electronic Media, Paper তো আহিছে, তাৰ মানে ৰাইজৰ ঘোৰ আপত্তি। কাৰণ এই ৰাস্তাবোৰ যিহেতু আন্তঃৰাষ্ট্ৰীয় সংযোগী পথ ভূটানৰ লগত সেয়েহে এই ৰাস্তাবোৰ যাতে ভালকৈ কৰা হয় আৰু বহুদিন ধৰি বৰ্তমান বন্ধ হৈ আছে। যিহেতু মংগলদৈৰ পৰা পানেৰী লৈকে মেৰামতিৰ কাম ধৰা হৈছিল, এতিয়া টংলা গৈ পাওঁ পাওঁ অৱস্থাত বৰ্তমানে বন্ধ হৈ আছে, বহুদিন ধৰি কাম কৰা নাই। কি কাৰণত কৰা নাই আমি গম পোৱা নাই, ঠিকাদাৰ আছিল প্ৰভু আগৰৱালা নিশ্চয় সেইটো খৰটকীয়া কৰি যদি ৰাস্তাটো ভালকৈ বনাই দিয়ে, বহুতো মুখ্য ৰাস্তা তাত বিশাল ডাম্পাৰ বিলাক গৈ ননৈ ৰেঞ্জৰ পৰা শিল বালি কঢ়িয়াই এই ৰাস্তা বোৰেদিয়ে অসমৰ বিভিন্ন ঠাইত শিল বালি আনে, ডাঙৰ ডাঙৰ ডাম্পাৰ বিলাক চলি থাকে, গতিকে ৰাস্তাবোৰ যদি ভাল হয়, নিশ্চয় যথেষ্টখিনি ভাল হয়। সেইটোৰ কাৰণে আমাৰ অঞ্চল বিলাকত যিবোৰ ডাম্পাৰ চলে যিমানখিনি লোড লৈ পেলাই ৰাস্তাটোত আহিব লাগে তাতকৈ বেছি লোড লৈ অহা হেতুকে ৰাস্তাবোৰ সোনকালে ভাঙি চিঙি চুৰমাৰ হৈ যায়। এইটো ক্ষেত্ৰত আপোনাৰ যোগেদি মই মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো, আজিলৈকে কাম কৰি শেষ কৰিব পৰা নাই, আৰু কাম খুব নিম্ন মানৰ হৈছে। ৰাইজৰ আপত্তি এইটো প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনা ৰ অধীনতে অন্তৰ্ভূক্ত আছিলে এইটো ৰাস্তা কিন্তু বেলেগ বেলগে ৰাস্তা বিলাক হৈ গৈছে, আজিলৈকে সেইটো ৰাস্তা সম্পূৰ্ণ নহ'ল। গতিকে বিভাগৰ ইঞ্জিনিয়াৰ সকলক নিজেও বাৰে বাৰে অনুৰোধ কৰিছো, আজিলৈকে শেষ কৰি দিব পৰা নাই আৰু এই মুখ্য ৰাস্তাটো মই উল্লেখ কৰিব বিচাৰিছো, ওদাগুৰিৰ পৰা ৰৌতালৈ যোৱা আমাৰ ৰাস্তাটো Simplex Company য়ে কৰি আছিল। কিন্তু আজিলৈকে

সম্পূৰ্ণ নহল। এই ৰাস্তটোৰ ঠিকাদাৰ কাম নকৰাকৈ ক'ত গল এতিয়া কামটো পৰি আছে, গতিকে সেই ক্ষেত্ৰত যাতে এই ৰাস্তাটোৰ কামত খুব সোনাকালে কৰি দিয়াৰ কাৰণে বিভাগে ব্যৱস্থা লয়, তাৰ কাৰণে মই আপোনাৰ যোগেদি বিভাগীয় মন্ত্ৰীক অনুৰোধ ৰাখিছো, মই আশা ৰাখিছো আমাৰ সমষ্টি বিলাকত প্ৰত্যকটো বিধান সভা সমষ্টিতে Signature Project ত কিছুমান কাম কৰিবৰ কাৰণে আমাৰ পৰা আঁচনি বিচাৰিছিল। ঠিক তেনেকৈ মোৰ সমষ্টিত বহুদিন ৩০ বছৰৰ আগত কৰা এটা ৰাস্তা অন্তৰ্ভূক্ত কৰিছিল, যি পথটো জৰাজীৰ্ণ হৈ গৈছে, Signature Project ত কেতিয়া লৈ হব যদি হয়, এইটো ৰাস্তা সোমাই গৈছে, ইয়াতে ৩টা সমষ্টি চুই গৈছে, টংলা মহিলা পাৰা ৰোড আমাৰ ছিপাঝাৰ সমষ্টি, কলাই গাওঁ সমষ্টি, পানেৰী সমষ্টি। ছিপাঝাৰ সমষ্টিৰ Portionখিনি Maintenance ত অন্তৰ্ভূক্ত কৰা হৈছে, পানেৰী সমষ্টিৰ Portionখিনিও Maintenance ত অন্তৰ্ভূক্ত কৰা হৈছে, এতিয়া কিন্তু মাজৰ Portionখিনি কলাইগাওঁ বিধান সভা সমষ্টিত সৰু সৰু নদীবোৰে আৰু গড়াখহনীয়াই ৰাস্তাখিনি গোটেই ধংস কৰি পেলালে। এতিয়া নতুনকৈ যিহেতু Construction কৰিব নোৱাৰে, সেইটো ৰাস্তা Maintenance কৰিলেও উপায় নাই। Maintenance ত আমাৰ কিলোমিটাৰত মাত্ৰ ১৫ লাখ টকা ব্যৱহাৰ কৰিব দিছে। কোনো পক্ষে ১৫ লাখত Maintenance কৰিব নোৱাৰে। গতিকে সেই বিলাকত তেখেত সকলে নিশ্চয় দৃষ্টি ৰাখিব মই তাকে অনুৰোধ ৰাখিছো, মই আশা ৰাখিছো নিশ্চয় ভাল কৈ Function কৰিবৰ কাৰণে আমাৰ বি টি ছি কৰ্তৃপক্ষই যিখিনি প্ৰপোজেল Re-organization ৰ কাৰণে Department ৰ কাৰণে প্ৰপোজেল পঠোৱা হৈছে, সেইটো গুৰুত্ব সহকাৰে লৈ যাতে সোনকালে কৰি দিয়ে, তাৰ কাৰণে মই অনুৰোধ ৰাখি আজি মই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মোৰ বক্ত্যৰৰ সামৰণি মাৰিছো।

**শ্ৰী আব্দুল খালেক (মাননীয়, সভাপতি)** ঃ এতিয়া মাননীয় সদস্য শ্ৰী বিনন্দ কুমাৰ শইকীয়া।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া (মাননীয় সদস্য, ছিপাঝাৰ)** ঃ মাননীয় সভাপতি মহোদয়, মঞ্জুৰী নম্বৰ ৬৪ ৰ অধীনত মাননীয়, গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যিখিনি ধনৰ অনুমোদন বিচাৰিছে, এই অনুমোদনৰ সপেক্ষে আৰু এই ক্ষেত্ৰত বিৰোধী পক্ষৰ তৰফৰ পৰা অনা কৰ্ত্তন প্ৰস্তাৱৰ মই বিৰোধীতা কৰি দুষাৰ কবলৈ বিচাৰিছো। সভাপতি মহোদয়, যে সকলোৰে আজি ইয়াত অংশ গ্ৰহণ কৰিছে, মাননীয় সদস্য প্ৰায় সকলে প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনা আৰু আনুষঙ্গিক যিবোৰ বিষয়, তাৰ ওপৰত বক্তব্য দাঙি ধৰিছে আৰু দেখা গৈছে যে প্ৰায় সকলো বিলাক মাননীয় সদস্যই একেখিনি কথাকে কৈছে। সভাপতি মহোদয় মইও তেনেকুৱা দুটামান কথাকে আকৌ এবাৰ কবলৈ বিচাৰিছো। আমি সকলোয়ে জানো যে যাতায়ত আৰু যোগাযোগ ব্যৱস্থাটোয়ে বিকাশৰ এটা একমাত্ৰ উপায় আৰু এইটো যেতিয়া উন্নত নহব তেতিয়া আমি সামগ্ৰিকভাৱে বিকাশ হৈছে, বা উন্নয়ন হৈছে বুলি কবলৈ অলপ টান হয়। ৰাস্তা-ঘাটৰ কথাখিনি লৈ প্ৰায় আমি সকলো বিলাক বিধায়কে যথেষ্টখিনি সমস্যাৰ সন্মুখীন হও বিশেষকৈ আমি আমাৰ নিজৰ নিজৰ সমষ্টি বিলাকৰ ৰাস্তা-ঘাটৰ কথা লৈ জনসাধৰণৰ পৰা বিভিন্ন সময়ত আমি বিভিন্ন কথ া শুনিব লগীয়া হয় আৰু আমাকে দোষাৰোপ কৰে। ৰাস্তাঘাট নোহোৱা বিষয়টোক লৈ আমাকে দোষাৰোপ কৰে। গড়কাপ্তানী বিভাগৰ দৰে এটা বিভাগ থকাৰ পিছতো সকলো বিলাক দোষ গৈ এটা সময়ত বিধায়ক জনকে কয়, ৰাস্তাটো নহ'ল বা ৰাস্তাটো বেয়া হৈছে, সেই গোটেই দোষখিনি বিধায়ক জনৰ ওপৰত পৰে। মই জানো যে কোনো বিধায়কে ৰাস্তা নালাগে বুলি নকয় বা ৰাস্তাৰ কাৰণে মন্ত্ৰী ডাঙৰীয়াৰ ওচৰলৈ নহাকে নাথাকে । সকলো বিধায়কে কয়, আমিও কওঁ, আমিওঁ সময়ে সময়ে উত্থাপন কৰি থাকো মাননীয় মন্ত্ৰী মহোদয়ৰ

ওচৰলৈ আহো, কমিসনাৰ ওচৰলৈ যাওঁ, মুখ্য অভিযন্তাৰ ওচৰলৈ যাওঁ আৰু কাৰ্য্যবাহী অভিযন্তাৰ লগত সপ্তাহত এবাৰকৈ আমি আলোচনাত বহো। তাৰ পিছতো এই কথাবিলাক সহ্য কৰিব লগীয়া হয়। সেই কাৰণে বিধান সভাত কেতিয়াবা বিষয়ৰ বাহিৰতো অলপ কথা কব লগীয়া হয়, সেই তাৰণাটোৰ কাৰণে, আমি যে সহ্য কৰিব লগীয়া হয়। কেতিয়াবা কি হয় যেনে এতিয়া PMGSY ৰ কথা কবলৈ দিছে কিন্তু তাৰ বাহিৰেও দুই এটা কথা আহিছে একমাত্ৰ সেই কাৰণত। আমি ৰাস্তা বুলি কলে য'ত দোষ নন্দ ঘোষ ৰ নিচিনা, আমি বিধায়ক সকলেও তাৰ কাৰণে মাত্ৰ দোষি এনেধৰণৰ কথা এটা গোটেই ৰাজ্য খনতে চলি থাকে। যি কি নহওঁক এটা কথা স্বীকাৰ কৰিব লাগিবই যে আমাৰ বিজেপি নেতৃত্বধীন মিত্ৰজোটৰ চৰকাৰ অহাৰ পিছত পৰিবেশটো সলনি হৈছে আৰু যোৱা ডেৰ বছৰত আমি দেখিছো যে যথেষ্টখিনি কাম কৰাৰ এটা পৰিবেশ ৰচনা হৈছে আৰু টকা পইচাও যথেষ্টখিনি দিছে। তাৰ লগতে এইটো কথাওঁ কব লাগিব যে আমাৰ ৰাস্তাঘাট বিলাকো প্ৰায় একে সময়তে ভাঙিছে। গোটেই পথ বিলাক, আজি প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ হওঁক বা অন্য আঁচনিৰ যোগেদি যি বিলাক পথ নিৰ্মাণ কৰা হৈছিল বা বনোৱা হৈছিল সেই পথবিলাকো একেটা সময়তে আমাৰ এই চৰকাৰ খন শাসনত অধিষ্ঠিত হোৱাৰ সময়তে এই পথ বিলাক একে সময়তে ভাঙিছে। গতিকে গড়কাপ্তানী মন্ত্ৰী ডাঙৰীয়াৰ ওপৰত অলপ অতিৰিক্ত বোজা পৰা কথাটো সচা। তাৰ পিছতো এই গোটেইখিনি মোকাবিলা কৰিবৰ কাৰণে চৰকাৰে বা মন্ত্ৰী মহোদয়ে ইতিমধ্যে ডেৰ বছৰত যথেষ্টখিনি কৰিছে। আমাৰ মাননীয় সদস্য ৰঞ্জিত দাস ডাঙৰীয়াই কওঁতে মই শুনি আছিলো, যে হয় আমি আগতেও শাসক পক্ষত থাকি বিধায়ক হৈ পাইছো, ২০০৬ চনত যেতিয়া প্ৰথম বিধায়ক হৈছিলো তেতিয়া আমি বছৰত ২৫ লাখ টকা পাইছিলো মাত্ৰ। ২০১১ চনত আমি বছৰত ৫০ লাখ টকা পালো। সেই হিচাপত চাবলৈ গলে এইবাৰ আমি ১ কোটি টকা পাব লাগিছিলে কিন্তু আমি প্ৰথম বছৰতে ৭ কোটিকৈ টকা প্ৰতি গৰাকী বিধায়কে এইখন চৰকাৰৰ দিনত পাইছো, এইটো কিন্তু সকলোৱে স্বীকাৰ কৰিব লাগিব। কোনো বিৰোধী, কোনো কংগ্ৰেছ, কোনো AIDUF, কোনোবা বেলেগ এনেকুৱা ধৰণৰ মনোবৃত্তি ৰাখি আমাৰ গড়কাপ্তানী মন্ত্ৰী মহোদয়ে দিয়া নাই। এইটো উপলব্ধি কৰি দিছে যে সকলো সমষ্টিতে ৰাস্তা-ঘাট ভাঙিছে, সকলো সমষ্টি আমাৰ অসমৰ অন্তৰ্গত আৰু মন্ত্ৰী ডাঙৰীয়া অসমৰ মন্ত্ৰী আৰু এই শ্লোগানটোও আছে চব কা চাথ সবকা বিকাশ, এই সকলো বিলাক কথা লৈ মন্ত্ৰী ডাঙৰীয়াই ৭ কোটিকৈ টকা দিছে। যিটো আগতে কোনো নজিৰ নাই, নজিৰ বিহীন একেলগে ইমান টকা দিয়াটো। সেই কাৰণে মই তেখেতক ধন্যবাদ জনাইছো। কিন্তু পৰিস্থিতিটো এনেকুৱা হৈছে যে সেইখিনিৰে আমি জোৰা মাৰিব পৰা নাই। জোৰা মাৰিব পৰা নাই এই কাৰণে যে প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনাত যিমান বিলাক পথ নিৰ্মাণ হৈছিল ২০০১ চনৰ পৰা, এই গোটেইবিলাক পথ একেলগে ভাঙিছে। প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনাতে সমষ্টি বিলাকত আটাইতকৈ পকী পথৰ সংখ্যা বেছি। বেলেগ আঁচনিত পকী পথৰ সংখ্যাটো কম। আমি এইখিনিতে নাম লবই লাগিব প্ৰাক্তন প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াৰ, তেখেতৰ দূৰদৰ্শী চিন্তাৰ ফলতে আজি প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ নিচিনা এটা আঁচনি ভাৰত বৰ্ষৰ প্ৰত্যেকখন ৰাজ্যত ৰূপায়িত হৈছিলে। যাৰ ফলশ্ৰুতিত আমাৰ গ্ৰাম্য অৰ্থনীতিৰ ক্ষেত্ৰত বা একেবাৰে পিছপৰা অঞ্চল সমূহতো যাতায়াত আৰু যোগাযোগৰ ক্ষেত্ৰত এটা সূদুৰ প্ৰসাৰী প্ৰভাৱ পৰিছিল আৰু সেই কথাখিনি আজি আমি নকলে হয়তো ভুল কৰা হ'ব। সেই কাৰণে সেই গৰাকী প্ৰাক্তন প্ৰধানমন্ত্ৰীৰ নাম মই আকৌ লৈছো যে তেখেতৰ দূৰদৰ্শী চিন্তাৰ ফলতে আজি আমি এই কথা আলোচনা কৰাৰ সুবিধাটো পাইছো অন্ততঃ। বেছিখিনি ৰাস্তা আমাৰ প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ অধীনত হোৱাৰ কাৰণে এতিয়া

দেখা গৈছে যে ৰাস্তাবিলাক ভাঙিছে, মোৰ সমষ্টিতো সভাপতি ডাঙৰীয়া, ২০০১ চনৰ পৰা যিমানবিলাক পথ নিৰ্মাণ কৰা হৈছিলে প্ৰায় সকলো বিলাক পথ ভাঙিছে আৰু সেই বিলাকৰ ৫ বছৰৰ যি মেৰামতি কৰা Period থাকে সেই Period টো কেতিয়াবাই পাৰ হৈ গ'ল। সেই ৰাস্তা বিলাক মেৰামতিৰ অভাৱত এতিয়া জহি-খহি গৈছে আৰু তেনেকুৱা বহুত পেকেজত বহুত ৰাস্তা নিৰ্মাণ হৈছিলে একেলগত। এতিয়া সেই ৰাস্তাবিলাকৰো সেই অৱস্থাটো এই সুযোগতে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিছো, সকলোৰে সমষ্টিতে আছে তেনেকুৱা ধৰণৰ পথ আৰু সেই পথবিলাকৰো এতিয়া এই যি ৫ বছৰৰ মেৰামতি সময় থাকে, বহুকেইগৰাকী সন্মানীয় বিধায়কে কৈছে এই কথাটো, এই সময়টোত যদি ভালকে মেৰামতি কৰা হয়, যদি সংশ্লিষ্ট ঠিকাদাৰ জনে সেই ৫ বছৰৰ ভিতৰত কৰিবলগীয়া মেৰামতিখিনি কৰে তেতিয়াহলে আৰু বহুদিন ৰাস্তাকেইটা বেয়া নোহোৱাৰ সম্ভাৱনা থাকে। কিন্তু সেই ঠিকাদাৰ সকলে সেই কামখিনি নকৰে আৰু সেই কামখিনি নকৰাকে তেওঁলোকে যিটো তাত মেৰামতিৰ ধন আবন্টিত হৈ থাকে সেই ধনখিনি উলিয়াই নিয়াৰ এটা ব্যৱস্থা কৰে। উদাহৰণ হিচাপে কব বিচাৰিছো যে মোৰ গাৱৰ এটা ৰাষ্টা, যিটো মোৰ নিজৰ গাঁৱৰ ঘৰৰ সন্মুখেদি গৈছে, সেই ৰাস্তাটো মই আজি দুইবছৰ ধৰি মেৰামতিৰ কাৰণে কৈ কৈ ভাগৰি গলো আৰু এতিয়া মোক শেহতীয়াকৈ জনাইছে, মই উপায় নাপায় আনকি ঠিকাদাৰ জনলৈও ফোন কৰিলো, কৈছে যে এইবাৰ ডিচেম্বৰ মাহত সেই ৰাস্তাটোৰ মেৰামতিৰ Period পাৰ হ'ল গতিকে এতিয়া আৰু কাম নকৰে। কিন্তু যেতিয়া মেৰামতিৰ Period টো আছিল, তেতিয়াৰ পৰা মই কৈ আছিলো। তেনেকুৰা বহুত ৰাস্তা আছে, যিবিলাক ৰাস্তা এই PMGSY ৰ ৰাস্তাৰ মেৰামতিৰ কথা আমি কৈ আছো। প্ৰায় বিলাক ঠিকাদাৰে এইটো কৰিবলৈ নিবিচাৰে বা নকৰে। তেওঁলোকৰ কিবা এটা আছে, এইটো নকৰাকে সেই মেৰামতিৰ ধনখিনি উলিয়াই নিব পাৰি নেকি এইটো তেওঁলোকৰ এটা কথা থাকে নেকি, কৰাবাত কিবা ভিতৰুৱাকৈ। তেনেকুৱা কথাটোত মাননীয় মন্ত্ৰী মহোদয়ে চকু দিব বুলি মই আশা কৰিছো, যিটো PMGSY ৰ মেৰামতিৰ। মোৰ তাত এনেকুৱা ৰাস্তা আছে, তাৰে তালিকা দিয়া আছে। মোৰ তাত এনেকুৱা ৰাস্তা আছে যে ২০২০ চনত পাঁচ বছৰ সম্পূৰ্ণ হব কিন্তু এতিয়াই ৰাষ্টটো ভাঙি চিঙি নাইকিয়া হৈ গ'ল। এতিয়া সংশ্লিষ্ট ঠিকাদাৰক মোৰ কাৰ্য্যবাহী অভিযন্তা জনে কৈ কৈ কামখিনি কৰাব পৰা নাই। কলে কৰিব বুলি কয়, কিন্তু নকৰে আৰু ৰাস্তাটো দিনক দিনে জহি-খহি গৈ আছে। গতিকে এই যিটো মেৰামতিৰ বিষয় প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনা, এই বিষয়টো মাননীয় মন্ত্ৰী মহোদয় আপুনি গুৰুত্ব দিব বুলি আশা কৰিছো, মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে আপোনাক জনাইছো। লগতে এটা কথা শুনি ভাল পাইছো যে এই বাৰ নতুনকৈ প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনাত বহুখিনি পথ আহিছে। আহিছে ভাল পাইছো, মোৰ বিধান সভাৰ সমষ্টিতে প্ৰায় ২৫ টা এনেকুৱা ৰাস্তা হ'ব আৰু গোটেই অসমত আপুনি কোৱা তথ্য মতে যে ৮০০০ কি.মি. এনেকুৱা ৰাস্তাৰ কাম আৰম্ভ হবলৈ লৈছে। অধ্যক্ষ মহোদয়, ইয়াতে এটা কথা আছে ইয়াৰ লগত ৭৪৫ খন দলং হব, দলং সংলগ্নত যিমান বিলাক পথ আছে সেইবিলাকৰ বহুতৰ এতিয়ালৈকে টেণ্ডাৰ হোৱা নাই আৰু Working Session এই বছৰৰ এতিয়া প্ৰায় শেষ হ'ল। আমি এই বছৰত আৰু PMGSY ৰ ৰাস্তাৰ কাম যিমানখিনি হিচাপত ধৰা আছে সিমানখিনিৰ কাম আৰম্ভ কৰিব পাৰিম নে নোৱাৰিম আমি কব নোৱাৰো। সময় বিলাক আমাৰ গৈ আছে। নিবিদা প্ৰক্ৰিয়াটো ইমান লেহেমীয়া হৈছে যে আজি কেইমাহ মান আগতে এই ৰাস্তাবিলাক Sanction আহিছে। আমি যদি অক্টোবৰ মাহত এই নিবিদা প্ৰক্ৰিয়াটো সমাপ্ত কৰি কাম আৰম্ভ কৰিব পাৰিলো হেতেন সকলো বিলাক পথৰ,

অন্ততঃ মাৰ্চ মাহৰ ৩১ তাৰিখলৈকে বা এপ্ৰিল মাহলৈকে বহুখিনি ৰাস্তা পৰিবেশটো অন্ততঃ গাওঁ বোৰত ভাল হ'ল হেতেন। কিন্তু নিবিদা প্ৰক্ৰিয়াটো ইমান বেছি লেহেমীয়া যে, এতিয়ালৈকে বহুত ৰাস্তাৰ টেণ্ডাৰে কৰিব পৰা নাই। তাৰ যিটো এষ্টিমেট ,সেইটো আমাৰ সন্মানীয় বিধায়ক এগৰাকীয়ে কৈছিলে যে যিটো আমাৰ কিছুমান দ অঞ্চল আছে এই অঞ্চলৰ কাৰণে এই এষ্টিমেটটো নহয়। কাৰণ মাটিৰ কাম ইমান বেচি কমকৈ দেখুওৱা হৈছে যে ঠিকাদাৰ সকল এই কাম কৰিবলৈ অনিচ্ছুক। মোৰ সমষ্টিত কেইবাটাও ৰাস্তাত টেণ্ডাৰ কৰা নাছিলে। আকৌ দ্বিতীয়বাৰ কৰিবলগীয়া হৈছিল। গতিকে এইবিলাকতো এটা দৃষ্টি দিয়াৰ প্ৰয়োজন আছে আৰু বিশেষকৈ এষ্টিমেটৰ কথাটো মই অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে, কেন্দ্ৰীয় চৰকাৰৰ লগত এই বিষয়টো তেওঁ আলোচনা কৰিব লাগে। কাৰণ আমাৰ অসমখন এখন বানপীড়িত ৰাজ্য আৰু প্ৰায়বোৰ অঞ্চলেই দ আৰু এনেকুৱা দ অঞ্চলত অকনমান মাটিৰ কাম কৰি এটা পকী ৰাস্তা বনাই কিমানদিন ৰাস্তাটো ভালে থাকিব তাৰ নিশ্চয়তা দিব নোৱাৰি। ৰাস্তাটো বনোৱাৰ দুবছৰ বা তিনি বছৰৰ পাছত আকৌ সেই একেটা সমস্যাই দেখা দিব। গতিকে মন্ত্ৰী মহোদয়ে এই বিষয়টো অলপ উচ্চ পৰ্য্যায়িত লয় তেতিয়া কথাটো ভাল হ'ব আৰু তেতিয়া PMGSY ৰ যিটো আঁচনি সেইটো সফল হ'ব আৰু ইয়াৰ লগত যিখিনি দলং আৰু যিমানখিনি কি:মি ৰাস্তা হৈছে তাৰ ফলত আমাৰ অসমৰ গ্ৰাম্যাঞ্চলৰ যথেষ্ঠ উন্নতি হ'ব আৰু পৰিৱেশটোৱেই সলনি হৈ যাব।সেইকাৰণে কৃতিত্ব আমি চৰকাৰক দিবই লাগিব। ইয়াৰ লগতে আৰু এটা কথা মই কব খুজিছো। আমাৰ এতিয়া 'Conversion of Bridge'scheme টো লোৱা হৈছে। তাৰ বাবে মই ভাল পাইছো। ইয়াৰ লগে-লগে মই এইটো কব লাগিব যে, আমাৰ আগৰ চৰকাৰৰ দিনত কিছুমান দলং মুখ্যমন্ত্ৰীৰ বিশেষ পেকেজ নাম দি লোৱা হৈছিলে। এই পেকেজৰ ব্ৰীজ বিলাকৰ কিন্তু সেই সময়ত টকা নিদিলে। এতিয়া মই গম পাইছো যে নামত সেইবিলাক ব্ৰীজ চেংচন হ'ল, Administrative approved হ'ল, Contractor allotment টো দিলে,কামটোও অলপ আৰম্ভ হ'ল। কিন্তু আজি ৪-৫ বছৰে ক'ৰবাত ২০ শতাংশ কাম হ'ল ক'ৰবাত ৩০ শতাংশ কাম হৈছে আৰু মানুহে প্ৰশ্ন কৰিবলৈ লৈছে যে এইবিলাক ভেকোভাওনা কিয় আৰম্ভ হৈছিল। মই আমাৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰোতে তেখেতে কৈছিল যে,প্ৰায় ৪৪ খন এনেকুৱা দলং আছে আৰু NABARD ৰ অধীনত এইবিলাক সম্পূৰ্ণ কৰিবলৈ সিদ্ধান্ত লৈছে। পুৰণি যিখিনি ব্ৰীজ আধৰুৱা হৈ থাকিলে , আগৰ চৰকাৰে টকা নিদিলে, এই ব্ৰীজখিনি সম্পূৰ্ণ কৰিবলৈ যে পুঁজি আবণ্টন দিছে তাৰ বাবে মই মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। ইয়াৰ উপৰিও মোৰ আৰু দুটামান উপদেশ আছে। খুব চমুকৈ কব বিচাৰিছো। আমাৰ ধলা শদিয়াৰ দলংখনৰ কাম ইমান খৰতকীয়াকৈ সম্পূৰ্ণ কৰি ৰাষ্ট্ৰৰ নামত উচৰ্গা কৰিলে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়া আহি। শৰাইঘাটৰ দ্বিতীয়খন দলংৰ কামো আমাৰ চৰকাৰ তথা মাননীয় গড়কাপ্তানী মন্ত্ৰী ডাঙৰীয়াৰ তৎপৰতাত সম্পূৰ্ণ হ'ল। কিন্তু নাৰেংগী আৰু কুৰুৱা মোৰ সমষ্টি আৰু গুৱাহাটী সংযোগী দলংখনৰ কথাটো আগৰ চৰকাৰৰ দিনৰ পৰাই ওলাই আছিলে। মোৰ এটা কথাই ভাল লাগিছিল যে,আমাৰ চৰকাৰ অহাৰ পাছত ৰাজ্যপালৰ প্ৰথমটো ভাষণত এই দলংৰ কথাটো উল্লেখ কৰা হৈছিল আৰু নিৰ্মাণ কৰা হ'ব বুলি কৈছিল। এইবাৰো আমাৰ ২৬ জানুৱাৰীৰ ৰাজ্যপালৰ ভাষণত এই কথাটো উল্লেখ কৰা হৈছিলে। কিন্তু অধ্যক্ষ ডাঙৰীয়া, ইমান বেচি লেহেমীয়া হৈ আছে যে, আজি দুবছৰ হবৰ হ'ল। অকল Feasibility Report টো পঠিয়াওঁতেই ইমান সময় গুচি গ'ল। এতিয়ালৈকে DPR বনোৱাই নাই। গতিকে আমি ইমান দিনৰ পৰা এই দলংখনৰ প্ৰয়োজন অনুভৱ কৰি আছো।আমাৰ উত্তৰ

পাৰৰ ৰাইজ, অকল এইখন দলং আমাৰ কাৰণে পৰ্য্যাপ্ত নহয়। কাৰণ শৰাইঘাটৰ এইখন দলংত এতিয়াও ইমান ভিৰ হয়, আমি অহা যোৱা কৰা সকলেহে বুজি পাওঁ।গতিকে কুৰুৱা , নাৰেংগী সংযোগী দলংখনৰ ওপৰত অত্যাধিক গুৰুত্ব আৰোপ কৰিব লাগে। এইখন হলে মই ভাৱো State Capital হিচাপে গুৱাহাটীৰ যিটো Expansion কৰিছে সেইটো আৰু বেচি ভাল হব।আমাৰ দৰং জিলাত সোমাই যাব।তাৰ লগতে অৰুণাচল প্ৰদেশৰ পৰা আৰম্ভ কৰি বাক্সা,গোৰেশ্বৰ এই সকলো বিলাক উত্তৰ অঞ্চলৰ ৰাইজৰ সুবিধা হ'ব। গতিকে এইটো মই গুৰুত্ব সহকাৰে লবৰ কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। লগতে মই মোৰ ঘৰৰ সন্মুখৰ ৰাস্তাটোৰ কথাও কব খুজিছো। সেইটো ৰাস্তাও বহুত বেয়া হৈ আছে। মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যাতে এই ৰাস্তাটোৰ ওপৰতো গুৰুত্ব দিয়ে যেন।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এই গোটেই কথাবোৰৰ ওপৰত মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিহে আকৰ্ষণ কৰিব পাৰে। বেচি দীঘলীয়া নকৰিব।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া, ছিপাঝাৰ ঃ** অধ্যক্ষ মহোদয়, মই দৃষ্টিহে আকৰ্ষণ কৰিব বিচাৰিছো আৰু এটা গুৰুত্বপূৰ্ণ কথা মই কব বিচাৰিছো যে, কি কাৰণে PMGSY ৰ ৰাস্তাসমূহ সোনকালে বেয়া হৈছে। এইবোৰ বেয়া হোৱাৰ কাৰণটো হৈছে যে, কৃষি বিভাগে যিবিলাক ট্ৰেক্টৰ দিছে সেইবোৰ আৰু ডাম্পাৰৰ ইমান অবাধ চলিছে যে, এইবোৰ যদি নিয়ন্ত্ৰণ কৰিব পৰা নাযায়, অতি কম দিনৰ ভিতৰতে ৰাস্তাবোৰ আকৌ বেয়া হৈ পৰিব। এইবোৰ যদি নিয়ন্ত্ৰণৰ ব্যৱস্থা গড়কাপ্তানী বিভাগে ক ৰে ভাল হয়।আজি PMGSY ৰ ৮০০০ কি: মি ৰাস্তাগড়কাপ্তানী বিভাগে বনাব।এই ৮০০০ কি: মি ৰাস্তা কিমানদিন যাব সন্দেহ আছে। কাৰণ যিটো হাৰত এতিয়া Agriculture Macanization হৈছে, Power Tiller, Dumper, Tractor আদি ৰাস্তাত চলে এইবিলাকৰ অৱাধ চলাচল ৰোধ কৰিবলৈ যদি কিবা নীতি অৱলম্বন কৰিব পাৰি আৰু লোডমতে গাড়ী চলাৰ যিটো ব্যৱস্থা সেইবোৰ ললে ভাল হয়।যিবোৰ ১০ চকা বা ১৮ চকাৰ ট্ৰাক ৰাতি চলে PMGSY ৰ ৰাস্তাৰ ওপৰত,সেই ৰাস্তাটোৰ বহন ক্ষমতা কিমান সেইটোও চাব লাগিব। এই কথাবিলাক কিন্তু বিভাগে চিন্তা কৰিবৰ হৈছে। নহলে এতিয়া আমি যিমান ৰাস্তা নবনাও, দুবছৰ বা তিনিবছৰৰ পাছত আকৌ একেবোৰ কথাৰে মুখামুখি হব লাগিব। গতিকে এই কথাকেইটাৰ ওপৰত মই দৃষ্টিআকৰ্ষণ কৰিছো লগতে এই ডেৰ বছৰত মন্ত্ৰী মহোদয়ে যিখিনি কাম কৰি দেখুৱাইছে সেইখিনিৰ কাৰণে ধন্যবাদ জনাইছো আৰু তেখেতে যিখিনি অতিৰিক্ত পুঁজি বিচাৰিছে এইটো বিত্তীয় বৰ্ষত, সেইখিনি আৰু বেচি বঢ়াই দিব লাগে বুলি কৈ , বিৰোধী পক্ষই অনা কৰ্তন প্ৰস্তাৱৰ আকৌ এবাৰ বিৰোধীতা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ভূৰন পেগু ।

**শ্ৰী ভূৰন পেগু,জোনাই ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী পক্ষই PWD ৰ ১৮৯৯৯.৯৯ লাখ টকাৰ সৰহভাগ PMGSY ৰ ষ্টেট শ্বেয়াৰ আৰু চেন্ট্ৰেল শ্বেয়াৰত দেখুৱাইছে। কিছু কোৰ্ট কেছৰ কাৰণে দহ কোটি টকা দেখুৱাইছে। দৰমহাৰ কাৰণে কিছু টকা ধৰিছে। মই ভাৱো যে সৰহভাগ টকা যিহেতু PMGSY ৰ চেন্ট্ৰেল শ্বেয়াৰ আৰু ষ্টেট শ্বেয়াৰৰ কাৰণে ধৰিছে, এই টকাটো বিৰোধী পক্ষই মানি টকাটো বৰঞ্চ দিব লাগে বুলিহে কব লাগে আৰু এই কৰ্তন প্ৰস্তাৱৰ বিৰোধ কৰি মই দুটামান কথা কব বিচাৰিছো। তাৰ আগতে মই সদনত আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়া আৰু গড়কাপ্তানী মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো যে, যোৱা সপ্তাহত মই PMGSY

ৰ ২১ টাতকৈও অধিক ৰাস্তাৰ আধাৰশিলা স্থাপন কৰিছো। নাৰিকল ফালি  ফালি মোৰ হাত বিষাই গৈছে। এতিয়া আৰু কেইটামান এলোটমেণ্ট হ'ব। কেইদিনমান পাছত আৰু টেণ্ডাৰ হ'ব। মোৰ সেইকাৰণে চিন্তা এইবাৰ  আধাৰশিলা স্থাপন কৰিবলৈ যাওঁতে হেণ্ড গ্লোভচ্ পিন্ধি যাব লাগিব। আগতেও বিধায়ক আছিলো কিন্তু ইমান নাৰিকল ফালিব লগা হোৱা নাই। সেই কাৰণে মই চৰকাৰখনৰ ২ বছৰ কাৰ্যকাল সম্পূৰ্ণ নহওঁতেই ইমান ৰাস্তা, ইমান কোটি টকা আৱণ্টন দিয়াৰ বাবে আৰু PMGSY ৰ ৰাস্তা আৱণ্টন দিয়াৰ বাবে এইখন চৰকাৰক প্ৰথমতে ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, মোৰ কেৱল এটাই concern যে এই প্ৰক্ৰিয়াটোত কেনেকৈ এটা solution উলিওৱা যায় সেইটো মই সদনত দাঙি ধৰিব বিচাৰিছো। প্ৰথম কথা হ'ল যে, যেতিয়া মই আধাৰ শিলা স্থাপন  কৰিছো, ঠিকাদাৰ বোৰক মই সন্মুখত দেখি যেতিয়া বিভাগক সুধিছো, তেতিয়া জানিব পাৰিছো যে বহুত ঠিকাদাৰে এনেকৈয়ে below rate ত অৰ্থাৎ ১০%, ১২%, ১৩%  below rateত কামবোৰ লৈছে। অধ্যক্ষ মহোদয়,  ইমান below rate ত লোৱাৰ বাবে কামবোৰ কৰি শেষ কৰিব পাৰিব নে নাই বুলি মোৰ concern হৈছে।  বিশেষকৈ এইবাৰৰ PMGSYটো আগৰ নিচিনা নহয়। এইবাৰ PMGSY ত earth work কমাই দিয়াৰ কাৰণে আৰু সেই contractor বোৰে কিছুমান ঠাইত below rate ত কাম লোৱাৰ বাবে loss ত কাম কৰিব লাগিব। গতিকে এইটো allotment দিয়াৰ লগে লগে মোৰ concern  হৈ গ'ল। মোৰ সমষ্টিত এই কেইদিন মই মন্ত্ৰী ডাঙৰীয়া আৰু বিভাগীয় বিষয়া সকলকো লগ ধৰিছো। অধ্যক্ষ মহোদয়, ২০০৪-০৫, ২০০৫-০৬ আৰু ২০০৬-০৭ চনতে PMGSY ৰ allotment  কৰা ৭ টাত কৈ অধিক ৰাস্তা অসম্পূৰ্ণ হোৱাৰ কাৰণে incomplete ৰাস্তা বুলি মই এটা Report দাখিল কৰি সেই ৰাস্তাবোৰ সম্পূৰ্ণ কৰিব লাগে বুলি আকৌ  Report  দাখিল কৰিব লগীয়া হৈছে। আৰু এই কেইদিন মই  বিভাগীয় মন্ত্ৰী ডাঙৰীয়াকো অনুৰোধ জনাইছো যে কৰ'বাৰ পৰা টকা দি হ'লেও যাতে অসম্পূৰ্ণ ৰাস্তাবোৰ সম্পূৰ্ণ কৰে। তাৰোপৰি, মোৰ সমষ্টিত ২০০৭-০৮ আৰু ২০০৯-১০ চনৰে কিছুমান দলং আছে যাৰ পকী খুঁটা গঠনৰ কাম হৈ গ'ল কিন্তু ওপৰৰ অংশটোৰ কাম হোৱা নাই। সেই কাৰণে সেইবোৰ গাঁৱত যেতিয়া যাওঁ, তেতিয়া ৰাইজে সোধে যে চৰকাৰৰ আঁচনিটো কেৱল পকী খুঁটা বনোৱাৰ বাবেহে নেকি? যোৱাবাৰ মই নিৰ্বাচনৰ পিছত বিধায়ক হোৱাৰ লগে লগে তেওঁলোকক ক'লো যে এইবাৰ দলঙৰ ওপৰৰ অংশখিনিও বনাম, চিন্তা কৰিব নালাগে। পৰিৱৰ্তন হ'ব। নতুন চৰকাৰ আহিব। অকল খুটা বনোৱা আঁচনি বন্ধ কৰি ওপৰৰ অংশখিনিও বনোৱা আঁচনি হ'ব বুলি মই ক'লো। কিন্তু এতিয়া দুবছৰ হ'ল, মই পৰা নাই। মাজতে মই বিভিন্ন টকা যোগাৰ কৰি পকী খুঁটাৰ ওপৰতে  কাঠৰ দলং সাজিব লগীয়া হৈছে। মই  মন্ত্ৰী ডাঙৰীয়াক এই বিষয়ে অৱগত কৰি দলঙৰ ওপৰৰ অংশখিনিৰ কাম কৰিবলৈ টকা বিচাৰিছো আৰু মন্ত্ৰী ডাঙৰীয়াইও মোক এনেধৰণৰ সমস্যা লগে লগে সমাধান কৰিম  বুলি  কোৱাৰ লগতে ইয়াৰ estimate টো submit কৰিবলৈ কৈছে। সেইমতে মইও extra estimate বনাই submit কৰিব লগীয়া হৈছে। মোৰ এটাই অনুৰোধ যে এনেকুৱা যি সকল contractor য়ে below rate ত কামটো কৰাৰ বাবে  tender  মাৰি, loss তো কামটো কৰিবলৈ সাজু হৈ পিছলৈ যেতিয়া কামটো আধৰুৱা কৰি এৰি গুছি যায়, তেনেবোৰ contractor ক কেৱল blacklisted য়েই নহয়, তেওঁলোকক arrest কৰাব লাগে যাতে তেওঁলোকে তাৰ পিছত বেলেগ কোনো ঠাইৰ কাম ল'ব নোৱাৰে তাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। কিন্তু মোৰ সমষ্টিৰ যিখন দলংৰ কথা কৈছো, তাত প্ৰভু আগৰৱালা নামৰ যিজন ঠিকাদাৰে কাম কৰিছিল, সেইজনেই বেলেগ ঠাইত কাম কৰি থকা বুলি মই অলপ আগতে

শুনিবলৈ পাইছো। ২০০৭ চনত মোৰ দলংখনৰ কাম আধৰুৱা কৰি থৈ যোৱা মানুহ জনেই এতিয়া বেলেগ ঠাইত কাম পাই আছে। এনেদৰেই ঠিকাদাৰ বোৰে কামবোৰ আধৰুৱাকৈ কৰি থৈ আহে আৰু লাভৰ অংকটো কৰি দিয়ে। মই খবৰ পালো যে, দলঙৰ তলত হে হেনো লাভটো থাকে। লাভৰ অংকটো কৰাৰ পিছত ওপৰৰ অংশটোত লাভ নাথাকে বাবে কামটো আধৰুৱা কৰি থৈ গুছি যায়। বহুত PMGSY ৰ ক্ষেত্ৰত মাটিৰ কামটোত আৰু sand gravel ত লাভ থাকে। কিন্তু black topping ত লাভ নাথাকে কাৰণে black topping টো নকৰাকৈয়ে পলাই গুছি যায়। অসমত এনে ধৰণৰ ঠিকাদাৰ বোৰৰ list বনাই arrest warrant জাৰি কৰিব লাগে কিয়নো এওঁলোকে public property ধ্বংস কৰাৰ লগতে বহু টকাও ধ্বংস কৰিছে আৰু ই জনগণক হাৰাশাস্তি কৰিছে। এই দলং বোৰ গঢ়ি নুঠাৰ বাবে মোৰ দুটামান পঞ্চায়তে আজি দহ বছৰে ভুগি আছে। আমি PMGSY ৰ sanction পাইছো। কিন্তু কাম কৰিব পৰা নাই কাৰণ নদী থকাৰ বাবে ৰাস্তাটো পাৰ কৰিব পৰা নাই। খৰালি কালত এক-ডেৰ মাহৰ বাবে অকল tractor হে পাৰ কৰিব পাৰি। গতিকে এই দলংবোৰ আমাৰ priority হ'ব লাগে আৰু ৰাইজক জ্বালা-যন্ত্ৰণা দিয়া ঠিকাদাৰ সকলক এই নতুন চৰকাৰ তথা মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু গড়কাপ্তানী মন্ত্ৰী ডাঙৰীয়াই FIR lodge কৰি জেললৈ পঠোৱাৰ এখন আইন বনাব লাগে। Blacklisted কৰিলে এওঁলোকে নাম সলাই পুনৰ কাম কৰিবলৈ লয়। গতিকে এই কাৰ্যটো যাতে বন্ধ হয় তাৰ বাবে এটা policy গ্ৰহণ কৰিবলৈ মই অনুৰোধ জনাইছো। অধ্যক্ষ মহোদয়, এইবাৰ PMGSY ৰ allotment হওঁতে এটা ডাঙৰ concern আছিল যে মোৰ ধেমাজি জিলাৰ সৰহ ভাগেই বান-পীড়িত অঞ্চল, সৰহ ভাগ দ অঞ্চল, নদ-নদী বেছিকৈ আছে। জলাঞ্চল হোৱাৰ বাবে আমাৰ তাত earth work টো বেছি। এনে বহুত ঠাই আছে য'ত অকল ৩ ফুট ওখ কৰিলেই নহ'ব, ৬ ফুটলৈ ওখ কৰিব লাগিব। কোনো ঠাইত আকৌ ৮ ফুটলৈ ওখ কৰিব লাগিব যদিহে ৰাস্তাটো ভালকৈ হ'ব লাগে। কিন্তু guideline ত কৈছে যে মাটিৰ কাম ৩- ৩.৫ ফুটলৈহে উঠাব পাৰিব বাকী মাটিৰ কাম নিদিয়ে বুলি কোৱাৰ বাবে survey বোৰ অকল ৩-৩.৫ ফুটৰ বাবেহে আহিছে। ৩-৩.৫ ফুট ওখ কৰাৰ পিছত পকী ৰাস্তা বোৰ যেতিয়া হ'ব তেতিয়া বানপানীৰ সময়চোৱাত পানী পকী ৰাস্তাৰ ওপৰেৰে বাগৰি পৰিব। এইটোও এটা policy defect আছে বুলি মই ভাৱো। অধ্যক্ষ মহোদয়, আপুনি যেতিয়া DRSC ৰ সভাপতি আছিল, তেতিয়া আমি আলোচনা কৰা মোৰ মনত আছে যে দিল্লীত বহি যেতিয়া planner সকলে PMGSY ৰ ৰাস্তাৰ পৰিকল্পনা কৰে তেতিয়া তেখেত সকলে North India ৰ ভৌগোলিক পৰিস্থিতিটো সন্মুখত ৰাখি পৰিকল্পনা কৰে। মই ৰাজস্থান, গুজৰাট, উত্তৰ প্ৰদেশ আদি ৰাজ্যত গৈছো। এই ঠাই সমূহত পকী ৰাস্তাৰ ওপৰত মাটি ওখ কৰাৰ কোনো প্ৰয়োজনেই নাই। তাত এক- ডেৰ ফুট মাটি উঠায় আৰু উপৰিঞ্চি এক-ডেৰ ফুট মাটি উঠালে অসুবিধাহে হয়। সেই কাৰণে তাত সমানকৈ পকী ৰাস্তা বনায়, মাটিৰ কামৰ কোনো প্ৰয়োজনেই নাই। দিল্লীত বহি Planning Commission ৰ planner কে ধৰি যি সকল planner এ planning কৰে, তেওঁলোকে North India ৰ mind set ৰে planning কৰে। আমাৰ অসমৰ ভূ-খণ্ডটো তেওঁলোকে বুজি নাপায়। অসম বুলিলে আমাৰ বৰাক , ব্ৰহ্মপুত্ৰক বুজা যায় আৰু বৰাক, ব্ৰহ্মপুত্ৰ হ'ল নদীৰ নাম। নদী মানে valley, এফালে Brahmaputra valley আৰু আনফালে Barak valley. আকৌ valley মানে হ'ল এটা চৰু যি চাৰিওফালৰ পৰা পাহাৰেৰে আৱৰ্তিত আৰু আমি সেই চৰুতেই বসবাস কৰি আছো। ইয়াত highest rainfall হয়। অধ্যক্ষ মহোদয়, মই মাজতে ধেমাজিত এটা survey কৰিবলৈ দিছিলো, তাত গম পালো যে যদি mea-

surement কৰা যায়, কেইদিন মান পিছত চেৰাপুঞ্জীৰ পাছতেই ধেমাজীতে হেনো highest rainfall হ'ব। মাৰ্চ মাহত rainfall আৰম্ভ হ'ব। মাৰ্চ মাহত ইমান high rainfall হোৱা ঠাই ৰাজস্থান, উত্তৰ প্ৰদেশ, গুজৰাটৰ মাটিৰ policy টো যদি আমি গ্ৰহণ কৰো ই feasible নহ'ব। Â1= 1±™±ËÂ±1 Õ±1ŋËü ±òßÁËü ò©ËýÃýÂ¼PMGSY ৰ ২০০৪-০৫, ২০০৫-০৬ৰ ৰাস্তা বোৰ ধ্বংস হোৱাই মোৰ অসুবিধা হৈছে। মই মন্ত্ৰী মহোদয়ক সকলোকে সমান পৰিমাণৰ টকা দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো কিন্তু সমান টকা দিয়াৰ বাবে মোৰ এটা আপত্তিও আছে কিয়নো মোৰ সমষ্টিটোত প্ৰয়োজন বেছি। কিছুমান সমষ্টিত প্ৰয়োজন কম থাকে, তাত ৭ কোটি টকাৰে কাম সম্পূৰ্ণ হৈ যাব পাৰে কিন্তু মোক হয়তো ৭০ কোটি টকাৰো প্ৰয়োজন হ'ব পাৰে। গতিকে, need basis তো এটা আঁচনি ঠিক কৰিব লাগে। এটা equal policy হ'ব লাগে আৰু এটা need based policy হ'ব লাগে। দিশপুৰৰ পিছতেই মোৰ সমষ্টিটো second highest ভোট থকা সমষ্টি। ২,৫১,০০০ ভোট মোৰ সমষ্টিত আছে। ভৌগোলিক ভাৱে ই দিশপুৰতকৈও ডাঙৰ। তাৰ বাবে মোৰ প্ৰয়োজনো বেছি। গতিকে মই যি ৭ কোটি টকা পালো আৰু সেই টকাৰে যি বনালো, সেই বনোৱাটো ৰাইজে বনোৱা যেন দেখা নাই। যেনেকৈ সাগৰত এটোপাল পানী পেলালে পানী পৰাটো দেখা পোৱা নাযায়, ঠিক তেনেকুৱা মোৰ সমষ্টিৰ ক্ষেত্ৰতো হৈছে। ইয়াত ইমান বোৰ PMGSY ৰ পুৰণি ৰাস্তা আছে যিবোৰ ৰাস্তা rainfall আৰু water logging ৰ কাৰণে ধ্বংস হৈ গৈছে। সেই বাবে মই চৰকাৰক অনুৰোধ জনাইছো যে equal policy যেতিয়া লৈছে তাৰ লগতে need based policy এটাও ল'ব লাগে। উদাহৰণ স্বৰূপে ৬ বছৰীয়া ল'ৰা এজনক যিমান খাদ্যৰ প্ৰয়োজন হ'ব, ৪০ বছৰীয়া মানুহ এজনক তাতকৈ বেছি খাদ্যৰ প্ৰয়োজন হ'ব। অধ্যক্ষ মহোদয়, মোক যিমান খাদ্যৰ প্ৰয়োজন হ'ব, কুম্ভকৰ্ণক চাগে তাৰ তুলনাত দহ গুণ বেছি খাদ্যৰ প্ৰয়োজন হ'ব। গতিকে, কুম্ভকৰ্ণ আৰু মোক সমান সমান ভাগ দিলে, মোৰহে পেট ভৰিব, কুম্ভকৰ্ণৰ পেট নভৰে। গতিকে মোৰ সমষ্টিটো যিহেতুকে ডাঙৰ সমষ্টি আৰু এনেকুৱা বৃহৎ সমষ্টি য'ত য'ত আছে তাৰ প্ৰয়োজনীয়তা অনুযায়ী need based fund টো কৰিব লাগে বুলি মই অনুভৱ কৰো। অধ্যক্ষ মহোদয়, মই আৰু দীঘলীয়া নকৰো মাত্ৰ এটা অনুৰোধ আছে যে যিহেতুকে মোৰ ঠাইত rainfall বেছি হয় আৰু যাৰ ফলত ক্ষতিও বেছিকৈ হয়, এইবাৰ PWD য়ে এটা নতুন policy লৈছে যাৰ বিষয়ে মই সঠিক কৈ নাজানো, black topping নকৰাৰ বাবে এটা নতুন concept হাতত লৈছে। মাটিটোকে আকৌ compaction দি মাটিৰে ৰাস্তা বনোৱাৰ বাবে কিবা এটা নতুন technology লৈছে। গতিকে আমি আশা কৰিছো যে এই নতুন technology টো সফল হ'ব । আমি PMGSY ৰ প্ৰায়ভাগ ৰাস্তাতে black topping দেখিছো। কিন্তু আমাৰ water logged area, য'ত rainfall যথেষ্ট হয়, তাত interlocking বা pavers block ৰ ৰাস্তাবোৰ ভাল হয়। গতিকে PMGSY তো interlocking বা pavers block ৰ concept টো আনিব পৰা যায় নেকি, সেই বিষয়ে চালে ভাল হয়। সৌ সিদিনা, আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই মিচিং মানুহৰ জাতীয় উৎসৱ আলি-আই-লৃগাং চৰকাৰী ভাৱে মাজুলীত অনুষ্ঠিত কৰিছিল। সৌ সিদিনা আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাৰ মিচিং মানুহৰ জাতীয় উৎসৱ আলি আই লৃগাং চৰকাৰী ভাৱে মাজুলীত অনুষ্ঠিত কৰিছিলে। তাৰ বাবে মই মাজুলী কমলাবাৰী হৈ গড়মূৰ যাওঁতে দেখিছো সুন্দৰ ভাৱে ৰাস্তাৰ inter locking concept টো আৰম্ভ কৰিছে আৰু ইমান সুন্দৰ লাগিছে যে কমলাবাৰী ঘাটৰ পৰা নামিয়েই গড়মূৰ হৈ মাজুলী সোমাইছো ধুনীয়া লাগিছে আৰু মই ভাৱো যে PMGSY ৰ ক্ষেত্ৰটো এই concept টো আমাৰ সকলোবিলাক য'ত

water block, raining বেছি এই concept টো আনিব পৰা যাব নেকি বিবেচনাৰ বাবে মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাই শেষত পুনৰবাৰ যথেষ্ট পুঁজি দিয়াৰ বাবে অসম চৰকাৰক ধন্যবাদ জনাইছো maintenance ৰ যিটো পুঁজি দিছে খুব কম দিছে বুলি সকলোৱে অনুভৱ কৰিছো। maintenance ৰ বাবে পুঁজিৰ খুবেই প্ৰয়োজন আৰু মোৰ সমষ্টিত নদ- নদী অলপ বেছি। দুখন পকা দলং আমি পাইছো। তাৰবাবে ধন্যবাদ জনাইছো আৰু অহা দিনবোৰত যেন আৰু পাওঁ তাৰবাবে মন্ত্ৰী মহোদয়ে যেন পদক্ষেপ লয় আৰু পুঁজি যেন আৰু আৱণ্টন কৰে, তাৰবাবে অনুৰোধ জনাই আৰু কৰ্তন প্ৰস্তাৱৰ বিৰোধ কৰি মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী আব্দুল ৰছিদ মণ্ডল।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০১৭-১৮ চনৰ গড়কাপ্তানী পথ আৰু দলং বিভাগৰ পৰিপূৰক দাবী মঞ্জুৰীৰ কৰ্তনত সমৰ্থন জনাই ইতিমধ্যে আমাৰ দলৰ ফালৰ পৰা আৰু কিছুমান মাননীয় সদস্যই বক্তব্য আগবঢ়াইছে। দাবী মঞ্জুৰীক সমৰ্থন জনাই কিছু শাসক পক্ষই তেওঁলোকৰ বক্তব্য আগবঢ়াইছে। শাসক বিৰোধী সকলৰ বক্তব্য আমি ইতিমধ্যে জানিছো। আমি বিৰোধীতা কৰিছো আৰু যিসকলে সমৰ্থন কৰিছে পৰিপূৰক দাবী মঞ্জুৰী বক্তব্যৰ মূল বিষয়বস্তু কিন্তু বেলেগ হোৱা নাই। সকলোৱে একেখিনি কথাকেই কৈ কিছুমানে সমৰ্থন কৰিছে আৰু কিছুমানে বিৰোধীতা কৰিছে। আমি বিৰোধীতা কৰা বক্তব্য খিনি শাসক পক্ষইও কৈছে। আমি কিয় বিৰোধীতা কৰিছো। আজি PMGSY ৰাস্তা সমূহ যিমান ক্ষিপ্ৰতাৰে হ'ব লাগিছিলে, নাই হোৱা। ঠিকাদাৰ আগবাঢ়ি অহা নাই, কাম হৈছে কিন্তু কম দিনৰ ভিতৰত বেয়া হৈ আছে। survey team য়ে survey কৰি বহু ৰাইজে বিচৰা ৰাস্তা feasible নহয় বুলি report দি আছে। এই গোটেইখিনি কথাৰ মূলতেই হৈছে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা যুগুত কৰা guideline। কেন্দ্ৰীয় চৰকাৰে দিল্লীত বহি যুগুত কৰা guidelineগোটেই ভাৰতবৰ্ষৰ বাবে প্ৰযোজ্য নহ'বও পাৰে। আমি উত্তৰ প্ৰদেশ, হাৰিয়ানা, গুজৰাটৰ কথা ক'লেতো নহ'ব। আমি আমাৰ অসমৰ কথা ক'ব লাগিব। যি নীতি নিয়মৰ দ্বাৰা আমি অসমৰ উন্নয়ন কৰিব পাৰো, সেই নীতি নিয়মৰ মাজেৰে যাব লাগিব। আজি গড়কাপ্তানী বিভাগে এই গোটেইখিনি কথা জনাৰ পিছতো আজিলৈকে কিয় PMGSY ৰ যিটো guide-line সেই guideline ৰ পৰিৱৰ্তনৰ ব্যৱস্থা নল'লে। ইতিমধ্যে PMGSY ৰ ক্ষেত্ৰত আৰু কিছুমান কথা আমি লক্ষ্য কৰিছো, যিসকল ঠিকাদাৰে কাম পায়, কাম পোৱাৰ পিছত বন বিভাগৰ কিছুমান অফিচাৰৰ হেমাহি হওক বা forest materials ৰ অভাৱেই হওঁক কাম-কাজ ঠিকমতে হ'ব নোৱাৰে। আজি বিভিন্ন বিভাগৰ লগতে গড়কাপ্তানী বিভাগৰো একমাত্ৰ forest materials ৰ অভাৱৰ কাৰণে কাম-কাজ স্তব্ধ হৈ আছে। কিন্তু গড়কাপ্তানী বিভাগে বনবিভাগক এইক্ষেত্ৰত কিবা বিহীত ব্যৱস্থা লৈছে বুলি আমাৰ চকুত পৰা নাই। তাৰোপৰি যদি পৰিসংখ্যা দেখা যায় গড়কাপ্তানী বিভাগে প্ৰত্যেক বছৰে প্ৰাক্কলন অনুযায়ী যিমান forest materials ৰ ব্যৱহাৰ কৰে বা তাৰ against ত যিমান bill payment কৰে সেই অনুপাতে যিমান Forest royalty Gov-ernment এ পাব লাগিছিল total forest materials utilised by PW Depart-ment and total forest royalty deposited in the Government revenue কেতিয়াও একে নহয়। কাৰণ বনবিভাগে যিবিলাক challan issue কৰে কিছুমান বৈধ চালান আৰু কিছুমান fake challan জৰিয়তে হয়তো bill payment পোৱাৰ আশংকা থাকি যায়। গতিকে যদি চৰকাৰে বিবেচনা কৰি গোটেই Forest Department টোক Forest royalty Collection ৰ পৰা বাহিৰত ৰাখি যি Department এ Forest material ব্যৱহাৰ কৰে

bill payment ৰ সময়তে Forest material royalty যদি সেই বিভাগে bill ৰ পৰা deduction দিয়েতেন্তে Forest royalty এক টকাওঁ ফাকি নিদিয়াকৈ চৰকাৰৰ কোষাগাৰত জমা হোৱাৰ ব্যৱস্থা হ'ব পাৰে যিটো নেকি এতিয়ালৈকে গড়কাপ্তানী বিভাগে কৰা নাই। ইতিমধ্যে কিছুমান কথা নক'লেও নহ'ব। আমাৰ সন্মানীয় বিধায়ক শ্ৰীৰঞ্জিত দাস ডাঙৰীয়া, শ্ৰী বিনন্দ শইকীয়া ডাঙৰীয়া তেওঁলোকে কিছুমান কথা উল্লেখ কৰিছে। শ্ৰী পেগু ডাঙৰীয়াই অলপতে ক'লে যে তেখেতৰ হাত বিষাইছে অৱশ্যে মোৰ হাত বিযোৱা নাই কাৰণ নাৰিকল ভাঙিবই পৰা নাই। কিয় ভাঙিব পৰা নাই চব কা সাথ চব কা বিকাশ হয়তো হোৱা নাই নেকি ? বহু সময়ত social media ত SOPD,CRF report, maintenance বহুত কিবাকিবি দিয়ে, ময়ো নোপোৱা নহয়, পাইছো। SOPD Scheme, CRF ৰ Scheme ক'ত ক'ত পাইছে নাজানো। পোৱা সকলে হয়তো ফূৰ্তিত আছে কিন্তু সেই ফূৰ্তিখিনি মই এতিয়ালৈকে ল'ব পৰা নাই। মাননীয় মন্ত্ৰী মহোদয়, মই এটা কথা এইছেগেতে উল্লেখ কৰিব লাগিব ৰংচাইৰ পৰা বৰজাৰলৈ যোৱা মেঘালয়ৰ সীমান্তৱৰ্তী এটা ৰাস্তা বিভিন্ন কাৰণত গুৰুত্বপূৰ্ণ। গাৰো উগ্ৰপন্থীয়েই হওঁক বা আৰু অন্যান্য কাৰণতেই হওঁক। গোৱালপাৰা জিলা প্ৰশাসন, পুলিচ প্ৰশাসনৰ ফালৰ পৰাও এই ৰাস্তাৰ গুৰুত্ব আগৰ চৰকাৰৰ দিনতো কোৱা হৈছিল আৰু এই চৰকাৰৰ দিনতো জনোৱা হৈছে। এইটো কথা নহয় যে আগৰ চৰকাৰৰ দিনত এইবোৰ একো যোগাযোগ নাছিল। মই নিজেও মাননীয় মন্ত্ৰী মহোদয়ক লগ কৰি কৈছো তেখেতে গুৰুত্ব সহকাৰে লৈছেও। নাই লোৱা বুলি মই নকওঁ। তাত এখন দলং ৰ কাৰণে পইচা দিছেও। কিন্তু ৰাস্তাখিনি কৰাৰ ব্যৱস্থা এতিয়ালৈকে হোৱা নাই। যিটো নেকি এনেকুৱা গুৰুত্বপূৰ্ণ ৰাস্তা। য'ত নেকি সীমান্তৱৰ্তী মেঘালয়ৰ লগত সংলগ্ন বিভিন্ন উগ্ৰপন্থী সমস্যা জৰ্জৰিত। য'তনেকি পুলিচ প্ৰশাসনৰ বাবে প্ৰয়োজন। আমাৰ অতিৰিক্ত মুখ্য সচিব M.G.K.Bhanu চাহাবে আগৰ চৰকাৰৰ দিনত এবাৰ সেইবিলাক অঞ্চল ভ্ৰমণৰ সময়ত তেখেতৰ note টো আহিছিল। আজি এই চৰকাৰৰ সকলোৰে জ্ঞাত মাননীয় মুখ্যমন্ত্ৰী মহোদয় এবাৰ অসমৰ সীমান্তৱৰ্তী অঞ্চল চাউথ শালমাৰালৈ যাওঁতে মই যাব পৰা নাছিলো। সেই বিলাক সংলগ্ন কৰিব পৰাকৈ ৰাস্তাতো আজি যিমানখিনি তৎপৰ তাৰে চৰকাৰে লব লাগিছিল, নাই লোৱা। লক্ষীপুৰ এখন ইতিহাস প্ৰসিদ্ধ ঠাই। তাত শিৱবাৰী ঘাট য'ত অজস্ৰ মানুহৰ সমাগম হয়। মাজত জিনজিনা নদী। ইফালে আকৌ ভাইভনী থান। তাত প্ৰত্যেক বছৰে মেলা হয়। কিন্তু যোগাযোগৰ কাৰণে মাজত বাঁহৰ সাঁকো। মন্ত্ৰী মহোদয় অৱশ্যে ১০০০ দলং ৰ মাজত লিষ্টেড কৰিম বুলি কৈছে। কিন্তু সেইটো কিমান বছৰত হ'ব নাজানো। য'ত নেকি আজিৰ তাৰিখতেই প্ৰয়োজন আৰু যিটো ৰংচাই বৰজাৰ ক্ষেত্ৰত আমি সকলোৰে জানো Lady Birubala Rabha Mission ৰ ফালৰ পৰা চৰকাৰক বহুত বাৰ যোগাযোগ কৰা হৈছে আৰু এটা হৈছে পাগলাটেগ থান। যিটো নেকি archeological site আৰু ধৰ্মীয় ভাৱে প্ৰসিদ্ধ ঠাই, সদায় মানুহৰ সমাগম ঘটে। গোৱালপাৰাৰ পৰা খৰমুজালৈ যোৱা ৰাস্তাতো মুখ্যমন্ত্ৰীৰ special fund যি RCC bridge ৰ টেণ্ডাৰ হোৱা আছিল। ইতিমধ্যে কোনোবা এজন সদস্য বন্ধুৱে এই কথাবিলাক কৈছে। অৱশ্যে তেখেতে ব্যাখ্যাটো বেলেগ কৈ দিছে আৰু মই সেইবিলাক বিতৰ্কত যাব বিচৰা নাই। কাৰণ Government is a continous process. Head of account, name change কৰিলেই বেলেগ কথা। সেইটো একো অপৰাধও নহয়। চৰকাৰে যেতিয়া যিটো head ৰ পৰা টকা available কৰিব পাৰে তেন্তে কৰিব পাৰে। কিন্তু মোৰ প্ৰয়োজন হৈছে bridge ত। চৰকাৰে যিটো হেডত টকা পৰ্য্যাপ্ত কৰিব পাৰে, কিন্তু মোৰ প্ৰয়োজন হৈছে, সেইটো কনভাৰ্ট কৰি আৰ.চি.চি দলংৰ নিবিদা হ'ল। এলোটমেন্ট হ'ল কিন্তু কাম নোহোৱাকৈ

থাকিল। গতিকে চৰকাৰৰ এই সিদ্ধান্ত লোৱাত দেৰি অথবা পৰিবৰ্তন হোৱাৰ ফলত ঠিকাদাৰ জনৰ সন্দেহ আহিল। তেতিয়া ঠিকাদাৰজনে কাম কৰিবলৈ ভয় কৰিলে। যাৰফলত জিয়াতু ভূগিছে ৰাইজে আৰু পাগলা থানৰ মেনেজমেন্ট কমিটিয়ে ৰাইজৰ গালি খবলগীয়া হৈছে। তাত ৰিচেন্টলি মেলা আছে, তাত আমি স্থানীয় ভাৱে মানুহ অহা-যোৱা কৰিবৰ বাবে কিছু কিবা কৰি দিছো যদিও অলপ আগতে গগৈ ডাঙৰীয়াই কৈছিল নেকি যে আইন শৃংখলা জনিত পৰিস্থিতিৰ সৃষ্টি হ'ব কোনোবা এটা দলং ভাঙিলে। মোৰো তেনেকুৱা দশা হ'ব। ভক্তৰ সমাগম ঘটিব, দলং ভাঙি কিবা দূৰ্ঘটনা হ'ব। মোৰ হয়তো সেই অঞ্চলত ন' ইন্ট্ৰি হ'ব। গতিকে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো । লক্ষীপুৰলৈ ইমান ঠেক ৰাস্তা, বহুত দূৰ্ঘটনা হয়। সদায় মানুহ মৰে। চৰকাৰী হিচাপে যদি ৰেৰ্কড চোৱা যায় বহুত মানুহ মৰিছে। ৰাস্তাটো যদি বহল কৰা নাযায় এই দূৰ্ঘটনা সদায় হৈ থাকিব। তাতে ৰাইজৰ প্ৰতিবাদৰ কাৰ্য্যসূচী আহি থাকিব। গতিকে ৰাস্তাটো বহল কৰাৰ ব্যৱস্থা চৰকাৰৰ ফালৰ পৰা ল'ব বুলি মই অনুৰোধ জনাইছো। এইখিনি কথা আজি মই অপ্ৰিয় হ'লেও কবই লাগিব। বৰ্তমানৰ গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ডাঙৰীয়া ভাল মানুহ। যথেষ্ট সৰল আৰু উদাৰ মানুহ। হয়তো এইবাবেই বেলেগ বিভাগৰ মন্ত্ৰীৰ ব্যক্তিগত সচিবে তেখেতৰ বিভাগৰ অফিচাৰক ফোন কৰি কৰি গোৱালপাৰাৰ অফিচাৰক ধমকি দিয়া দৃষ্টান্ত আছে। কোন মন্ত্ৰী ব্যক্তিগত সচিব মই পিচত কম। কোন বিভাগৰ মন্ত্ৰীয়ে তেখেতৰ বিভাগৰ কাৰ্য্যবাহী অভিযন্তা, উপায়ুক্ত পৰ্যন্ত ফোন কৰি এনেকুৱা ত্ৰাসৰ সৃষ্টি কৰে, যাৰ কাৰণে ঠিকাদাৰে কাম কৰিবলৈ ভয় কৰে। যি কাৰণে ঠিকাদাৰ সকলে ভয় কৰে। অফিচাৰ বিলাকে ভয় খাই কয় যে অমুক ঠাইৰ পৰা অমুক মন্ত্ৰীৰ ফোন আহিছে, ব্যক্তিগত সচিব, বিশেষ কৰ্তব্যৰত বিষয়াৰ। গতিকে মই কথা বিলাকৰ প্ৰতি মন্ত্ৰী মহোদয়ে দৃষ্টি দিব বুলি আশা ৰাখিছো। দুধনৈৰ পৰা গোৱালপাৰালৈ ষ্টেট হাইৱেৰ কাম হৈ আছে। কিন্তু যথেষ্ট লেহেম গতিত হৈ আছে। মই আশা কৰিম, আমাৰ চৰকাৰৰ দিনত কাম কৰিব নোৱাৰিলে, যাৰ কাৰণে ৰাইজৰ ওচৰত আমি জগৰীয়া, সেই কাৰণে ৰাইজে আমাৰ বিচাৰ কৰিছে। আপোনালোকো যাতে আমাৰ দৰে আকৌ ৰাইজৰ ওচৰত জগৰীয়া নহয়, কামখিনি যাতে সোনকালে হৈ যায়। তিনিচুকীয়া বাইপাচ আধৰুৱা হৈ আছে আৰু এটা কথা ক'ব বিচাৰিছো পি.এম.জি.এছ. ৱাইৰ ৰাস্তাৰ যেতিয়া নিবিদা হয়, যিটো prioritization কৰা দেখা যায়, মোৰ সমষ্টিত দিছে, বহুত গুৰুত্বপূৰ্ণ ৰাস্তা। বহুত গুৰুত্বপূৰ্ণ ৰাস্তাৰ নিবিদা হৈছে। যেতিয়া এটা অঞ্চলৰ বেচি গুৰুত্বপূৰ্ণ ৰাস্তাৰ কাম নোহোৱাকৈ থাকে, কম গুৰুত্বপূৰ্ণ ৰাস্তাৰ কাম হৈ যায় তেতিয়া বিভাগ আৰু জনপ্ৰতিনিধিৰ ওপৰত অলপ অবিশ্বাস হৈ যায়। আমি কিবা Favouritism কৰিছো নেকি ? বিভাগে কিবা Favouritism কৰিছে নেকি ? গতিকে এই prioritization ৰ ক্ষেত্ৰত এটা নিশ্চিত ভাবে বিভাগৰ বা চৰকাৰে জানে যে ইমান কেইটা ৰাস্তা এইবাৰ টেণ্ডাৰ ফ্ল'ট কৰা হব কিমান টকা। এই বস্তুবিলাক যদি সমষ্টি হিচাপত কৰে, সমষ্টি হিচাপত যদি তেনেকুৱা টিম তাকে যে সেই সমষ্টিক ইমান টকা দিয়া হ'ব। ইমান টকাৰ মাজত ইমান কেইটা ৰাস্তা হ'ব। prioritise কৰি এই কেইটা ৰাস্তাৰ টেণ্ডাৰ হওক। যাতে বেছি গুৰুত্বপূৰ্ণ ৰাস্তাখিনি বাচনি হৈ আহে। কম গুৰুত্বপূৰ্ণ ৰাস্তাখিনি পিচত হওক।

**মাননীয় অধ্যক্ষ ঃ** এক মিনিট। আজি আপুনি শেষ কৰিবনে ?

**শ্ৰীআব্দুল ৰচিদ মণ্ডল ঃ** টাইম শেষ হৈছে নেকি ?

**মাননীয় অধ্যক্ষ ঃ**বেছি নাই, মোক তিনি মিনিট মান সময় লাগিব।

**শ্ৰীআব্দুল ৰচিদ মণ্ডল ঃ** হ'ব গতিকে, এই স্কীম prioritization কৰাৰ কাৰণে এটা ব্যৱস্থা নললে আমি জনপ্ৰতিনিধি আনকি আপোনালোক চৰকাৰো ৰাইজৰ এই বদনামৰ সন্মুখীন হ'ব

লাগিব। আমি Favouritism কৰিছো। স্কীম চিলেক্ট কৰাৰ সময়ত আমি Favouritism কৰিছো। ইতিমধ্যে এটা কথা বাৰে বাৰে আলোচনা হৈছে, পি.এম.জি.এছ. ৱাইৰ প্ৰাক্ কলনত আৰ্থৱৰ্কৰ প্ৰ'ভিজনৰ কথাটো আলোচনাও হৈছে। বহুত ঠাইত এনেকুৱা আছে যে এই এইছ.এফ.এল মেইনত হোৱা নাই। ৰাস্তা পানীৰ তলত থাকে। গাইডলাইনৰ পৰিবৰ্তন হওক। গাইডলাইনৰ পৰিবৰ্তন হোৱাতে নিশ্চয় সময় লাগিব। মই এইটো নকও যে কালিয়েই গাইডলাইন পৰিবৰ্তন হ'ব কিন্তু গাইডলাইনৰ পৰিবৰ্তন নহয় মানে চৰকাৰে অন্তত এইখিনি ব্যৱস্থা কৰিব পাৰে। বিভিন্ন চোৰ্চৰ পৰা সেই ৰাস্তাটোৰ কাম কৰক। যিকোনো চ'ৰ্চৰ পৰা পি.ডব্লিউ.ডিৰ নিজা পইচা হ'ব পাৰে বা পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ পৰা এম.জি.এনৰেগা আঁচনিৰ টকাও কনভাৰ্ট কৰিব পাৰে। এম.জি.এনৰেগাৰ টকাৰে যিটো বেচলাইন, ফ'ৰমেচন লেভেললৈ এম্বাকমেন্টৰ কাম কৰি ৰাস্তাটো নিৰ্দিষ্ট লেভেললৈ আপ কৰি তাত পি.এম.জি.এছ. ৱাই ৰাস্তাটোৰ পকা হওক। তথাপিতো ৰাস্তাটো ভাল হৈ যায়। যদি এই টেক্নিকেল এৰেঞ্জমেন্ট ইন্টাৰ ডিপাৰ্টমেন্ট ৰ যিটো কো-অ'ৰ্ডিনেচন এইখিনি কৰিও আমি তাৎক্ষনিক ভাবে কিছুমান সমস্যাৰ সমাধান কৰিব পাৰো। এই ক্ষেত্ৰত গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। বহুত অঞ্চল এতিয়াও পি.এম.জি.এছ. ৱাইৰ দ্বাৰা আনকাভাৰ্ড হৈ আছে। মোৰ সমষ্টিৰে চাৰিটা পঞ্চায়ত কলহভাঙা জি.পি, ৰৌখোৱা জি.পি., ৰামৰিচৰ জি.পি, পাৰ্ট অৱ ৰৌমাৰি জি.পি., পাৰ্ট অৱ আলাখালি জি.পি এই অঞ্চলসমূহো পি.এম.জি.এছ. ৱাইৰ কোনো আঁচনিয়ে ঢুকি পোৱা নাই। তাত যথেষ্ট ৰেভিনিউ ভিলেজ আছে। পকা ৰাস্তা হ'ব পৰাকৈ যথেষ্ট প্ৰ'ভিজন আছে। মই বাঘবৰ সমষ্টিত চাইছো বৰপেটা জিলাত চৰ এৰিয়াত পি.এম.জি.এছ. ৱাইৰ ৰাস্তা হৈছে। মোৰ সমষ্টিত এই চৰৰ গাঁও সমূহত এটা পকা ৰাস্তা আজিলৈকে নহ'ল। মই কেছ কৰাৰ পিছতো চি.এন.আৰৰ আঁচনিত নাম অন্তৰ্ভূক্ত কৰিব নোৱাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মণ্ডল ডাঙৰীয়া কাইলৈ আপুনি শেষ কৰিব পাৰিব।

**শ্ৰীআব্দুল ৰচিদ মণ্ডল ঃ** মই শেষ কৰিছো চাৰ, এই কথাবিলাক সংক্ষেপে এটা কথা কব খুজিছো যে ঢলা শদিয়া ব্ৰীজ, শৰাইঘাট ব্ৰীজ, ২৭ হাজাৰ ৰাস্তা আমি কিন্তু দুই বছৰত কমপ্লিত কৰা নাই। আমি ৰিজাল্টহে ভোগ কৰি আছো। এইখিনি কৈ মই বক্তব্য সামৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, ডিচকাচন কাইলৈ কনটিনিউ কৰিম। মাননীয় মন্ত্ৰী শ্ৰীচন্দ্ৰমোহন পাটোৱাৰীয়ে বিষয় এটাৰ বাবে সময় বিচাৰিছিল মই তেখেতৰ বিষয়টো শেষ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা বিষয়ৰ ওপৰত কেইটামান কথা ক'বলগীয়া হৈছে, সেইটো হ'ল যে আমাৰ হিন্দুস্থান পেপাৰ কৰ্পৰেচনৰ অধীনত আমাৰ উত্তৰ-পূৰ্বাঞ্চলত তিনিটা মিল আছে। তুলি, কাছাৰ পেপাৰ মিল আৰু নগাওঁ পেপাৰ মিল জাগিৰোড। তাত আজি যোল্লমাহ ধৰি কৰ্মচাৰীসকলে দৰমহা পোৱা নাই আৰু এই মিল তিনিটা এইচ.পি.চি, হিন্দুস্থান পেপাৰ কোৰপোৰেচন লিমিটেড, হেভি ইণ্ডাষ্ট্ৰি গভট্ অৱ ইণ্ডিয়াৰ অধীনত আছে। অৱশ্যে এই মিল কেইটা আমাৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত যি চৰকাৰ আহিছে এই চৰকাৰ অহাৰ আগতেই বন্ধ হৈছিল। কিন্তু এটা কথা ঠিক এই মিলকেইটাত যে তেওঁলোকে দৰমহা পোৱা নাই। গতিকে দৰমহা নোপোৱাত তেওঁলোকৰ মনত যিটো দুখ হৈছে অসুবিধা হৈছে সেইটোত আমাৰ চৰকাৰে একমত। আমি বিচাৰো যে তেওঁলোকে দৰমহাখিনি পাব লাগে, মিলকেইটা চলিব লাগে। যোৱা কালি হঠাৎ এটা বাতৰি ওলাল যে এই মিলবিলাকৰ Responsibility নলয়। তেনেকে বাতৰি এটাত প্ৰকাশ হৈছে। বাতৰিটো প্ৰকাশ হোৱাৰ পাছত আজি জাগীৰোডত

এজন ব্যক্তিয়ে প্ৰায় ১০০ ফুট মান ওপৰত উঠি তাৰ পৰা জপিওৱাৰ চিন্তা কৰিলে যে আমাৰ মিল বিলাক এতিয়া নহ'ব। গতিকে এই সম্পৰ্কত আমি জনাওঁ যে এই মিলকেইটা আৰম্ভণিতে HPC যে যেতিয়া ডিচইনভেষ্টটমেন্টত নিয়াৰ চেষ্টা কৰিছিল তেতিয়া আমাৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ প্ৰচেষ্টাত আমি যোৱা ডেৰটা বছৰে এই মিল কেইটাৰ কথা হেভি ইণ্ডাষ্ট্ৰি মিনিষ্ট্ৰিৰ লগত কথাখিনি পাতি আছো। আৰু হেভি ইণ্ডাষ্ট্ৰি মিনিষ্ট্ৰিয়ে এইটো ক্ষেত্ৰত আমাৰ যিখিনি সঁহাৰি আমি যিখিনি অনুৰোধ কৰিছো, সেই অনুৰোধ মৰ্মে, হেভি ইণ্ডাষ্ট্ৰি মিনিষ্ট্ৰিয়েও এই মিল তিনিটা দিছিল। অধ্যক্ষ মহোদয়, গতিকে তেওঁলোকৰ যিখিনি দুখ বেদনা আমি সকলোৱে এইটো ক্ষেত্ৰত একমত অধ্যক্ষ ডাঙৰীয়া। তেওঁলোকে দৰমহা পাব লাগে। কিন্তু অসম চৰকাৰৰ, আমাৰ মিল নহয় যদিও মাজতে দৰমহাৰ অসুবিধা হওঁতেও মাননীয় মুখ্যমন্ত্ৰীৰ প্ৰচেষ্টাত আমি এই মিলকেইটাত অসম চৰকাৰৰ পৰা ৩৫ কোটি টকা দিয়া হৈছিল দৰমহা আৰু অন্যান্য কথাৰ কাৰণে। আৰু আজিৰ দিনটোত এই মিলকেইটাই অসমৰ পাৱাৰ ডিপাৰ্টমেন্টক, APDCL ক তেওঁলোকে ৪০ কোটি টকাৰ বিল দিব আছে।

(মাননীয় অধ্যক্ষ মহোদয়ে সদনৰ সময় শেষ হোৱাত অলপ সময় বঢ়াই দিয়ে)।

গতিকে এই মিল কেইটাই ৪০ কোটি টকা APDCL ক দিব লগা আছে। তথাপিও মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৰিভিউ কৰি কৈছে যে ৪০ কোটি টকা তেওঁলোকে দিব এতিয়া নোৱাৰিলেও তেওঁলোকক ডিচকানেক্ট কৰিব নালাগে। গতিকে আমি পাৱাৰটো তেওঁলোকক দিয়াটো আমি কনটিনিউ ৰাখিছো।আৰু তাৰ উপৰিও আজি এই ঘটনাটো জাগীৰোডত হৈছে। বিধান সভাৰ প্ৰশ্নোত্তৰ কালৰ পাছত মাননীয় মুখ্যমন্ত্ৰীয়ে মোক মাতিছিল আৰু মই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ওচৰত যাওঁতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোক গোটেই ষ্টেটাচ ৰিপোৰ্টটো বিচাৰিছিল আৰু মই ষ্টেটাচ ৰিপোৰ্টটো দিলো। তাৰ পাছত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইমিডিয়েটলি যোৱা কালি আমাৰ জীতেন্দ্ৰ সিং ডাঙৰীয়াৰ ড'নাৰ মিনিষ্টাৰৰ লগত কথা পাতিলে, যে আপুনি এটা ষ্টেটমেণ্ট দিছে আৰু আজি এনেকুৱা কথা এটা হৈছে। ড'নাৰ মিনিষ্টাৰে কৈছে যে মই ষ্টেটমেণ্ট দিয়াই নাই. এই ষ্টেটমেন্ট মই তেনেকুৱা দিয়াই নাই আৰু কথাখিনি মই কোৱাও নাই। এনেকে মুখ্যমন্ত্ৰী ডাঙৰীয়াক ড'নাৰ মন্ত্ৰীয়ে কলে। তাৰ পাছত আকৌ ফোনটো থোৱাৰ পাছত ড'নাৰ মন্ত্ৰীয়ে আকৌ ফোন কৰিছে। কৰি মুখ্যমন্ত্ৰী ডাঙৰীয়াক কৈছে যে আপুনি এই কথাখিনি ক্লিয়াৰ কৰি দিব লাগে যে এনেকুৱা মই ষ্টেটমেণ্ট দিয়া নাই, যে এই মিলকেইটা ৰেচপনচিবিলিটি আমি নলওঁ। তেওঁ আকৌ কলে, মই নিজে প্ৰেজেন্ট আছো। তাৰ পাছত মুখ্যমন্ত্ৰী ডাঙৰীয়াই হেভি ইণ্ডাষ্টি মিনিষ্টাৰৰ লগত কথা পাতিলে মোৰ সন্মুখতে। হেভি ইণ্ডাষ্ট্ৰি মিনিষ্টাৰে কৈছে যে আগতে আমি গোটেই প্ৰচেচ কৰি গোটেই মিল কেইটাত কিমান ডিউ আছে, কিমান কি আছে এই গোটেইখিনি প্ৰচেচ কৰি ইণ্টাৰ মিনিষ্ট্ৰিয়েল আমি আলোচনা বিলোচনা কৰিম। গতিকে আমি গোটেই খিনি ঠিক ঠাক কৰি এটা ফাইনেল প্ৰ'পোজেল পি এমৰ তাত দিয়া আছে। হেভি ইণ্ডাষ্টি মিনিষ্টাৰে এই কথাখিনি কলে। আকৌ মুখ্যমন্ত্ৰী ডাঙৰীয়াই দুবাৰ কথা পাতিলে পি এম ক মোৰ সন্মুখতে আজি। গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াক পি এম ৰ অফিচৰ পৰা কলে, এই মিল কেইটাৰ ব্যৱস্থা আপোনালোকে সোনকালে কৰিব লাগে আৰু যিটো পি এম ৰ তাত এতিয়া চব ডিপাৰ্ট বিলাকৰ অপিনিয়ন লৈ আছে যিহেতুকে পি এমতোতে ফাইনেল প্ৰ'পোজেলটো আছে, এই প্ৰ'পোজেলটো সোনকালে পাচ কৰি কেবিনেটত যাব লাগিব। গতিকে কেবিনেটত পাচ কৰি অনতি পলমে মিলকেইটা চলোৱাৰ ব্যৱস্থা কৰে যেন এইখিনি কথা পি এম ৰ লগত তেওঁ দুবাৰ কথাখিনি পাতিলে মোৰ সন্মুখতে আৰু সেই হিচাবত এই মিল কেইটাৰ এই ৰিভাইভেল ৰ কাৰণে

মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰচেষ্টা চলাই আছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দেশ মৰ্মে বা তেওঁৰ সহযোগত উদ্যোগমন্ত্ৰী হিচাবে যিহেতু আমাৰ অসম চৰকাৰৰ  মিল নহয় গতিকে যোৱা দুটা বছৰ আমি উই আৰ ইন টাৰ্চ। তাৰ কাৰণে আজি আমাৰ  বিধান সভাত আপোনাৰ জৰিয়তে অধ্যক্ষ মহোদয়, এইটো কথাই আমি কব বিচাৰিছো যিহেতুকে গোটেই বিষয়টো আমাৰ চৰকাৰ অহাৰ আগত এইটো বন্ধ হৈছিল আমাৰ চৰকাৰ আহি এতিয়া ভাৰত চৰকাৰৰ লগত আমি টেক আপ কৰিছো। ভাৰত চৰকাৰৰ মিল, এতিয়া ফাইনেল ষ্টেজত আছে, যেতিয়া এইটো পি এম ৰ অফিচত আছে। গতিকে আমি ভাবো আমি আশাবাদী এই মিল কেইটাৰ ক্ষেত্ৰত। এটা পজিটিভ উত্তৰ পি এমৰ অফিচৰ পৰা আমি আশা কৰিব পাৰো আজিৰ দিনত। গতিকে অধ্যক্ষ মহোদয়, মোৰ লাষ্ট কথা, সেই কাৰণে মই আপোনাৰ জৰিয়তে এটা কথা কব বিচাৰিছো, যে আমাৰ মিলৰ যি সকল কৰ্মচাৰী আছে, বিষয়া আছে, মই তেখেত সকলক আপোনাৰ জৰিয়তে অনুৰোধ কৰিম।  অনুৰোধ কৰিম তেখেত সকলক যে ইমান দিন কষ্ট কৰিছে যি হেতুকে অকন মান ধৈৰ্য ধৰিব লাগিব। এটা ৰিৰ্পোটৰ বাবে। পি এম অফিচৰ পৰা যি হেতু ফাইনেল ৰিৰ্পোটটো তাত গৈছে, হব। আপোনাৰ জৰিয়তে মই সকলো শ্ৰমিক কৰ্মচাৰীক এই ক্ষেত্ৰত মই অনুৰোধ জনাইছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো প্ৰচেষ্টা চলাইছে, মুখ্যমন্ত্ৰী ডাঙৰীয়াক সহায় কৰিবলৈ আমি সদনৰ সকলো মাননীয় শাসক, বিৰোধী সকলোকে আমি অনুৰোধ কৰিছো যে আমাৰ এই কৰ্মচাৰী সকলৰ স্বাৰ্থত আমি সকলোৱে সহযোগ কৰি সহযোগিতাৰে আগবাঢ়ি যাব লাগে।

**মাননীয় অধ্যক্ষ ঃ**-ধন্যবাদ,

**শ্ৰী দেৱব্ৰত শইকীয়া,বিৰোধী দলৰ দলপতি ঃ**-মাননীয় অধ্যক্ষ মহোদয়, মই এষাৰ কব পাৰিম নেকি ?

**মাননীয় অধ্যক্ষ ঃ**- এতিয়া ষ্টেটমেন্টৰ ওপৰত কথা নহয়। কাইলৈ আপুনি লাগিলে কব, আজি নালাগে।

**শ্ৰী দেৱব্ৰত শইকীয়া,বিৰোধী দলৰ দলপতি ঃ**-খালী এটা কথা। আমি গোটেইখিনি সমৰ্থন কৰিছো. খালী যাতে ব্যক্তিগত কৰণৰ কথা এটা ওলাই আছে. যিটো  আগতেও হৈছিল । সেইটো যাতে নহয়, তাৰ বাবে সদনত ।

**মাননীয় অধ্যক্ষঃ**- তেখেতে সেইটো ক্লিয়েৰ কৰিলে। তেখেতে কৰিলে  আমি পিছত কথা পাতিম। কাৰণ ষ্টেটমেন্টৰ ওপৰত ডিচকাশ্যন নহয়।

**এতিয়া সদন ২০-০২-২০১৮ তাৰিখৰ পুৱা ৯-৩০ বজালৈ স্থগিত ৰখা হৈছে।**